www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এখন ভাল কিতাপ সকলো বন্ধুতকৈ বেছি আপোন। বন্ধুসকল আঁতৰি যাব পাৰে কিন্তু কিতাপখন চিৰকাললৈ লগত থাকিব। - টুপাৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ২৫০ ▫ সোমবাৰ ▫ ২০ জুলাই, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 250 ▫ Monday ▫ 20th July, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page-8

# আজি চিজেপিৰ নেতৃত্বত ‘সংসদ চালো’ পদযাত্ৰা

## যন্তৰ মন্তৰত আৰক্ষীৰ কঠোৰ বান্ধ ঃ ৪০খন ডিটেনচন বাছ, জলকামান স্থাপন

## ক’কৰোচ্ছ জনতা পাৰ্টীৰ ‘সংসদ চালো’ আন্দোলনক ‘অবৈধ’ ঘোষণা দিল্লী আৰক্ষীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ জুলাই ঃ** অহা ২০ জুলাইত নীট প্ৰশ্নকাকত ফাদিল, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগকে ধৰি শিক্ষাব্যৱস্থাত ব্যাপক সংস্কাৰৰ দাবীত ক’কৰোচ্ছ জনতা পাৰ্টী (চিজেপি)ৰ নেতৃত্বত সংসদলৈ পদযাত্ৰা আয়োজন কৰিবলৈ সাজু হৈ উঠিছে ছাত্ৰ-ছাত্ৰী আৰু সমাজকৰ্মীসকল। কিন্তু এই আন্দোলনক বিফল কৰিবলৈ দিল্লী আৰক্ষী আৰু প্ৰশাসনে যথেষ্ট কটকটীয়া ব্যৱস্থা গঢ়ি তুলিছে। যন্তৰ -মন্তৰৰ চাৰিওফালে এতিয়া সাজু হৈ আছে কেইবাখনো ডিটেনচন বাছ, ডাঙৰ পানীৰ টেংকাৰ (জলকামান), আৰু সশস্ত্ৰ কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিছ বাহিনী (চিআৰপিএফ)ৰ জোৱান। পৰিস্থিতি যেন এক ৰণক্ষেত্ৰত পৰিণত হৈছে। পুৱা প্ৰায় ৪ঃ৩০ বজাত ক’কৰোচ্ছ জনতা পাৰ্টীৰ মুখপাত্ৰ আশুতোষ ৰাংকাই সামাজিক মাধ্যমত প্ৰকাশ কৰা ভিডিঅ’ বাৰ্তাত কয় যে যন্তৰ মন্তৰৰ ওচৰত প্ৰায় ৪০খন ডিটেনচন বাছ আৰু ছয়ৰ পৰা সাতটা জলকামান স্থাপন কৰা হৈছে। লগতে সংসদ মাৰ্গ সম্পূৰ্ণৰূপে ছীল কৰি দিয়া হৈছে। তেওঁ দাবী কৰে যে দিল্লী আৰক্ষীয়ে ‘সংসদ চালো’ পদযাত্ৰা বিফল কৰিবলৈ পূৰ্ব-পৰিকল্পিত দমন নীতি গ্ৰহণ কৰিছে। গতিকে তেওঁ সমৰ্থকসকলক অনতিপলমে যন্তৰ মন্তৰত



উপস্থিত হৈ আন্দোলনক শক্তিশালী কৰিবলৈ আহ্বান জনায়। ইফালে দিল্লী আৰক্ষীয়ে সোমবাৰে অনুষ্ঠিত হ’বলগা এই পদযাত্ৰাক “অবৈধ” বুলি ঘোষণা কৰি স্পষ্ট সকীয়নি দিছে যে প্ৰতিবাদকাৰীসকলে যদি সংসদৰ ফালে আগবাঢ়ে, তেন্তে তেওঁলোকক আটক কৰা হ’ব। আৰক্ষীৰ মতে, এই প্ৰতিবাদৰ বাবে এতিয়ালৈকে কোনো নতুন অনুমতি বিচৰা হোৱা নাই। আনহাতে, শনিবাৰে নিশাও যন্তৰ মন্তৰত আন্দোলনকাৰীসকল সক্ৰিয় আছিল। তেওঁলোকে বিভিন্ন শ্ল’গান দি, ▫ ৬ পৃষ্ঠাত

# ‘ছাত্ৰো কি গুঞ্জ’ কাৰ্যসূচীৰ জৰিয়তে শিক্ষা ক্ষেত্ৰত সংস্কাৰৰ দাবী কংগ্ৰেছৰ

### কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগ আৰু বিধানসভাত শিক্ষা বিষয়ক আলোচনাৰ আহ্বান



**ষ্টাফ ৰিপ’ৰ্টাৰ, গুৱাহাটী, ১৯ জুলাই ঃ** লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ নেতৃত্বত দেশজুৰি আৰম্ভ হোৱা ‘ছাত্ৰো কি গুঞ্জ’ কাৰ্যসূচীৰ প্ৰাসংগিকতা, ইয়াৰ সম্ভাব্য প্ৰভাৱ আৰু মোদী চৰকাৰৰ শিক্ষা নীতিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত সৃষ্টি কৰা মানসিক চাপৰ বিষয়ে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগৰ উদ্যোগত এক সংবাদমেল অনুষ্ঠিত হয়। এই সংবাদমেলত দলটোৰ জ্যেষ্ঠ নেতাসকলে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ শিক্ষা নীতিৰ তীব্ৰ সমালোচনা কৰাৰ লগতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী পুনৰুচ্চাৰণ কৰে। লগতে অসম বিধানসভাৰ চলিত অধিৱেশনত অন্তত এদিন ▫ ৬ পৃষ্ঠাত

# সোণম ৱাংচুকক ব্যক্তিগত চিকিৎসালয়লৈ স্থানান্তৰৰ আবেদন খাৰিজ দিল্লী উচ্চ ন্যায়ালয়ৰ

### অনশনৰ পিছত স্বাস্থ্যৰ অৱনতি, চৰকাৰী চিকিৎসালয়তে ৰখাৰ সিদ্ধান্ত বৈধ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ জুলাই ঃ** নীট প্ৰশ্নকাকত ফাদিল আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত যন্তৰ মন্তৰত অনিৰ্দিষ্টকালীন অনশন কৰি থকা সমাজকৰ্মী সোণম ৱাংচুকক চৰকাৰী ছফদাৰজং হাস্পতালৰ পৰা তৎকালীনভাৱে মুক্তি দি তেওঁৰ পৰিয়ালৰ পছন্দৰ মেদান্ত ব্যক্তিগত চিকিৎসালয়লৈ স্থানান্তৰ কৰিবলৈ দাবী জনাই পত্নী গীতাঞ্জলি জে আংগম’ৰে দাখিল কৰা আবেদন খাৰিজ ▫ ৬ পৃষ্ঠাত

# নীট অনিয়মৰ পুনৰাবৃত্তিৰ বিৰুদ্ধে ফাইমাৰ কঠোৰ পদক্ষেপ

### ৰাষ্ট্ৰপতিৰ জৰুৰী হস্তক্ষেপ বিচাৰি পত্ৰ, কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবী

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ জুলাই ঃ** ৰাষ্ট্ৰীয় যোগ্যতা প্ৰৱেশ পৰীক্ষা (নীট)ত বাৰে বাৰে সংঘটিত হোৱা অনিয়ম আৰু প্ৰশ্নকাকত ফাদিলৰ ঘটনাই দেশব্যাপী চিকিৎসা শিক্ষাৰ আকাংক্ষীসকলৰ মাজত সৃষ্টি কৰা ক্ষোভ আৰু হতাশাৰ মাজত এইবাৰ ফেডাৰেচন অৱ অল ইণ্ডিয়া মেডিকেল এছ’চিয়েশ্যন (ফাইমা) সৰৱ হৈ পৰিছে। সংস্থাটোৱে এই গুৰুতৰ পৰিস্থিতিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ জৰুৰী হস্তক্ষেপ বিচাৰি এখন আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিছে, লগতে নীটৰ বিফলতাৰ দায় লৈ কেন্দ্ৰীয় ▫ ৬ পৃষ্ঠাত

# জয়ন্ত মল্ল বৰুৱাৰ পত্নীৰ নামত ৪২ বিঘা মাটি আৰু কোটি কোটি টকাৰ সম্পত্তি ক্ৰয়ৰ অভিযোগ

### বিধায়ক অখিল গগৈৰ সংবাদমেলত চাঞ্চল্যকৰ তথ্য

**ষ্টাফ ৰিপ’ৰ্টাৰ, গুৱাহাটী, ১৯ জুলাই ঃ** ৰাজ্যৰ ৰাজনৈতিক মহলত আজি এক চাঞ্চল্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিলে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। গুৱাহাটীত অনুষ্ঠিত এক সংবাদমেলত তেওঁ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিৰুদ্ধে গুৰুতৰ সম্পত্তি ক্ৰয়ৰ অভিযোগ উত্থাপন কৰে। গগৈয়ে দাবী কৰে যে মন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ পৰা ২০২৬ চনৰ ভিতৰত নিজৰ পত্নী জুলি ডেকা বৰুৱাৰ নামত ৪২ বিঘা মাটি আৰু কেইবাকোটি টকা মূল্যৰ অট্টালিকা ক্ৰয় কৰি সম্পত্তিৰ ▫ ৬পৃষ্ঠাত




# যোৰহাটত বানৰ আশংকা ঃ নৈ-পৰীয়া অঞ্চলৰ ৰাইজলৈ সতৰ্কবাণী

### নদীত গা-ধোৱা, কাপোৰ ধোৱা, মাছ ধৰাত নিষেধাজ্ঞা
### বৈদ্যুতিক খুঁটি-ট্ৰেন্সফৰ্মাৰৰ পৰা দূৰত থাকিবলৈ আহ্বান

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ১৯ জুলাই ঃ** নেৰানেপেৰা বৰষুণৰ ফলত যোৰহাট জিলাত নদ-নদীৰ পানী স্তৰ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলত সম্ভাব্য বান পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকাই গভীৰ কৰি তুলিছে স্থানীয় প্ৰশাসনক। নৈ-পৰীয়া অঞ্চলসমূহ বিশেষভাৱে সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাই জিলা প্ৰশাসনে ৰাইজৰ সুৰক্ষাৰ বাবে ১০টা গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ প্ৰশাসনে সমগ্ৰ জিলাবাসীক অনুনয় জনাইছে। জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাসমূহৰ ভিতৰত অন্যতম হৈছে বাঢ়নী পানীত গা-ধোৱা, কাপোৰ ধোৱা আৰু মাছ ধৰাত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা। লগতে সৰু ল’ৰা-ছোৱালীক ▫ ৬ পৃষ্ঠাত



# চকীঘাটত উত্তৰ-পূবৰ প্ৰথম টাইলছ উদ্যোগ পৰিদৰ্শন উদ্যোগ মন্ত্ৰী বিমল বৰাৰ

### ২০০ কোটি বিনিয়োগ ঃ ৪০০ প্ৰত্যক্ষ আৰু ৬ হাজাৰ পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ১৯ জুলাই ঃ** অসমৰ উদ্যোগ মন্ত্ৰী বিমল বৰাই আজি জামুগুৰিহাটৰ চকীঘাটত সম্পূৰ্ণ হৈ উঠা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমটো টাইলছ উদ্যোগ পৰিদৰ্শন কৰে। স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ সৈতে মন্ত্ৰীগৰাকীয়ে ৭৬ বিঘা ভূমিত নিৰ্মাণ হৈ উঠা এই বৃহৎ উদ্যোগটোৰ নিৰ্মাণ কাৰ্য পৰ্যবেক্ষণ কৰি সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে এই উদ্যোগটোৱে অসমৰ উদ্যোগীকৰণৰ ইতিহাসত এক নতুন অধ্যায় সংযোজন কৰিব। ALLEMBY ▫ ৬ পৃষ্ঠাত



# ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি ঃ যোৰহাট-মাজুলী ফেৰী সেৱাত অনিশ্চয়তা

### অফলামুখত ৰ’পৈ’ সেৱা স্থগিত ঃ কমলাবাৰী ঘাটৰ অনলাইন টিকট বন্ধ

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ জুলাই ঃ** ধাৰাসাৰ বৰষুণৰ ফলত পুনৰ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ দ্ৰুতগতিত বৃদ্ধি পোৱাত যোৰহাট-মাজুলী জলপথৰ ফেৰী সেৱাত পুনৰ জটিলতাৰ সৃষ্টি হৈছে। আজিলৈকে নিমাতি-অফলামুখ আৰু নিমাতি-কমলাবাৰী দুয়োটা ঘাটেৰে নিয়মীয়াকৈ সকলো ধৰণৰ ফেৰী চলাচল অব্যাহত আছিল যদিও জলপৃষ্ঠ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত অভ্যন্তৰীণ জল পৰিবহণ বিভাগে নিমাতি-অফলামুখ পথত চলাচল কৰা ৰ’পৈ’ সেৱা সাময়িকভাৱে স্থগিত ৰাখিছে। অৱশ্যে বিভাগীয় সূত্ৰই জানিবলৈ দিয়া মতে, অফলামুখ ঘাটেৰে চিংগল ইঞ্জিনৰ ফেৰীসমূহৰ চলাচল কাইলৈও অব্যাহত থাকিব। ইফালে, নিমাতি-কমলাবাৰী ঘাটতো ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত যাত্ৰীৰ বাবে অনলাইন টিকট সেৱা আজিৰে পৰা বন্ধ ৰাখিছে। যদিও ▫ ৬ পৃষ্ঠাত



# নাজিৰাত ৰে’লৰ খুন্দাত দিখৌত পৰি সন্ধানহীন এজন

**অসম বাৰ্তা, গেলেকী, ১৯ জুলাই ঃ** নাজিৰা-শিমলুগুৰি সংযোগী দিখৌ নদীৰ ৰেল দলঙৰ ওপৰত আজি এক মৰ্মান্তিক দুৰ্ঘটনা সংঘটিত হয়। ৰেলৰ খুন্দাত এজন ব্যক্তি নদীৰ বুকুলৈ ছিটিকি পৰি সন্ধানহীন হৈ পৰিছে। প্ৰাপ্ত তথ্য ▫ ৬ পৃষ্ঠাত

# ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে চেঙাৰ শতাধিক গাঁও

### পুনৰ সংস্থাপনৰ নাই কোনো ব্যৱস্থা



**অসম বাৰ্তা, মন্দিয়া ১৯ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা ৰাজহচক্ৰৰ বহৰি অঞ্চলৰ চেনিমাৰী, মালিপাৰা, খুটাবৰী, যাত্ৰাদিয়া, বৰদিয়া, আধিয়া, কলতুলি, তাৰাবাৰী চৰ, গোমা ফুলবাৰী, বৰঘোল, হাতেমা, পাজাৰভাংগা আদি বহু পুৰণি গাঁও বিধ্বস্ত হৈ শ্ৰীশ্ৰীহৰিদেৱৰ বহৰিসত্ৰ, গোমাফুলবাৰীৰ প্ৰখ্যাত ইছলাম ধৰ্মীয় শিক্ষাকেন্দ্ৰ আৰু আহোম ৰজা গৌৰীনাথ সিংহই ভূমিদান কৰা প্ৰাচীন ভক্ৰেশ্বৰ দেৱালয় ▫ ৬ পৃষ্ঠাত

# কুমাৰ ভাস্কৰ বৰ্মা সেতুত জন্মদিন উদ্‌যাপন ঃ দম্পতীক গ্ৰেপ্তাৰ আৰক্ষীৰ

### গড়ী মাজমজিয়াত ৰখাই কেক কটাৰ ভিডিঅ’ ভাইৰেল

**ষ্টাফ ৰিপ’ৰ্টাৰ, গুৱাহাটী, ১৯ জুলাই ঃ** গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰা নৱনিৰ্মিত কুমাৰ ভাস্কৰ বৰ্মা দলঙৰ ওপৰত নিয়ম উলংঘা কৰি জন্মদিন উদযাপন কৰাৰ অপৰাধত পুনৰ এবাৰ এখন দম্পতীয়ে আইনৰ সন্মুখীন হ’ব লগা হৈছে। ▫ ৬ পৃষ্ঠাত

# শিৱসাগৰ-চৰাইদেউ-যোৰহাটৰ ভয়াবহ বান পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ চাৰি মন্ত্ৰীক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

### সেনা আৰু বায়ুসেনাক উদ্ধাৰ অভিযানত সহায়ৰ বাবে সাজু থাকিবলৈ অনুৰোধ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ জুলাই ঃ** নাগালেণ্ডৰ ধাৰাসাৰ বৰষুণৰ প্ৰভাৱত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বিভিন্ন অঞ্চল যেনে চৰাইদেউৰ টিঙালীবাম, বাঁহবাৰী, লেকাম পথাৰ, চফ্ৰাই, বৈৰাগীহাবি, টকলিমৰা, ৰাইদঙীয়া, লালতিপথাৰ, বেকাদলং আৰু নকছাৰি অঞ্চল বান পানীৰ তলত বুৰ গৈছে। অতি বেছি বৰষুণ আৰু নদীৰ পানী বৃদ্ধি পোৱাৰ ফলত এই ▫ ৬ পৃষ্ঠাত



# সোণম ৱাংচুকৰ আন্দোলন দমনৰ বিৰুদ্ধে ‘মানৱ অধিকাৰ সংগ্ৰাম সমিতি’ৰ প্ৰতিবাদ

### ‘অহিংস আন্দোলনকাৰীৰ প্ৰতি বৰ্বৰ আচৰণ গণতন্ত্ৰৰ ক’লা অধ্যায়’




**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ১৯ জুলাই ঃ** দিল্লীৰ যন্তৰ মন্তৰত অনশন কৰি থকা অৱস্থাত বিশিষ্ট পৰিৱেশ কৰ্মী তথা দেশৰ আগশাৰীৰ শিক্ষাবিদ সোণম ৱাংচুকক দিল্লী আৰক্ষীয়ে আলোচনাৰ পথ অৱলম্বন নকৰাকৈ বলপূৰ্বকভাৱে উঠাই নি চিকিৎসালয়ত ভৰ্তি কৰোৱা কাৰ্যৰ বিৰুদ্ধে এতিয়া ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমৰ একমাত্ৰ সক্ৰিয় মানৱ অধিকাৰ সংগঠন ‘মানৱ অধিকাৰ ▫ ৬ পৃষ্ঠাত

# দিখৌৰ কালৰূপ ঃ গেলেকীত ভাগিল মথাউৰি

### নাজিৰাত মথাউৰিৰ ওপৰেদি বাগৰিছে পানী ঃ চণ্টকত প্ৰাণ গল যুৱতীৰ



**অসম বাৰ্তা, নামতি, ১৯ জুলাই ঃ** যোৱা নিশাৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ফেনে ফুটুকাৰে বাঢ়ি কালৰূপ ধাৰণ কৰিছে নাজিৰা সমজিলাৰ দিখৌ আৰু দৈখনাই। ফেনে ফুটুকাৰে বাঢ়ি অহা দৈখনা নদীৰ নৱনিৰ্মিত মঠাউৰি ভাগি পৰাত বৃহত্তৰ গেলেকী অঞ্চলৰ লাহন গাওঁ, মৰাণ গাওঁ, চৰাইসজীয়া, শিঙিবিল, আঠখেল আদি বিস্তৃত ▫ ৬ পৃষ্ঠাত

# দ্বাৰকাত নামঘৰ-সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ স্থান পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

### নতুন অসম ভৱন, কাৰ্বি আৰু ডিমাছা ভৱনৰ অগ্ৰগতিৰ পৰ্যালোচনা; জানুৱাৰীৰ পৰা নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ সম্ভাৱনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ জুলাই ঃ** ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত অসমীয়া সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক প্ৰতীক গঢ়ি তোলাৰ লক্ষ্য লৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে দ্বাৰকা ছেক্টৰ-১৭ত প্ৰস্তাৱিত অসম সাংস্কৃতিক কেন্দ্ৰ আৰু নামঘৰৰ বাবে নিৰ্ধাৰিত স্থান প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰে। এই পৰিদৰ্শনে দীৰ্ঘদিনীয়া আকাংক্ষিত এই প্ৰকল্পটো বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অগ্ৰাধিকাৰ স্পষ্ট কৰি তুলিছে। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ ধৰ্মৰ প্ৰাৰ্থনাগৃহ নামঘৰৰ লগতে আধুনিক অসমীয়া সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ উদ্যোগ লৈছে অসম চৰকাৰে। এই প্ৰকল্পটোৰ মূল উদ্দেশ্য হৈছে দিল্লী-এনচিআৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চলত বসবাস কৰা বৃহৎ অসমীয়া সমাজখনক নিজ মাটিৰ পৰা আঁতৰত থাকিলেও এক আপোন ঠাই প্ৰদান কৰা। পৰিদৰ্শনৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই কেন্দ্ৰটোৱে উৎসৱ-পাৰ্বণ, বিবাহ উদযাপন, সাংস্কৃতিক অনুষ্ঠান, সাহিত্যিক আলোচনা চক্ৰকে ধৰি বিভিন্ন সামূহিক কাৰ্যকলাপৰ বাবে এক সজীৱ মঞ্চ হিচাপে কাম কৰিব। ইয়াৰ জৰিয়তে প্ৰবাসী অসমীয়াসকলৰ মাজত সাংস্কৃতিক বন্ধন আৰু অধিক সুদৃঢ় হোৱাৰ লগতে আগন্তুক প্ৰজন্মই নিজ মূল্যবোধৰ লগত সংযুক্ত ▫ ৬ পৃষ্ঠাত



# নগাঁও শাখা লেখিকা সংস্থাৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান সম্পন্ন

## অনুপ্ৰেৰণাই মানুহক কাম কৰাৰ সাহস দিয়ে, আৰতি শৰ্মা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ জুলাইঃ** "লেখিকা সংস্থা অসম"ৰ অন্তৰ্গত নগাঁও শাখা লেখিকা সংস্থাৰ ২৫ সংখ্যক বৰ্ষপুতি উপলক্ষে বছৰজোৰা ৰূপালী জয়ন্তীৰ আজি শুভাৰম্ভণি অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আজি নগাঁৱৰ আমোলাপট্টিৰ শঙ্কৰ নাট্যচ'ৰা প্ৰাঙ্গণত পুৱা ২৫খন পতাকা উত্তোলনৰে ৰূপালী জয়ন্তীৰ কাৰ্যসূচী শুভাৰম্ভ হয়। মূল পতাকা উত্তোলন কৰে সংস্থাৰ নগাঁও শাখাৰ সভানেত্ৰী লীনা সন্দিকৈয়ে। ইয়াৰ পিছতে শঙ্কৰ নাট্যচ'ৰা প্ৰাঙ্গণত এটি বকুল ফুলৰ পুলি ৰোপণ কৰাৰ অন্তত স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে সংস্থাৰ উপদেষ্টা উপমা মজুমদাৰে। ইয়াৰ পিছতে সভানেত্ৰী লীনা সন্দিকৈৰ সঞ্চালনাত এখনি মুকলি সভা অনুষ্ঠিত হয়। সংস্থাৰ নগাঁও শাখাৰ উপদেষ্টা আৰতি শৰ্মাই মুকলি সভাখন উদ্বোধন কৰি লেখিকা সংস্থা অসমৰ সাংগঠনিক দিশৰ কথা উল্লেখ কৰি কয় যে, লেখিকা সংস্থাই মহিলা-যুৱতীৰ মাজত সাহিত্য, সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ কাম কৰি আহিছে। তেওঁ লগতে কয় যে কাম কৰিবলৈ সকলোৰে অনুপ্ৰেৰণাৰ প্ৰয়োজন। কাৰণ অনুপ্ৰেৰণাই মানুহক কাম কৰিবলৈ সাহস যোগায়। সংস্থাৰ নগাঁও শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বীণা শৰ্মাৰ "দৈয়াং আজিও বয়" নামৰ উপন্যাসখনৰ পৰ্যালোচনা আগবঢ়ায় বিশিষ্ট লেখিকা, সমাজকৰ্মী ৰঞ্জনা দেৱীয়ে। ৰঞ্জনা দেৱীয়ে নিজৰ ভাষণত বীণা শৰ্মাৰ সাহিত্য কৃতিৰ বিষয়ে উল্লেখ কৰি কয় যে বীণা শৰ্মাৰ "দৈয়াং আজিও বয়" উপন্যাস খনত অসমৰ নদীকেন্দ্ৰিক সভ্যতা-সংস্কৃতিৰ লগতে সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। নগাঁও শাখা লেখিকা সংস্থাৰ সম্পাদিকা বন্তি চেতিয়াই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত লেখিকা সংস্থা অসমৰ সভানেত্ৰী মামণি গগৈ বৰুৱাই সাংগঠনিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰাৰ লগতে কয় যে, আমি বাক্য গাঁথনি আৰু বানানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া উচিত। সেয়ে শাখা সমিতি সমূহক বছেৰেকত কমেও এখন বা দুখন বানান সম্পৰ্কীয় কৰ্মশালা আয়োজন কৰিবলৈ আহ্বান জনায়। সভাত উপদেষ্টা মঞ্জুলা শৰ্মা ভট্টাচাৰ্য আৰু মৃদুলা শৰ্মাইও ভাষণ প্ৰদান কৰি মহিলাসকলক ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে হাতত কলম তুলি ল'বলৈ আহ্বান জনায়। সভাত প্ৰধান সম্পাদিকা উদয়ন্তী হাজৰিকা দত্ত, সংস্থাৰ মধ্য অসম গোটৰ কাৰ্যকৰী সভানেত্ৰী হেমপ্ৰভা তাছা, সহকাৰী সম্পাদিকা ৰীণা ৰাণী শইকীয়া, নামনি অসম গোটৰ সহকাৰী সম্পাদিকা বিন্দু ডেকা চৌধুৰী আদিয়ে ভাষণ প্ৰদান কৰে। সভাত মামণি শৰ্মা ভট্টাচাৰ্যই এটি গীত পৰিৱেশনেৰে সমবেতসকলক আপ্লুত কৰে। কবি-গীতিকাৰ অনিল শৰ্মা, লেখিকা অৰুণা বড়া, বৈজয়ন্তী খাউণ্ড, তুলু হাজৰিকা, নিজৰা শইকীয়া, অৰুণিমা বৰা, মঞ্জুলা লস্কৰ, ববিতা শইকীয়া, হেমপ্ৰভা কলিতা, মৃণালিনী কোঁৱৰ, বাসন্তী শইকীয়া, শ্যামলীমা শৰ্মা, ৰঞ্জু বৰা লাহন, তিলোত্তমা কোঁৱৰ, লিলি বৰা, সমাজকৰ্মী অশোকৰাম ভট্টাচাৰ্য, প্ৰদীপ দেৱনাথ, মণ্টু শইকীয়া, কংকণ বৰা প্ৰমুখ্যে ডেৰ শতাধিক সাহিত্যানুৰাগী লোকৰ উপস্থিতিত জ্যেষ্ঠ সাংবাদিক ক্ৰমে কনক হাজৰিকা, জীতেন বৰকটকী, জয়ন্ত বৰা, প্ৰাঞ্জল বৰদলৈক উদ্যোক্তাসকলে আদৰণি জনায়। সভাৰ আৰম্ভণিতে শাখাৰ সমবেত সংগীত পৰিবেশন কৰে। বিয়লি অনুষ্ঠিত হোৱা বিচিত্ৰানুষ্ঠান মুকলি কৰে নগাঁও শাখাৰ উপ-সভানেত্ৰী ৰূপা শইকীয়াই। অনুষ্ঠানত অতিথি শিল্পী মুকুতা ৰাজাৰ উপৰি পূজা শৰ্মা, কবিতা বৰা গায়ন, কুমকুম বৰুৱা, স্বপ্না নিয়োগীয়ে (গোৱালপৰীয়া লোকগীত) গীত পৰিৱেশন, ড° ৰ'জলীন জাহানে ভায়লীন বাদন, গুণদা গোস্বামীৰ ৰচনা আৰু পৰিচালনাত এখনি গীতি-আলেখ্য মঞ্চায়ন, গীতা ভৰালীয়ে কবিতা আবৃত্তি কৰাৰ লগতে উপমা মজুমদাৰ, দীপিকা নাথ, পূৰবী চক্ৰবৰ্তী সূত, ৰঞ্জনা দেৱী, হেমপ্ৰভা বৰা শইকীয়া, ইন্দিৰা ভট্টাচাৰ্য, অৰুণিমা হাজৰিকা, মিনু শইকীয়া, পুষ্পাঞ্জলি শইকীয়া, ৰিংকু দত্ত, স্বপ্না ভূঞা আদিয়ে কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে।

# বিশিষ্ট সমাজকৰ্মী, সাংবাদিক বীৰেন কৈৰীৰ ৰাজহুৱা স্মৃতিচাৰণ সভা সম্পন্ন




## সোঁৱৰণী পত্ৰিকা 'শ্ৰদ্ধাৰ্ঘ্য' উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ জুলাইঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা চাহ জনগোষ্ঠীৰ বলিষ্ঠ নেতা, সমাজ সংগঠক, প্ৰাক্তন সাংবাদিক প্ৰয়াত বীৰেন কৈৰীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা ডুমডুমা শাখাৰ উদ্যোগত তথা ৰাইজৰ সহযোগত ইয়াৰ উচামাটিস্থিত মিলন ভৱনত এটি ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বীৰেন কৈৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত অখিল ভাৰতীয় গায়ত্ৰী পৰিবাৰৰ তৰফৰ বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পাছতেই অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰূপেশ তাঁতীৰ পৌৰোহিত্যত অনুষ্ঠিত হয় ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডুমডুমা শাখাৰ সম্পাদক যোগেশ্বৰ নন্দই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত বীৰেন কৈৰীৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ পাছতেই বীৰেন কৈৰীৰ সামাজিক অৱদানসমূহ ৰোমন্থন কৰে একালৰ আটছাৰ সতীৰ্থ তথা ডুমডুমাৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজ, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত, ডুমডুমা প্ৰেছ ক্লাবৰ উপ সভাপতি অভিজিৎ খাটনিয়াৰ, আটছাৰ প্ৰাক্তন বিষয়ববীয়া নগেন কুমাৰ, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে। স্মৃতিচাৰণ সভাত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়ক, চাহ জনজাতি ছাত্ৰ সন্থা ডুমডুমা শাখা সমিতিৰ সভাপতি ইৰত তাঁতি, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰুণ কাৱৰ তথা তিনিচুকীয়া জিলা সভাপতি বাবলু কুলদীপ, বিশিষ্ট লেখক ৰাজেন চুঁড়ী, আদি বিশিষ্ট ব্যক্তিসকলৰ উপৰি দল সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে। এই অনুষ্ঠানতে বীৰেন কৈৰীৰ সোঁৱৰণত দেবেন ডেকা আৰু সুভাষ চাহুৰ সম্পাদনাত প্ৰকাশ পোৱা সোঁৱৰণী পত্ৰিকা 'শ্ৰদ্ধাৰ্ঘ্য' উন্মোচন কৰে প্ৰবীণ সাংবাদিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই।

## "দেৱবালা হাজৰিকাৰ কলমেৰে" গ্ৰন্থ উন্মোচন

# ডিব্ৰুগড়ত বিশিষ্ট গান্ধীবাদী নেত্ৰী, লেখিকা দেৱবালা হাজৰিকাক স্মৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৯ জুলাইঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত বিশিষ্টা গান্ধীবাদী নেত্ৰী, সমাজসেৱিকা, লেখিকা, অসমৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দেৱেন্দ্ৰ নাথ হাজৰিকাৰ সহধৰ্মিণী প্ৰয়াত দেৱবালা হাজৰিকাৰ স্মৃতিচাৰণ অনুষ্ঠানৰ লগতে তেখেতৰ অপ্ৰকাশিত লেখাসমূহ একত্ৰিত কৰি প্ৰস্তুত কৰা "দেৱবালা হাজৰিকাৰ কলমেৰে" -শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে গ্ৰন্থখন উন্মোচন কৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ড° শশীকান্ত শইকীয়া, টেঙাখাট মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষা কিৰণ বৰা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ কল্পনা খাউণ্ড, দেৱবালা হাজৰিকাৰ বৰপুত্ৰ কৰুণা হজৰিকাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট সাংবাদিক, লেখক যাদৱ গগৈয়ে। দেৱবালা হাজৰিকাৰ নাতিনী ভক্তিমালা চৌধাৰীয়ে আদৰণি ভাষণ আগবঢ়াই সকলোকে অনুষ্ঠানলৈ আদৰণি জনোৱাৰ লগতে প্ৰকাশিত গ্ৰন্থখনৰ প্ৰকাশৰ আঁৰৰ বিষয়ে চমু বিৱৰণ দিয়ে। সভাখনত বক্তব্য ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰয়াত লেখিকাগৰাকীক স্মৰণ কৰাৰ লগতে সকলোকে নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি কাম কৰাটো উচিত বুলি মন্তব্য প্ৰকাশ কৰে। সাহিত্য থাকিলেহে ভাষাটোৰ মহত্ত্ব থাকিব বুলিও তেখেতে মন্তব্য প্ৰকাশ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভূষণজ্যোতি সন্দিকৈয়ে দেৱবালা হাজৰিকাৰ কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰে। দেৱবালা হাজৰিকাই সমাজৰ, বিশেষকৈ গ্ৰাম্য সমাজৰ মহিলাসকলৰ অৰ্থনৈতিক স্বাৱলম্বনৰ বাবে হাতে কামে লাগি কাম কৰিছিল বুলি মন্তব্য ৰাখি নিৰ্দিষ্ট বক্তাজনে কয় যে স্বাধীনতাৰ পূৰ্বেই এখন গাঁৱৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি সকলোকে শিক্ষাৰ পোহৰ বিলাবলৈ প্ৰয়াস কৰা প্ৰয়াত দেৱবালা হাজৰিকা প্ৰকৃতাৰ্থতে এগৰাকী বিদুষী আৰু মহীয়সী নাৰী আছিল। ৰেডিঅ'ৰ অনুষ্ঠানৰ জৰিয়তেও তেখেতে নাৰী সৱলীকৰণ আৰু লোক সংস্কৃতিৰ বিষয়ে বহুতো মূল্যৱান অৱদান আগবঢ়াই থৈ গৈছে বুলি ভূষণজ্যোতি সন্দিকৈয়ে মন্তব্য প্ৰকাশ কৰে। আনহাতে "দেৱবালা হাজৰিকাৰ কলমেৰে" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি ৰখা বক্তব্যত মুখ্য অতিথি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে দেৱবালা হাজৰিকাক এগৰাকী সুব্যক্তিত্বসম্পন্না ব্যক্তি হিচাপে উল্লেখ কৰে। বিয়াৰ আগতে শিৱসাগৰত আৰু পাছলৈ ডিব্ৰুগড়ৰ লাহোৱাল অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱাত দেৱবালা হাজৰিকাই কৰা প্ৰয়াসক শ্ৰদ্ধাৰে স্মৰণ কৰি তেখেতে কয় যে দেৱবালা হাজৰিকাৰ দৰে মহীয়সী নাৰীসকলৰ বাবেহে আমাৰ নব প্ৰজন্মৰ মাজত শিক্ষাৰ প্ৰভাৱ বৃদ্ধি পোৱাতো সম্ভৱপৰ হৈছে। সাহিত্যচৰ্চাৰ জৰিয়তে দেৱবালা হাজৰিকাই সমাজৰ বিভিন্ন স্তৰৰ ঘটনাপ্ৰৱাহক উপস্থাপন কৰিবলৈ কৰা প্ৰয়াস উন্মোচন কৰা গ্ৰন্থখনত পৰিস্ফুত হৈছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে "দেৱবালা হাজৰিকাৰ কলমেৰে" শীৰ্ষক গ্ৰন্থখনত লেখিকাগৰাকীৰ পূৰ্বে অপ্ৰকাশিত লেখাসমূহক চাৰিটা শিতানত একত্ৰিত কৰি প্ৰকাশ কৰা হৈছে। মুঠ ১০৫ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে দেৱবালা হাজৰিকাৰ নাতি-নাতিনীয়ে।

# পদুমণিত বন্যহস্তীয়ে ভাঙিলে বাসগৃহ; বিফল বন বিভাগ

## চামগুৰিৰ গ্ৰামাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ জুলাইঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত স্থানীয় ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলত সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ এক নং ভৰাগুৰি, দুই নম্বৰ ভৰাগুৰি, পদুমণি, পামগাঁও, ডিলকাবস্তি আদি অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বাসগৃহ, পাকঘৰ, গোঁসাইঘৰ, ভঁৰালঘৰ আদি ভাঙি লণ্ড-ভণ্ড কৰি আহিছে। যোৱা নিশা বনৰীয়া হাতীৰ এটা দলে উপদ্ৰৱ চলাই পদুমণি গাঁৱৰ ৰুমী বৰাৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে। বনৰীয়া হাতীয়ে ৰুমী বৰাৰ পাকঘৰৰ লগতে থকা গোঁসাইঘৰো ভাঙি লণ্ড-ভণ্ড কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও বনৰীয়া হাতীয়ে চামগুৰিৰ গ্ৰামাঞ্চলত বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্টসাধন কৰি আহিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বৰ্তমান বনৰীয়া হাতীয়ে বাৰীৰ কঁঠাল, কলগছ, নাৰিকল গছ আদি খাই তহিলং কৰিছে। দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি বিয়লি পৰা পুৱতি নিশা পৰ্যন্ত গঞা ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। উল্লেখ্য যে, চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বনৰীয়া হাতীয়ে প্ৰতি বছৰেই উপদ্ৰৱ চলাই বহুলোকৰ ভঁৰালঘৰ, পাকঘৰ, বাসগৃহ আদি ভাঙি লণ্ড-ভণ্ড কৰি আহিছে যদিও বন বিভাগৰ তৰফৰ পৰা উপযুক্ত ক্ষতিপূৰণ পোৱা নাই বুলি অভিযোগ উঠিছে। বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চলত সমূহত মাজে সময়ে বন বিভাগৰ লোক আহি বম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয় বুলি অভিযোগ উঠিছে। বন বিভাগে এইক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে বুলি অভিযোগ উঠিছে। স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে জিলা প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# হাউলীৰ ইটাৰভিটাত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপনৰ দাবী

## সংবাদমেলযোগে স্থানীয় ৰাইজৰ আহ্বান

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৯ জুলাইঃ** পাকাবেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত হাউলীৰ ইটাৰভিটাস্থিত ঘিলাজাৰী-ৰূপসী উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পিছফালে পৰিত্যক্ত হৈ থকা প্ৰায় ৪৫ বিঘা চৰকাৰী মাটিত নতুনকৈ ঘোষিত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় (Revenue Circle Office) স্থাপন কৰাৰ দাবীত স্থানীয় ৰাইজে এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত ৩২ নং মৈৰামাৰা গাঁও পঞ্চায়তৰ প্ৰতিনিধি, সমাজৰ বিশিষ্ট ব্যক্তি তথা বৃহত্তৰ অঞ্চলৰ বহু সংখ্যক সচেতন নাগৰিকে অংশগ্ৰহণ কৰি কয় যে, উক্ত স্থানত পৰ্যাপ্ত পৰিমাণৰ চৰকাৰী মাটি উপলব্ধ থকাৰ লগতে যোগাযোগ ব্যৱস্থাও যথেষ্ট সুবিধাজনক। ফলত এই স্থানত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপন কৰিলে কেৱল মৈৰামাৰা গাঁও পঞ্চায়ত নহয়, সমগ্ৰ বৃহত্তৰ অঞ্চলৰ সাধাৰণ জনতাই সহজে ৰাজহ বিভাগৰ বিভিন্ন সেৱা লাভ কৰিব পাৰিব। সংবাদমেলত বক্তাসকলে উল্লেখ কৰে যে, বহু বছৰ ধৰি উক্ত ৪৫ বিঘা মাটি ব্যৱহাৰ নোহোৱাকৈ পৰিত্যক্ত হৈ আছে। সেয়েহে জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই ভূমিত নতুন ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপন কৰিলে চৰকাৰী সম্পত্তিৰ সঠিক ব্যৱহাৰ হোৱাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক প্ৰশাসনিক উন্নয়নো ত্বৰান্বিত হ'ব। তেওঁলোকে লগতে কয় যে, নতুন ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপিত হ'লে ভূমি-সম্পৰ্কীয় নথিপত্ৰ, নামজাৰী, মিউটেচন, ভূমি জৰীপ, ৰাজহ আদায়কে ধৰি বিভিন্ন প্ৰশাসনিক কামৰ বাবে দূৰ-দূৰণিলৈ যাবলগীয়া হোৱা সমস্যাৰ যথেষ্ট উপশম ঘটিব। সংবাদমেলৰ জৰিয়তে স্থানীয় ৰাইজে অসম চৰকাৰ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, জিলা প্ৰশাসন তথা সংশ্লিষ্ট কৰ্তৃপক্ষক বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি হাউলীৰ ইটাৰভিটাস্থিত উক্ত চৰকাৰী মাটিত নতুন ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপনৰ বাবে শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## কৃষকৰ আয় বৃদ্ধি কৰিবলৈ তামোল গছ আৰু জালুক আদিৰ দৰে সমান্তৰাল খেতি কৰাটো অতি প্ৰয়োজনীয়ঃ মন্ত্ৰী হাজৰিকা

# বিভিন্ন প্ৰকল্পৰ বুজ ল'বলৈ আৰু কৃষকসকলৰ সৈতে মতবিনিময় কৰিবলৈ কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ খুমটাই ভ্ৰমণ

**অসম বাৰ্তা, দেৰগাঁও, ১৯ জুলাইঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি কৃষি খণ্ড আৰু জলসিঞ্চন প্ৰকল্পসমূহৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে খুমটাইৰ থুৰামুখ ভ্ৰমণ কৰে আৰু তাত প্ৰতিকূল বতৰকো নেওচি কৃষি কৰ্মত ব্যস্ত থকা কৃষকসকলৰ সৈতে মত বিনিময় কৰে। কৃষকসকলে মন্ত্ৰীগৰাকীক অৱগত কৰে যে কেনেকৈ তেওঁলোকে বছৰত তিনিটাকৈ খেতি কৰি লাভান্বিত হৈছে আৰু কেনেকৈ তিয়ঁহ আৰু জাতি লাউৰ দৰে উদ্যান শস্যই তেওঁলোকক আটাইতকৈ বেছি লাভ দিছে। মন্ত্ৰী হাজৰিকাই কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে তামোল গছ আৰু জালুক আদিৰ দৰে সমান্তৰাল মিশ্ৰিত কৃষি পদ্ধতি গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ জলসিঞ্চনৰ প্ৰয়োজনীয়তা, উৎপাদিত সামগ্ৰীৰ বজাৰ সংযোগ, শীতল ভঁৰাল আদিৰ দৰে সমস্যাসমূহৰো বুজ লয় আৰু এই সমস্যাসমূহ সমাধানৰ বাবে পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি বিভাগীয় বিষয়াসকলৰ সৈতে জিলাখনত ৰূপায়ণ হৈ থকা জলসিঞ্চন আঁচনিসমূহৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। তেওঁ ফালঙনিস্থিত এটা উত্তোলিত জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন কৰে আৰু এটা বৃহৎ অঞ্চলৰ জলসিঞ্চনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি প্ৰকল্পটোক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ অভিযন্তাসকলক নিৰ্দেশ দিয়ে। আজিৰ ভ্ৰমণকালত খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই মন্ত্ৰীগৰাকীক সংগ প্ৰদান কৰে।

# চকীঘাটত উত্তৰ-পূবৰ প্ৰথম টাইলছ উদ্যোগ পৰিদৰ্শন উদ্যোগ মন্ত্ৰী বিমল বৰাৰ

CERAMIC PVT স্থৱড নামৰ প্ৰতিষ্ঠানটোৱে ২০০ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ কৰা এই উদ্যোগটো সম্পূৰ্ণ হৈ উঠাৰ পিছত ইয়াৰ জৰিয়তে প্ৰত্যক্ষভাৱে প্ৰায় ছশ্ৰজ্ঞ যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিব, আনহাতে পৰোক্ষভাৱে প্ৰায় ছ হাজাৰ লোকেও উপকৃত হ'ব বুলি মন্ত্ৰী বিমল বৰাই উল্লেখ কৰে। তেওঁ লগতে কয়, "এই উদ্যোগটোৱে ৰাজ্যবাসীৰ টাইলছৰ চাহিদা পূৰণ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চল আৰু সমগ্ৰ দেশৰ বজাৰত নিজৰ স্থান দখল কৰিব পাৰিব।" উল্লেখযোগ্য যে আজিৰ পৰা কেইবছৰমান আগলৈকে চকীঘাটৰ এই ভূমিখণ্ড আছিল সন্দেহজনক লোকৰ অবৈধ বসতিস্থল। ৰাজ্য চৰকাৰৰ সদিচ্ছা আৰু কঠোৰ পদক্ষেপৰ জৰিয়তে উচ্ছেদ অভিযান চলাই মাটিখন উদ্ধাৰ কৰা হৈছিল। সেই মাটিতে আজি এখন সম্ভাৱনাময় উদ্যোগৰ ভেটি স্থাপন হোৱাত বিধায়ক পদ্ম হাজৰিকা অত্যন্ত আনন্দিত। তেওঁ কয়, "যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈও অবৈধ দখলদাৰীৰ পৰা মাটি উদ্ধাৰ কৰি আজি আমি উন্নয়নৰ বীজ ৰোপণ কৰিবলৈ সক্ষম হৈছো।" বিধায়ক পদ্ম হাজৰিকাই আৰু জানিবলৈ দিয়ে যে চকীঘাটৰ প্ৰায় ৰ হাজাৰ বিঘা ভূমিত বহুকেইটা উদ্যোগ স্থাপনৰ বাবে ইতিমধ্যে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত প্ৰয়োজনীয় কাম-কাজ আগবঢ়াই নিয়া হৈছে। এই উদ্যোগসমূহ সম্পূৰ্ণ হ'লে অঞ্চলটোৰ চেহেৰা সম্পূৰ্ণৰূপে সলনি হৈ যাব আৰু স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ বহু সুযোগ সৃষ্টি হ'ব। মন্ত্ৰী বিমল বৰাই পৰিদৰ্শন কালত নিৰ্মাণৰ মানদণ্ড আৰু গুণগত মানৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি সময়মতে উৎপাদন আৰম্ভ কৰিবলৈ পৰিচালনা কৰ্তৃপক্ষক আহ্বান জনায়। তেওঁ কয় যে এই উদ্যোগটো অসমকে ধৰি গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক গৌৰৱৰ বিষয় হৈ পৰিব। আগন্তুক ১৭ আগষ্ট তাৰিখে এই টাইলছ উদ্যোগটোৰ আনুষ্ঠানিক উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উদ্বোধনী অনুষ্ঠানৰ বাবে সকলো প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকী উপস্থিত থাকি এই ঐতিহাসিক উদ্যোগটো ৰাষ্ট্ৰৰ উদ্দেশ্যে উৎপাদনলৈ মুকলি কৰি দিব বুলি আশা কৰা হৈছে।

# ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে চেঙাৰ শতাধিক

বিপদাপন্ন হৈ পৰিছে। একেদৰে বাঘবৰ ৰাজহচক্ৰৰ ৫৫খন ৰাজহগাঁও সম্পূৰ্ণৰূপে আৰু আন চৰখন গাঁও আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱা ১৫, ৫৪৩টা পৰিয়ালৰ মুঠ মাটিৰ পৰিমাণ ৮০, ৫৪৪ বিঘা। আনহাতে আংশিকভাৱে ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা চৰখন, ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা ৮২৩৪টা আৰু জাহ যোৱা তথা বালি পৰি বিনষ্ট হোৱা বহু হেজাৰ বিঘা ভূমি। বিগত পাঁচ বছৰত ব্ৰহ্মপুত্ৰ আৰু বেঁকী নদীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বাঘবৰ আৰু কলগাছিয়া ৰাজহ চক্ৰ এলেকাৰ বাঘবৰ আৰু জনিয়া সমষ্টিত সম্প্ৰতি বিধ্বংসী গৰাখহনীয়া অব্যাহত আছে। পূৰ্বৰ বাঘবৰ সমষ্টিৰ বামুণদংৰা, হাবিদংৰা, দিঘীৰপাম, চাছৰা, লহৰাপাৰা, গড়লা, মাণিকপুৰ, বৰলী, শিলোচী, ৰাণীৰপাম, আলিগাঁও, সুঁতিৰপাৰ আৰু বাঘবৰ পাহাৰৰ পূব অংশত গৰাখহনীয়াই উল্লিখিত জনবসতিপূৰ্ণ গাঁৱৰ লগতে কেবাখনো হাইস্কুল, এম ই স্কুল, ভালেকেইখন এল পি স্কুল মছজিদ আৰু মন্দিৰ খহাই নি প্ৰায় বিশ হাজাৰৰো অধিক লোকক গৃহহীন আৰু ভূমিহীন কৰিছে। ঐতিহাসিক কনৰাসত্ৰ, মহাপুৰুষ মাধৱদেৱৰ বৈঠাপুটা ঘাট সত্ৰ আৰু বাঘবৰ পাহাৰৰ বড়োসকলৰ বাঘেশ্বৰী থান বিপদাপন্ন হৈ পৰিছে। এই গতিৰে গৰাখহনীয়া অব্যাহত থাকিলে দুই এবছৰ বাঘবৰ পাহাৰৰ উত্তৰ দিশেৰে ব্ৰহ্মপুত্ৰ বৈ আহি সমগ্ৰ অঞ্চলটোৰ অস্তিত্ব নাইকিয়া কৰিব। একেদৰে বাঘবৰ পাহাৰৰ পশ্চিমৰ টাকাকাটাৰ পৰা তাৰাকান্দিলৈ ২৫খন গাওঁ ব্ৰহ্মপুত্ৰই খহাই নিয়াৰ লগতে মইনবৰী সত্ৰখনো অৱশেষত সৰভোগলৈ স্থানান্তৰিত কৰিব লগা হ'ল। অঞ্চলটোৰ দুখন হাইস্কুল, এখন হায়াৰ ছেকেণ্ডাৰী স্কুল, আৰক্ষী চকী, বৃহৎ বজাৰ আৰু অন্যান্য চৰকাৰী -বেচৰকাৰী কাৰ্যালয় খহাই নিছে। স্মৰ্তব্য যে, অসমৰ জলসম্পদ বিভাগে নদীসমূহৰ মথাউৰি বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিব লাগিব। খহনীয়াগ্ৰস্ত এলেকাত শিলৰ স্পাৰ বুলহেড নিৰ্মাণ কৰিব লাগিব। আনহাতে গৰাখহনীয়া সমস্ত ভূমিহীন লোকক পুনৰ সংস্থাপনৰ জ্বলন্ত সমস্যা সমাধান কল্পে সুচিন্তিত পৰিকল্পনা কৰাৰ দায়িত্ব ল'বলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত ভুক্তভোগী ৰাইজে দাবী উত্থাপন কৰিছে।

# স্নিগ্ধা কে ঠাকুৰীয়া সফলতা

**অসম বাৰ্তা, ছয়গাঁও, ১৯ জুলাইঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ সোণাৰীপাৰাৰ স্নিগ্ধা কে ঠাকুৰীয়াৰ সফলতাত উৎফুল্ল অঞ্চলবাসী। জানিব পৰা মতে সদ্য ঘোষিত NEET পৰীক্ষাত ৫২২ নম্বৰ লাভ কৰি কৃতিত্ব অৰ্জন কৰা স্নিগ্ধা কে ঠাকুৰীয়া ছয়গাঁও সোণাৰীপাৰা নিৱাসী ছয়গাঁও মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক, বিশিষ্ট প্ৰবন্ধকাৰ তথা বিশিষ্ট সমাজকৰ্মী কমল ঠাকুৰীয়া আৰু শান্তনা ঠাকুৰীয়াৰ জ্যেষ্ঠ কন্যা। উল্লেখযোগ্য যে সৰুৰে পৰা বিভিন্ন প্ৰতিভাসন্ধানী প্ৰতিযোগিতাত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা স্নিগ্ধা কে ঠাকুৰীয়াই উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত (বিজ্ঞান শাখা) ৯৩% লাভ কৰিবলৈ সক্ষম হৈছিল। সদ্য ঘোষিত NEET পৰীক্ষাত পুনৰ ৫২২ নম্বৰ লাভ কৰা বাবে আজি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে স্নিগ্ধা কে ঠাকুৰীয়াক শুভেচ্ছা জ্ঞাপন কৰে।

# সোণম ৱাংচুকক আটক কৰাৰ বিৰুদ্ধে মাৰ্ঘেৰিটাত তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৯ জুলাইঃ** বিশিষ্ট বিজ্ঞানী, শিক্ষাবিদ তথা পৰিৱেশবিদ সোণম ৱাংচুকক প্ৰতিবাদ স্থলীৰ পৰা আৰক্ষীয়ে জোৰজবৰদস্তি টানি-আজুৰি লৈ যোৱা কাৰ্যৰ বিৰুদ্ধে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নিখিল ভাৰত কৃষক সভা (AIKS) অসম ৰাজ্যিক পৰিষদ আৰু নিখিল ভাৰত যুৱ ফেডাৰেচন (AIYF) তিনিচুকীয়া জিলা সমিতিৰ যুটীয়া উদ্যোগত মাৰ্ঘেৰিটাৰ বৰগোলাইত এই কাৰ্যসূচী ৰূপায়িত কৰা হয়। প্ৰতিবাদকাৰীসকলে হাতে-হাতে প্লে'কাৰ্ড লৈ কেন্দ্ৰীয় চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী জনোৱাৰ লগতে সোণম ৱাংচুকে অব্যাহত ৰখা শান্তিপূৰ্ণ অনশন কাৰ্যসূচীক মষিমূৰ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক বাওঁপন্থী সংগঠন দুটাই তীব্ৰ গৰিহণা দিয়ে। চৰকাৰৰ এই কাৰ্যক 'কাপুৰুষালি' আৰু 'স্বৈৰাচাৰী' বুলি অভিহিত কৰি AIKS-ৰ ৰাজ্যিক সম্পাদক সঞ্জীৱ গাংগুলীয়ে কেন্দ্ৰীয় চৰকাৰৰ ফেচিবাদী নীতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ স্পষ্টকৈ কয় যে সোণম ৱাংচুকৰ জলবায়ু আৰু লদাখৰ সুৰক্ষা সংক্ৰান্তিয় ন্যায়সংগত দাবীক তেওঁলোকে সম্পূৰ্ণ সমৰ্থন কৰে আৰু গণতান্ত্ৰিক কণ্ঠৰোধ কৰাৰ যিকোনো প্ৰচেষ্টাৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত থাকিব। এই শান্তিপূৰ্ণ প্ৰতিবাদৰ জৰিয়তে চৰকাৰলৈ এক শক্তিশালী সকীয়নি বাৰ্তা প্ৰেৰণ কৰাৰ লগতে অহা কালিলৈ দিল্লীত অনুষ্ঠিত হ'বলগীয়া বিশাল প্ৰতিবাদী কাৰ্যসূচীত সমাজৰ সৰ্বস্তৰৰ ৰাইজক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সম্পাদক গাংগুলীয়ে আহ্বান জনায়। চৰকাৰে জনসাধাৰণৰ অধিকাৰ খৰ্ব কৰিলে ভৱিষ্যতে ইয়াতকৈও ভয়াবহ আন্দোলন গঢ়ি তোলা হ'ব বুলি প্ৰতিবাদকাৰীসকলে সকীয়াই দিয়ে।

**NAME CORRECTION**

Sworn before Notary Public at Jorhat dated 09-07-2026 that my actual and correct name is SANDHYA PAUL, D/O-Rathal Roy and W/O-Subal Paul, R/O- Mariani Refuji Colony, P.O.-Mariani, P.S.- Mariani, District- Jorhat, Assam, PIN 785634. But in my PAN Card, it is recorded as SANDHYA PAUL and in my Aadhar Card (No. 4945 7195 2548) it is recorded as SANDHA PAUL instead of SANDHYA PAUL. Both refer to the same person, i.e. myself. Also, my husband's name is recorded in my Aadhar Card as SUBALA PAL instead of his actual name SUBAL PAUL. Both refer to the same person, i.e. my husband.

AB-104/2026

**NAME CORRECTION**

Sworn before Notary Public at Darrang dated on 29-06-2026 that my actual and correct name is Kanak Baruah. But in the Land documents (Jamabandi) vide Dag No. 183,644,79, P.P No. 61 of village Barangabari under Chinakona Mouza, my name has been wrongly recorded as Jhagaru Koch. Both Kanak Baruah and Jhagaru Koch are one and the same person.

Sd/-Nandeswar Baruah
S/O- Late Kanak Baruah
Vill- Barangabari,
P.O- Barangabari
P.S- Sipajhar,
Rev. Circle- Patharighat
Dist- Darrang (Assam)

AB-105/2026

# মৰাণ জনগোষ্ঠীৰ ছয় সংগঠনৰ সভাপতি-সম্পাদকক কৃতজ্ঞতা জ্ঞাপন 'জাতীয় গণ মঞ্চ'ৰ



**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৯ জুলাই ঃ** আজি তিনিচুকীয়াৰ বৰগুৰিস্থিত 'মাৰলি ভৱন'ত মৰাণ জনগোষ্ঠীৰ ছয় সংগঠনৰ সভাপতি-সম্পাদকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে 'জাতীয় গণ মঞ্চ'ই। উল্লেখ্য যে ভূমি পুত্ৰ মৰাণ জনগোষ্ঠীৰ ছয় জাতীয় সংগঠনৰ উদ্যোগত ২০২৩ বৰ্ষতে তিনিচুকীয়াত অনুষ্ঠিত হোৱা 'জাতীয় অভিৱৰ্তন'ত মৰাণ জনগোষ্ঠীৰ লোকসকলক ৰাজনৈতিক ভাৱে সজাগ, সচেতন আৰু ঐক্যবদ্ধ কৰাৰ মানসেৰে এটা ৰাজনৈতিক মঞ্চ গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। পৰৱৰ্তী সময়ত উক্ত প্ৰস্তাৱটো কাৰ্যকৰী কৰিবলৈ জাতীয় ছয় সংগঠনে গঠন কৰি দিয়া এক আহ্বায়ক সমিতিয়ে কাকপথাৰত এক বিশাল গণ সমাবেশ অনুষ্ঠিত কৰি জনগোষ্ঠীটোৰ সৰ্বাঙ্গীণ উন্নয়নৰ স্বাৰ্থত 'জাতীয় গণমঞ্চ' নামেৰে এটা ৰাজনৈতিক মঞ্চ গঠন কৰি দিয়ে। 'জাতীয় গণমঞ্চ'ই অনুভৱ কৰে যে, মৰাণ জনগোষ্ঠীৰ আটাইকেইটা সংগঠনৰ মহান প্ৰচেষ্টাৰ বাবেই এই মঞ্চৰ জন্ম হৈছিল। সেয়েহে ৰাজনৈতিক মঞ্চটোৰ কেউটা সংগঠনৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকলক বিশেষ কৃতজ্ঞতা জনোৱাৰ সিদ্ধান্ত লয়। আজি দুপৰীয়া 'জাতীয় গণ মঞ্চ'ৰ সভাপতি হিৰণ্য দহোটীয়াই সভাপতিত্ব কৰা সভাখন আঁত ধৰে মঞ্চৰ সাধাৰণ সম্পাদক ভুলেন বৰুৱা আৰু মহিলা মঞ্চৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদিকা দুলিমা বড়া মৰাণে। সভাত বক্তব্য ৰাখে 'সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ মঞ্চ'ৰ সভাপতি লম্বেশ্বৰ মৰাণ, 'জাতীয় গণ মঞ্চ'ৰ কাৰ্যকৰী সভাপতি ইলেশ্বৰ চেতিয়া, 'অসম মৰাণ সভা'ৰ বিদায়ী সভাপতি ৰাজীৱ বড়া, নৱনিৰ্বাচিত সভাপতি আৰু সম্পাদক ক্ৰমে বিৰিঞ্চি নেওগ আৰু ৰণ্টু ডাঙৰীয়া, 'সদৌ মৰাণ ছাত্ৰ সন্থা'ৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে পলিন্দ্ৰ বড়া আৰু জয়কান্ত মৰাণ, 'মৰাণ সাহিত্য সভা'ৰ সভাপতি ৰবীন মৰাণ আৰু 'মৰাণ জাতীয় মহিলা পৰিষদ'ৰ সভানেত্ৰী দীপা শইকীয়া বড়াই। উল্লেখ্য যে জাতীয় গণমঞ্চৰ লক্ষ্য-উদ্দেশ্য সন্দৰ্ভত গোহাৰি পত্ৰ প্ৰকাশ কৰি ঘৰে ঘৰে বিতৰণ কৰিব আৰু সভ্যভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে গাঁৱে গাঁৱে সজাগতা সভা পাতি মৰাণ জনসাধাৰণক সজাগ-সচেতন আৰু ঐক্যবদ্ধ কৰাৰ কথাও উদ্যোক্তাসকলে সভাত সদৰী কৰে। উল্লেখ্য যে জাতীয় গণ মঞ্চই কেৱল মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনতহে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলিও স্পষ্ট কৰি দিছে, য'ত কেৱল মৰাণ ভোটাৰেহে ভোটদান কৰিব। তেওঁলোকৰ মতে মৰাণ স্বায়ত্ত পৰিষদৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ প্ৰায় ৮০ শতাংশ কাম সম্পন্ন হৈছে আৰু অহা নৱেম্বৰৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলিও জানিবলৈ দিছে। সভাত অসম মৰাণ সভাৰ বিদায়ী আৰু নৱনিৰ্বাচিত সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে ৰাজীৱ বড়া, বিতোপন মৰাণ, বিৰিঞ্চি নেওগ, ৰণ্টু ডাঙৰীয়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে পলিন্দ্ৰ বড়া আৰু জয়কান্ত মৰাণ, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ মঞ্চৰ সভাপতি আৰু সম্পাদক ক্ৰমে লম্বেশ্বৰ মৰাণ আৰু ৰুণু মৰাণ চাউৰক, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী আৰু সম্পাদিকা ক্ৰমে দীপা শইকীয়া বড়া আৰু পদ্মা চেতিয়া মৰাণ আৰু মৰাণ সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে ৰবীন মৰাণ আৰু মৃদুল দহোটীয়াক কৃতজ্ঞতা পত্ৰ আৰু মৰাণ ফুলাম গামোচাৰে কৃতজ্ঞতা জনায়।

# দুধনৈত গোৱালপাৰা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা আৰু কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৯ জুলাই ঃ** কলিতা জনগোষ্ঠীক সাংবিধানিকভাৱে সুৰক্ষিত কৰাৰ লগতে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু শৈক্ষিক আদি সকলো দিশতে খিলঞ্জীয়া ভূমিপুত্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সংকল্পৰে আজি গোৱালপাৰা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ উদ্যোগত আৰু জিলা মহিলা মঞ্চ, জিলা কলিতা ছাত্ৰ সন্থা, দুধনৈ আঞ্চলিক সন্মিলন আৰু জিলাখনৰ ২০খন আঞ্চলিক সমিতিৰ সহযোগত এক বৰ্ণিল কাৰ্যসূচীৰে সংগঠনটোৰ 'দ্বি-বাৰ্ষিক সাধাৰণ সভা-২০২৬' আৰু 'কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ অভিনন্দন অনুষ্ঠান' সফলতাৰে সম্পন্ন হৈ যায়। দুধনৈস্থিত জনমন্দিৰ সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহত আয়োজিত এই দিনজোৰা কাৰ্যসূচীত সমগ্ৰ জিলাখনৰ অলেখ ৰাইজ আৰু প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচী মৰ্মে আজি পুৱা ৮ বজাত দুধনৈ আঞ্চলিক কলিতা সমাজৰ পৰিচালনাত পৰিবেশ নিকাকৰণ কাৰ্যসূচীৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে পুৱা ৯ বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে গোৱালপাৰা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ড° বিভূতি কলিতাই। পুৱা ৯:৩০ বজাত অনুষ্ঠিত হোৱা স্মৃতি তৰ্পণ কাৰ্যসূচী তৰ্পণ কৰে জিলা সন্মিলনৰ সাধাৰণ সম্পাদক চৈতন্য দাস আৰু উপ-সভাপতি প্ৰণয় কলিতাই। পুৱা ১০ বজাত কলিতা জাতিৰ ইতিবৃত্ত ৰচক ডঃ বাণীকান্ত কাকতি দেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্জ্বলন কৰে ক্ৰমে দুধনৈ আঞ্চলিক কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি মৃগেণ কলিতা আৰু দুধনৈ আঞ্চলিকৰ সাধাৰণ সম্পাদক বিপুল চৌধুৰীয়ে। ঠিক একেদৰে পুৱা ১০:৩০ বজাত হাৰ্টথ্ৰব জুবিন গাৰ্গ দেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে দুধনৈ আঞ্চলিকৰ উপ-সভাপতি হৰেকৃষ্ণ কলিতাই আৰু বন্তি প্ৰজ্বলন কৰে দুধনৈ আঞ্চলিক কলিতা সমাজৰ সম্পাদক জ্যোতিষ কলিতাই। দিনৰ ১১ বজাত আটাইতকৈ আকৰ্ষণীয় কাৰ্যসূচী 'স্ব-গোষ্ঠীয় কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান আৰু সাধাৰণ সভা' অনুষ্ঠিত হয়। জনগোষ্ঠীটোৰ উচ্চমাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকৰ ৪২গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। গোৱালপাৰা জিলা সন্মিলনৰ সভাপতি ড° বিভূতি কলিতাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাখন উদ্বোধন কৰে কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ উপ-সভাপতি তথা সদৌ কলিতা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীবিষ্ণু পাটগিৰীয়ে। সভাখনত বিশেষ সম্বৰ্ধনা গ্ৰহণ কৰে ১৫ নং দুধনৈ বিধান সভা সমষ্টিৰ বিধায়ক মাননিয় টংকেশ্বৰ ৰাভা আৰু ১৩নং পশ্চিম গোৱালপাৰা বিধান সভা সমষ্টিৰ বিধায়ক মাননিয় পবিত্ৰ ৰাভাই। অনুষ্ঠানত বিধায়ক তথা ৰাভা হাছং পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই সম্বৰ্ধনা গ্ৰহণ কৰা কলিতা জনগোষ্ঠীৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতামোলক পৰীক্ষাত অৱতীৰ্ণ হৈ জনগোষ্ঠীটোৰ উত্তৰণত মুখ্যভূমিকা গ্ৰহণ কৰিব। আনহাতে এইবেলি জিলাখনত বিগত দহ বছৰৰ ভিতৰত নীট পৰীক্ষাৰ্থী সকলে সুন্দৰ ফলাফল দাঙি ধৰিছে। ইয়াৰ উপৰিও বিধায়ক গৰাকীয়ে সমষ্টিটোত উন্নয়নৰ বিপ্-ব হব বুলিও কয়। আনহাতে বিধায়ক পবিত্ৰ ৰাভাই কৃতি ছাত্ৰ ছাত্ৰী সকলৰ ভালদৰে পঢ়াশুনা কৰাৰ উপৰিও জিলাখনৰ খিলঞ্জীয়া লোকসকলক শিক্ষা স্বাস্থ্য আৰু কৃষি ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াব বুলি কয়। তেওঁ লগতে কয় যে তেওঁৰ সমষ্টিত যিসকল অসমীয়া খিলঞ্জীয়া ছাত্ৰ-ছাত্ৰীয়ে আইন বিভাগত পঢ়িব বিচাৰে তেওঁলোকৰ বাবে নামভৰ্তিৰ ক্ষেত্ৰত ৫০শতাংশ আৰ্থিক সহযোগিতা আগবঢ়াব লগতে এইবেলি সৰ্বভাৰতীয় নীট পৰীক্ষাত কৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনায়। ইয়াৰ উপৰিও সভা উদ্বোধক কলিতা জনগোষ্ঠী সন্মিলনৰ উপ-সভাপতি বিষ্ণু পাটগিৰীয়ে কয় যে পাঁচহেজাৰ বছৰৰ ইতিহাস সমৃদ্ধ কলিতা জনগোষ্ঠীয়ে অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক দিশত কলিতা জনগোষ্ঠীৰ অৰিহণা আছে। সেয়েহে এই জনগোষ্ঠী টোক সকলো ফালৰ পৰাই মান্যতা প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে সদৌ কলিতা ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি ড° দিপাংকৰ কলিতা, সদৌ কলিতা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জিতু ডেকাকে ধৰি সন্মিলনৰ আন বহুতো কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ নেতৃত্ব, প্ৰবোধ কলিতা (কাৰ্যবাহী সদস্য, ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদ, দুধনৈ) আৰু কলিতা মহিলা মঞ্চ আৰু কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া। সমগ্ৰ অনুষ্ঠানটো অতি শৃংখলাবদ্ধ আৰু বৰ্ণিল ৰূপত সফল কৰি তোলাৰ বাবে জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় শ্ৰীচৈতন্য দাস আৰু শ্ৰীবিপুল চৌধুৰীয়ে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

# তিনিচুকীয়াৰ ক্ৰীড়া সাংবাদিক অমৃত শৰ্মাক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ জুলাই ঃ** ৱাক ইণ্ডিয়া কিক বক্সিং ফেডাৰেচন, এমেছাৰ কিক বং্গি এছ'চিয়েশ্যনৰ স্বীকৃতিপ্ৰাপ্ত ৱাক তিনিচুকীয়া কিক বক্সিং এছ'চিয়েছনৰ উদ্যোগত যোৱা ১৮ জুলাইৰ পৰা ভাৰতী ভৱন দেৱ শিক্ষা নিকেতন স্কুল, বিকাশপুৰ তিনিচুকীয়াত অনুষ্ঠিত সদৌ অসম গ্ৰীষ্মকালীন কিক বক্সিং প্ৰতিযোগিতাত তিনিচুকীয়া জিলাৰ একমাত্ৰ ক্ৰীড়া সাংবাদিক, লেখক অমৃত শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। শৰ্মাই বিগত ২৭ বছৰে সাংবাদিকতা জগতৰ লগত জড়িত থকাৰ লগতে এক দীঘলীয়া সময় ফটো সাংবাদিক ৰূপে সেৱা আগবঢ়াইছিল। অমৃত শৰ্মাই শেহতীয়াকৈ অসমৰ কেইবাখনো আগশাৰীৰ বাতৰি কাকতৰ লগত জড়িত থকাৰ উপৰিও বিভিন্ন স্মৃতিগ্ৰন্থ, আলোচনীত ক্ৰীড়াবিষয়ক লেখা প্ৰকাশ পাইছে। তেওঁৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পযেকীয়া ক্ৰীড়া অনুষ্ঠান ক্ৰীড়াজগতত কেইবাটাও কাৰ্যসূচী প্ৰচাৰিত হৈছে। তেওঁক তিনিচুকীয়া কিক বক্সিং এচচিয়েচনে গলবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, স্মাৰক প্ৰদান কৰে।

# লায়ন্স ক্লাব অৱ তিনিচুকীয়াৰ ২০২৬-২৭ বৰ্ষৰ নতুন কাৰ্যবাহী সমিতিৰ অভিষেক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ জুলাই ঃ** তিনিচুকীয়াৰ অন্যতম পুৰণি আৰু আগশাৰীৰ সেৱামূলক সংগঠন লায়ন্স ক্লাব অৱ তিনিচুকীয়াৰ ২০২৬-২৭ লায়নিষ্টিক বৰ্ষৰ নতুন কাৰ্যবাহী সমিতিৰ অভিষেক অনুষ্ঠান শনিবাৰে হোটেল এৰোমা ৰেছিডেঞ্চীত গাম্ভীৰ্য আৰু উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত অভিষেক বিষয়া পিডিজি লায়ন ডাঃ অনিমেষ বৰুৱাই নৱনিৰ্বাচিত কাৰ্যবাহী সমিতিক শপতবাক্য পাঠ কৰোৱাই আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰে। লায়ন মোক্ষদেৱ দাসে একেৰাহে দ্বিতীয়বাৰৰ বাবে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। লায়ন কে. কে. গুপ্তাই সম্পাদক আৰু লায়ন অনুপ কুমাৰ গোস্বামীয়ে কোষাধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে আন বিষয়ববীয়াসকলেও নিজ নিজ দায়িত্ব গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মংগলাচৰণ আৰু লায়ন্স ইনভ'কেচন পৰিবেশন কৰা হয়। ইয়াৰ পিছতে সভাপতি লায়ন মোক্ষদেৱ দাসে বিগত বৰ্ষৰ বিভিন্ন সেৱামূলক কাৰ্যসূচী আৰু ক্লাবৰ উল্লেখযোগ্য সাফল্যসমূহৰ ওপৰত আলোকপাত কৰি বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। নিজৰ ভাষণত সভাপতি লায়ন মোক্ষদেৱ দাসে সদস্যসকলৰ আস্থা আৰু সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি আগন্তুক বৰ্ষত সমাজসেৱামূলক কাৰ্যসূচী অধিক বিস্তাৰ, সদস্যসকলৰ মাজত ঐক্য আৰু সম্প্ৰীতি সুদৃঢ় কৰাৰ অংগীকাৰ ব্যক্ত কৰে। অভিষেক বিষয়া পিডিজি লায়ন ডাঃ অনিমেষ বৰুৱাই নতুন কাৰ্যবাহী সমিতিক অভিনন্দন জনাই লায়নিজমৰ আদৰ্শ অনুসৰি নিষ্ঠা আৰু সেৱাৰ মনোভাৱেৰে সমাজৰ কল্যাণত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে ৫০ বছৰতকৈ অধিক সময় ধৰি লায়ন্স আন্দোলনৰ সৈতে জড়িত জ্যেষ্ঠ সদস্যসকলক বিশেষভাৱে সন্মানিত কৰা হয়। লায়ন গিৰিধাৰলাল পাৰেখে সঞ্চালনা কৰা অনুষ্ঠানটি সাংস্কৃতিক পৰিবেশনা, সৌহাৰ্দ্য মিলন আৰু নৈশভোজৰ মাজেৰে সামৰণি পৰে।

# পাঁচ বছৰৰ অপেক্ষাৰ অন্তত সম্পূৰ্ণ শিমুলটাপুৰ শ্মশান, আনুষ্ঠানিকভাৱে শুভ উদ্বোধন



**অসম বাৰ্তা, গোসাঁইগাঁও, ১৯ জুলাই ঃ** দীৰ্ঘ পাঁচ বছৰৰ অপেক্ষাৰ অন্তত ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ অন্তৰ্গত শিমুলটাপুৰ ডাইলিং নদীৰ কাষত অৱস্থিত শ্মশানৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। জানিব পৰা মতে, ২০১৯-২০ বিত্তীয় বৰ্ষত স্বৰ্গীয় মাজেন্দ্ৰ নাৰ্জাৰীয়ে শ্মশান নিৰ্মাণৰ বাবে অনুদান মঞ্জুৰ কৰিছিল। কিন্তু কাম চলি থকা অৱস্থাতে বিটিচিত চৰকাৰ পৰিৱৰ্তন হোৱাত প্ৰকল্পটো আধৰুৱাকৈ ৰৈ যায়। পৰৱৰ্তী ইউপিপিএল চৰকাৰৰ কাৰ্যকালতো এই আধৰুৱা প্ৰকল্প সম্পূৰ্ণ কৰা সম্ভৱ হোৱা নাছিল। ইয়াৰ পিছত ২০২৫ চনত বিটিচিত বিপিএফ চৰকাৰ গঠন হোৱাৰ পাছতে শ্মশানৰ বাকী থকা নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হয়। আজি শ্মশান প্ৰাঙ্গণত ধৰ্মীয় ৰীতি-নীতি অনুসৰি পূজা-অৰ্চনা অনুষ্ঠিত কৰাৰ পিছতে শ্মশানখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ টিচিএলচিচিৰ চেয়াৰমেন মোখলেছুৰ ৰহমানে শ্মশানখনৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত বিপিএফৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতি (CWC)ৰ সদস্য সাহানাৰা খাতুন, শিমুলটাপু ভিচিডিচিৰ চেয়াৰমেন মোজাহিদ, বিপিএফৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী, শ্মশান পৰিচালনা সমিতিৰ সদস্যসকলৰ লগতে হিন্দু সমাজৰ বহু সংখ্যক গণ্যমান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# ডিব্ৰুগড়ত উপাসনা কলাকেন্দ্ৰৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ বৰ্ণাঢ্য সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৯ জুলাই ঃ** ডিব্ৰুগড়ৰ উপাসনা কলাকেন্দ্ৰৰ উদ্যোগত আৰু সন্ধানী মহিলা চ'ৰা, ডিব্ৰুগড় তথা সৃষ্টি প্ৰভাত, গুৱাহাটীৰ সহযোগত অনুষ্ঠিত সাতদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে সামৰণি পৰে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু আন আন আমন্ত্ৰিত অতিথিসকলক আদৰণি জনোৱাৰ পাছতে পৰম্পৰাগতভাৱে বন্তি প্ৰজ্বলন আৰু মঙ্গলাচৰণ ধ্বনিৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট অতিথি তথা প্ৰাক্তন উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° কন্দৰ্প কুমাৰ ডেকাই। অনুষ্ঠানৰ আৰম্ভণিতে উপাসনা কলাকেন্দ্ৰৰ অধ্যক্ষ তৰুণ কুমাৰ গগৈয়ে আদৰণি ভাষণ আগবঢ়াই কৰ্মশালাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে কৰ্মশালাখন সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলো অতিথি, প্ৰশিক্ষক, অভিভাৱক আৰু শুভাকাংক্ষীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু উপস্থিত অন্যান্য বিশিষ্ট ব্যক্তিসকলক ফুলাম গামোচা, চেলেঙ, শৰাই আদি আগবঢ়াই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা। বিশিষ্ট কবি-সাহিত্যিক সাহিত্যচাৰ্য ড° কৰবী ডেকা হাজৰিকা, সমাজসেৱক আত্মাৰাম আগৰৱালাকে ধৰি বহু গণ্য-মান্য ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। কৰ্মশালা কমিটিৰ সভাপতি ড° পংকজ কুমাৰ শ্ৰুতিকৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শিল্প-সংস্কৃতিৰ চৰ্চাৰ জৰিয়তে শিশু-কিশোৰসকলৰ সৃজনশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্ব আলোকপাত কৰে। ড° কৰবী ডেকা হাজৰিকাই অনুষ্ঠানৰ প্ৰথম প্ৰদৰ্শন নাট মেলা অৰ্থাৎ ঝুমৰ (অঙ্কীয়া নাট) বিষয়ে সংক্ষিপ্ত বক্তব্য আগবঢ়াই মঞ্চ মুকলি কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে এক মনোমোহা উদ্বোধনী নৃত্য পৰিৱেশন কৰি অনুষ্ঠানৰ সাংস্কৃতিক পৰ্ব আৰম্ভ কৰে। মুখ্য অতিথি ড° নিৰোদ বৰুৱাই তেওঁৰ আশীৰ্বাদমূলক ভাষণত উপাসনা কলাকেন্দ্ৰই দীৰ্ঘদিন ধৰি শিল্প-সংস্কৃতিৰ বিকাশ আৰু নতুন প্ৰজন্মৰ ব্যক্তিত্ব গঠনত আগবঢ়াই অহা অৱদানৰ উচ্চ প্ৰশংসা কৰে। তাৰ পিছতে কৰ্মশালাত বিভিন্ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা সকলো প্ৰশিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্যসূচীত প্ৰশিক্ষাৰ্থীসকলে দেশপ্ৰেম মূলক সমবেত সংগীত পৰিৱেশন কৰে। ২০০৪ চনৰ পৰা ২০২৬ চনলৈ উপাসনা কলাকেন্দ্ৰৰ গৌৰৱোজ্জ্বল যাত্ৰাৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা এখনি স্মৃতিগ্ৰন্থ "এক বৰ্ণিল যাত্ৰা"ৰ বিষয়ে প্ৰতিষ্ঠাপক সভানেত্ৰী ঝৰ্ণা শইকীয়াই উল্লেখ কৰে আৰু বিশিষ্ট অতিথি ড° কন্দৰ্প কুমাৰ ডেকাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে আৰু সকলোকে অভিনন্দন জনায়। এনে এক মহৎ কাৰ্যৰ বাবে ড০ ডেকাই এই পত্ৰিকাখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত গ্ৰীষ্মকালীন কৰ্মশালা কমিটিৰ সকলোকে প্ৰশংসা কৰে। প্ৰশিক্ষাৰ্থী সকলে এখন চুটি নাটক "অৰণ্যৰ চকুলো" প্ৰদৰ্শন কৰে। পৰীক্ষাৰ্থী সকলে সত্ৰীয়া নৃত্য, ঝুমুইৰ নৃত্য, চাহ জনগোষ্ঠীৰ ঢোল বাদন আদি মনোমোহা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত দৰ্শকৰ প্ৰশংসা লাভ কৰে। সমল ব্যক্তি কৃষ্ণা পঙ্কজা দত্ত, চুমি ফুকন, অজয় দত্ত, সোণাৰয় ঘাটোৱাৰ আদি কৰি কেইবাগৰাকীও ব্যক্তিয়ে এই প্ৰশিক্ষণত ভাগ লয়। অনুষ্ঠানত উপস্থিত সন্মানীয় অতিথিসকলেও নিজৰ অনুভৱ ব্যক্ত কৰি উপাসনা কলাকেন্দ্ৰৰ শিল্প- সংস্কৃতিৰ বিকাশ, মানৱীয় মূল্যবোধৰ প্ৰচাৰ আৰু শিশু- কিশোৰৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত আগবঢ়াই অহা অনবদ্য অৱদানৰ প্ৰশংসা কৰে। ইয়াৰ ভিতৰত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নোমল গগৈ, বৰ্তমান সভাপতি বদন গগৈ আৰু পৰমেশ্বৰ নলবৰীয়া অন্যতম। এই ক্ষেত্ৰত সন্ধানী মহিলা চ'ৰাৰ সভানেত্ৰী নিহাৰীকা শ্ৰুতিকৰেও তেওঁৰ বক্তব্য আগবঢ়ায়। কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। শেষত উপাসনা কলা কেন্দ্ৰৰ সভাপতি দীপক কুমাৰ দত্তই সকলোকে ধন্যবাদ জ্ঞাপন কৰে আৰু ইয়াৰ পাছতেই জাতীয় সংগীত পৰিৱেশনেৰে সাতদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি ঘোষণা কৰা হয়। উপস্থিত অভিভাৱক, শুভানুধ্যায়ী আৰু শিল্প-সংস্কৃতিপ্ৰেমী ৰাইজৰ উৎসাহপূৰ্ণ অংশগ্ৰহণে অনুষ্ঠানটো অধিক সাৰ্থক আৰু স্মৰণীয় কৰি তোলে। কাৰ্যসূচী পৰিচালনা কৰে সন্ধানী মহিলা চ'ৰাৰ সম্পাদিকা লক্ষহীৰা গগৈয়ে।

# মেৰাপানী গমাৰিৰ মজগুৰিত ভয়ংকৰ পথ দুৰ্ঘটনা; থিতাতে নিহত দুই যুৱক

**অসম বাৰ্তা, মেৰাপানী, ১৯ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ মজ গুৰিৰ তেল ডিপোৰ সমীপত দেওবাৰে এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। নিয়ন্ত্ৰণ হেৰুৱাই AS-12J-6527 নম্বৰৰ বাহনখন পথৰ দাঁতিত থকা এডাল গছত প্ৰচণ্ডভাৱে খুন্দা মৰাৰ ফলত দুজন লোকৰ ঘটনাস্থলীতে মৃত্যু হয়। জানিব পৰা মতে, বাহনখন মেৰাপানীৰ পৰা গোলাঘাট অভিমুখে গৈ থকা অৱস্থাত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত নিহত দুজনক মেৰাপানীৰ প্ৰিন্স মেছ আৰু লাড়ু বুলি চিনাক্ত কৰা হৈছে। সংঘৰ্ষটো ইমানেই প্ৰচণ্ড আছিল যে দুয়োৰে ঘটনাস্থলীতে মৃত্যু ঘটে। খবৰ লাভ কৰাৰ পিছতে মেৰাপানী আৰক্ষী ঘটনাস্থলিত উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰাৰ লগতে প্ৰয়োজনীয় আইনী ব্যৱস্থা আৰম্ভ কৰে। দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এই শোকাৱহ ঘটনাই সমগ্ৰ মেৰাপানী অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। অকালতে দুই যুৱকৰ মৃত্যুত স্থানীয় লোকসকলৰ মাজত শোকৰ পৰিবেশৰ সৃষ্টি হৈছে।

# অনলাইন প্ৰাইজমানি ৰচনা প্ৰতিযোগিতা

**অসম বাৰ্তা, ছয়গাঁও, ১৯ জুলাই ঃ** সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি 'শুদ্ধচিন্তা হোৱাটচএপ মঞ্চ'ৰ উদ্যোগত এখনি অনলাইন (প্ৰাইজমানি) ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ' শীৰ্ষক বিষয়টিৰ ওপৰত ১০০০ ৰ পৰা ১২০০ ৰ ভিতৰত ১৮ বছৰৰ পৰা ২৫ বছৰ বয়সৰ অংশগ্ৰহণকাৰীৰ পৰা ৰচনা সমূহ বিচৰা হৈছে। ৰচনা হাতেলেখা, টাইপিং অথবা ইউনিক'ড লিপিত লিখি pdf কৰি তলত উল্লিখিত হোৱাটচএপ নম্বৰলৈ ১৫ আগষ্টৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব। লগতে অংশগ্ৰহণ কাৰীৰ সম্পূৰ্ণ নাম, ঠিকনা, মোবাইল নম্বৰ আৰু বয়সৰ প্ৰমাণপত্ৰ পঠিয়াব লাগিব। বিজয়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীক ক্ৰমে ২০০১ টকা, ১৫০১ টকা আৰু ১০০১ টকাৰ সৈতে মানপত্ৰ প্ৰদান কৰা হ'ব। ৰচনা প্ৰেৰণৰ হোৱাটচএপ নম্বৰ ক্ৰমে ৯৮৫৪৫৩৯০৬১, ৯৯৫৭৮৫৮৫৬২, ৮৬৩৮৬৯৯৭৮১।

**এমাহৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি মুকলি কৰাৰ নিৰ্দেশ বিভাগীয় কৰ্তৃপক্ষক**

# গোসাইগাঁৱৰ চৌতাৰা বিদ্যুৎ উপ সংমণ্ডলত বিধায়ক ৰূপম চন্দ্ৰ ৰায়ৰ ছাডেন ভিজিট

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৯ জুলাই ঃ** ৰাইজৰ অভাৱ-অভিযোগৰ ভিত্তিত বাওঁখুংগুৰী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে শনিবাৰে চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ উপ-সংমণ্ডলত আকস্মিক পৰিদৰ্শন (ছাডেন ভিজিট) কৰে। পৰিদৰ্শনকালত তেওঁ চলি থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতি পৰ্যালোচনা কৰি বিভাগীয় কৰ্তৃপক্ষক এমাহৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰি উপ-সংমণ্ডলটো মুকলি কৰাৰ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, অঞ্চলটোৰ ২৮খন গাঁৱলৈ উন্নত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ লক্ষ্যৰে চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ প্ৰকল্পৰ কাম প্ৰায় দুবছৰ পূৰ্বে আৰম্ভ হৈছিল। কিন্তু নিৰ্ধাৰিত সময়ৰ পিছতো প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ নোহোৱাত স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি বিদ্যুৎ সেৱাৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। পৰিদৰ্শনকালত বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ শুনে। লগতে অঞ্চলটোৰ জৰাজীৰ্ণ পথৰ অৱস্থাও পৰিদৰ্শন কৰে। এই সময়ত স্থানীয় পাৰিষদ এন্তাজ আলিয়েও বিধায়কগৰাকীক সহযোগিতা কৰে। বিধায়কগৰাকীয়ে স্পষ্টভাৱে কয় যে, কোনো ঠিকাদাৰে যদি কাম আধৰুৱাকৈ এৰি থয় বা দায়িত্বত গাফিলতি কৰে, তেন্তে



বিভাগীয়ভাৱে কঠোৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্মাণকাৰ্য সময়মতে সম্পূৰ্ণ কৰি ৰাইজক উন্নত বিদ্যুৎ সেৱা প্ৰদান নিশ্চিত কৰিবলৈও তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

# নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ অষ্টাদশ বাৰ্ষিক ভবেন বৰুৱা সোঁৱৰণী শিশু নাট প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, নলবাৰী, ১৯ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত অষ্টাদশ বাৰ্ষিক ভবেন বৰুৱা সদৌ অসম শিশু নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি পূৰ্ণগতিত চলিছে। অহা ২, ৩ আৰু ৪ ছেপ্টেম্বৰত নলবাৰী নাট্য মন্দিৰত এই শিশু নাট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ সন্দৰ্ভত নলবাৰী চহৰৰ এন টি ৰোডস্থিত যুৱ-ছাত্ৰ পৰিষদৰ জিলা কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। যুৱ-ছাত্ৰ পৰিষদৰ জিলা সমিতিৰ সভাপতি আচিক আহমেদৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অষ্টাদশ বাৰ্ষিক শিশু নাট প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰাৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। উক্ত নাট প্ৰতিযোগিতাত বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক, নলবাৰীৰ সু-সন্তান প্ৰয়াত ভবেন বৰুৱাৰ স্মৃতি জনমানসত সজীৱ কৰি ৰখাৰ উদ্দেশ্যে নাট্য ক্ষেত্ৰৰ লগত জড়িত এগৰাকী বিশিষ্ট ব্যক্তিক 'ভবেন বৰুৱা বঁটা' প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ বিজয়ী দলসমূহৰ বাবে ক্ৰমে প্ৰথম পুৰস্কাৰ হিচাপে ১০, ০০০ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে ৭, ০০০ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ৫, ০০০ টকাৰ লগতে প্ৰতিটো পুৰস্কাৰৰ সৈতে ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ লগতে নাট প্ৰতিযোগিতাৰ লগত সংগতি থকা বিভিন্ন শিতানৰ পুৰস্কাৰো প্ৰদান কৰা হ'ব। নাট প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বৃন্দাবন থিয়েটাৰৰ প্ৰযোজক তথা বিশিষ্ট সমাজকৰ্মী গণেশ ৰয় মেধিক সভাপতি, পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক পাৰ্থ প্ৰতীম শৰ্মাক কাৰ্যকৰী সভাপতি আৰু পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাক সম্পাদক হিচাপে এখন পৰিচালনা সমিতি গঠন কৰা হয়। প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি 'সংলাপ' শীৰ্ষক এখন স্মৰণিকাও প্ৰকাশ পাব। 'সংলাপ' সম্পাদনা সমিতিৰ সভাপতি হিচাপে পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা কৌশিক বৰ্মন আৰু সম্পাদক হিচাপে যুটীয়াভাৱে তাজিম আহমেদ আৰু নয়ন শৰ্মাক দায়িত্ব অৰ্পণ কৰা হয়। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা নাট্যদলসমূহে অহা ৫ আগষ্টৰ ভিতৰত নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা পৰিচালনা সমিতিৰ হাতত জমা দিব লাগিব। ইচ্ছুক নাট্যদলসমূহক অধিক তথ্যৰ বাবে ৭০০২১৬৯০৪০ আৰু ৭০০২৩৮০৭৮৭ নম্বৰত যোগাযোগ কৰিবলৈ প্ৰতিযোগিতা পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

## সম্পাদকীয়

# সোণম ৱাংচুকৰ অনশন

**দি**ল্লীৰ যন্তৰ মন্তৰত ২০২৬ চনৰ ২৮ জুনৰ পৰা আৰম্ভ হোৱা সোণম ৱাংচুকৰ অমৰণ অনশনে ৰাষ্ট্ৰীয় স্তৰত শিক্ষাব্যৱস্থাৰ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। 'ককৰোচ জনতা পাৰ্টি' (CJP)ৰ সৈতে কান্ধ মিলাই অনশনৰ মঞ্চত বহা ৱাংচুকে পোনপটীয়াকৈ দাবী জনাইছে যে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তৎক্ষণাত পদত্যাগ কৰক। ইয়াৰ লগতে NEET-UGকে ধৰি ৰাষ্ট্ৰীয় প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত গুপ্ত প্ৰশ্নপত্ৰ নিৰ্গমন আৰু অনিয়মিততাৰ অভিযোগ উত্থাপন কৰি তেওঁ সমগ্ৰ শিক্ষাব্যৱস্থাত আমূল সংস্কাৰৰ আহ্বান জনাইছে। এজন পৰিৱেশ কৰ্মী হিচাপে পৰিচিত ৱাংচুকে এতিয়া শিক্ষাৰ দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দি এই প্ৰশ্নটো তুলিছে- আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ ভিত্তি শিক্ষাব্যৱস্থাটো কিমান স্বচ্ছ?

অনশনৰ পিছত ৱাংচুকৰ শাৰীৰিক অৱস্থা অতি শোচনীয় হৈ পৰে। তেওঁৰ স্বাস্থ্যই এটা স্পষ্ট বাৰ্তা দিয়ে- প্ৰতিবাদীজন সংস্কাৰৰ খাতিৰত নিজৰ জীৱনকে বাজী লগাইছে। দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত তেওঁক চফদৰজং হাস্পতাললৈ স্থানান্তৰ কৰা হয়। ন্যায়ালয়ে 'প্ৰতিজন ব্যক্তিৰ জীৱন বহুমূলীয়া' বুলি কৈ য'তে ত'তে চৰকাৰক সজাগ কৰিছে। কিন্তু প্ৰশ্নটো ইয়াতেই শেষ নহয়-হাস্পতালৰ বিছনাত ৱাংচুকৰ চিকিৎসা কৰাটোৱেই সমাধান নে, নে তেওঁ উত্থাপিত প্ৰশ্নবোৰৰ উত্তৰ দিয়াটোৱেই প্ৰকৃত সমাধান?

প্ৰশ্ন কাকত ফাদিলৰ অভিযোগ নতুন নহয়। কেইবাবছৰ ধৰি NEET-UG, JEE, আৰু অন্যান্য প্ৰৱেশ পৰীক্ষাত গুপ্ত প্ৰশ্ন কাকতৰ কেলেংকাৰী বাতৰি প্ৰকাশ পাই আহিছে। কোটি কোটি শিক্ষাৰ্থীৰ জীৱন এই পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰশীল। যেতিয়া এনে পৰীক্ষাৰ স্বচ্ছতাত আঙুলি উঠে, তেতিয়া সমগ্ৰ ব্যৱস্থাটোৰ প্ৰতি বিশ্বাস ক্ষুণ্ণ হয়। সোণম ৱাংচুকে কেৱল এটা ঘটনাৰ বাবেই নহয়, ব্যৱস্থাটোৰ গাঁঠনিগত দুৰ্বলতাবোৰৰ বাবেই শিক্ষামন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে। কাৰণ, শিক্ষা দপ্তৰৰ শীৰ্ষ ব্যক্তিজনেই যদি এই ব্যৱস্থাৰ নিৰীক্ষক, তেন্তে তেওঁৰ অধীনত ঘটা অনিয়মৰ বাবে তেওঁ নৈতিকভাৱে উত্তৰদায়ী নহয় নে?

চৰকাৰী মহলৰ প্ৰতিক্ৰিয়া এতিয়ালৈকে ৱাংচুকৰ দাবীৰ প্ৰতি প্ৰত্যক্ষভাৱে সঁহাৰি দিয়া দেখা হোৱা নাই। অন্যহাতে, যন্তৰ মন্তৰৰ অনশন স্থলীত ৱাংচুকৰ প্ৰতি সহমত প্ৰকাশ কৰা বিভিন্ন ৰাজ্যৰ লোকৰ সমাগম ঘটিছে। কিন্তু এই অনশনে এটা নৈতিক সংকটৰ সৃষ্টি কৰিছে- সত্যাগ্ৰহীজনৰ স্বাস্থ্য অতি সংকটজনক হৈ পৰিলেও চৰকাৰে আলোচনাৰ টেবুললৈ আহিবলৈ তৎপৰতা নেদেখুৱাটো কি ন্যায়সংগত? ৱাংচুকৰ এই আন্দোলনে কেৱল শিক্ষাৰ ক্ষেত্ৰকেই নহয়, প্ৰতিবাদৰ মাধ্যমটোকো প্ৰশ্ন কৰে। অমৰণ অনশন- এয়া ভাৰতীয় ইতিহাসৰ গান্ধীপৰম্পৰাৰ এক শক্তিশালী অস্ত্ৰ। কিন্তু ২০২৬ চনৰ প্ৰেক্ষাপটত এই মাধ্যম কিমান সফল? ই জনমত গঢ়াত সহায় কৰে যদিও চৰকাৰক সিদ্ধান্ত ল'বলৈ বাধ্য কৰাটো কঠিন। হয়তো ৱাংচুকে নিজেও জানে যে শিক্ষামন্ত্ৰীৰ পদত্যাগ তৎক্ষণাত সম্ভৱ নহয়, কিন্তু তেওঁৰ উদ্দেশ্য হ'ল- এই বিষয়টোক ৰাষ্ট্ৰীয় বিতৰ্কৰ শীৰ্ষত ৰখা আৰু চৰকাৰক অনুসন্ধান কমিটি গঠন কৰিবলৈ বাধ্য কৰোৱা।

এই পৰিস্থিতিত ৱাংচুকৰ প্ৰতি আমাৰ সমবেদনা থাকিলেও চৰকাৰক এক স্পষ্ট বাৰ্তা দিব লাগিব- কোনো ব্যক্তিৰ প্ৰাণহানিৰ বিনিময়ত সমাধান বিচৰাটো গণতন্ত্ৰৰ ৰীতি নহয়। চৰকাৰে সোনকালে এখন উচ্চ-স্তৰীয় স্বাধীন অনুসন্ধান সমিতি গঠন কৰি NEET-UGৰ অনিয়মৰ বিষয়ে ৰিপৰ্ট দাখিল কৰা উচিত। একে সময়তে ৱাংচুককো স্বাস্থ্য ৰক্ষা কৰি অনশন স্থগিত ৰাখিবলৈ অনুৰোধ জনোৱা উচিত, কাৰণ এজন সত্যিকাৰ সংস্কাৰকৰ মৃত্যুৱে কোনো সমস্যাৰ সমাধান নকৰে, বৰং তাক জটিল কৰে।

শেষত, সোণম ৱাংচুকৰ অনশনে আমাক স্মৰণ কৰাই দিয়ে যে শিক্ষা ব্যৱস্থা গঢ়ি তোলাটো কেৱল চৰকাৰৰ দায়িত্ব নহয়, সমগ্ৰ সমাজৰ দায়িত্ব। প্ৰশ্নপত্ৰ নিৰ্গমন, অনিয়ম, আৰু অস্বচ্ছতা- এইবোৰৰ দোষীৰ বিচাৰ হোৱাটো অনিবাৰ্য। কিন্তু যদি অভিযোগবোৰ ভিত্তিহীন, তেন্তে চৰকাৰে প্ৰমাণসহ প্ৰত্যুত্তৰ দি অনশনৰ সমাপ্তি ঘটাব পাৰে। গণতন্ত্ৰত মতপ্ৰকাশৰ অধিকাৰ আছে, কিন্তু জীৱন ৰক্ষা কৰাটোও ৰাষ্ট্ৰৰ প্ৰধান দায়িত্ব। চৰকাৰ আৰু প্ৰতিবাদী উভয়েই যুক্তিসংগতভাৱে আগবাঢ়ে- যাতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত নিৰাপদ হয় আৰু এজন নিষ্ঠাবান সমাজকৰ্মীৰ জীৱনও ৰক্ষা পায়।

# ধ্ৰুপদী ভাষা হিচাপে অসমীয়াৰ যাত্ৰা

**অ**সমীয়া জাতিৰ বাবে সাংস্কৃতিক আৰু বৌদ্ধিক জীৱনত বৰ্তমানৰ সময়ছোৱা এক অভূতপূৰ্ব আৰু ঐতিহাসিক সন্ধিক্ষণ হিচাপে বিবেচিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ সিদ্ধান্তই কেৱল এটা চৰকাৰী স্বীকৃতি বা আনুষ্ঠানিকতাৰ মাজতে আৱদ্ধ নাথাকি, ই সমগ্ৰ জাতিটোৰ বাবে এক নতুন আত্মপৰিচয় আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। শদিয়াৰ পৰা ধুবুৰীলৈ বিস্তৃত এই ভূখণ্ডৰ মানুহৰ মনত দীৰ্ঘদিন ধৰি পুঞ্জীভূত হৈ থকা আশা-আকাংক্ষাৰ এই বাস্তৱায়নে আমাক আমাৰ অতীতৰ চহকী ঐতিহ্যক পুনৰবাৰ নতুন দৃষ্টিভংগীৰে চোৱাৰ সুবিধা প্ৰদান কৰিছে। হাজাৰ বছৰৰো অধিক কাল জুৰি প্ৰৱাহিত হৈ থকা অসমীয়া ভাষাৰ ধাৰাটি যে কেৱল এক ভাৱ প্ৰকাশৰ মাধ্যম নহয়, বৰঞ্চ ই এক বিশাল সভ্যতা আৰু সংস্কৃতিৰ বাহক, সেই কথা এই স্বীকৃতিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিলে। কিন্তু এই আনন্দ আৰু উল্লাসৰ মুহূৰ্তত আমি পাহৰি যোৱা অনুচিত যে কোনো এটা ভাষাই ধ্ৰুপদী মৰ্যাদা পোৱাটো তাৰ যাত্ৰাৰ অন্তিম বিন্দু নহয়, বৰঞ্চ ই এক অধিক দায়িত্বশীল আৰু প্ৰত্যাহ্বানমূলক যাত্ৰাৰ আৰম্ভণিহে। বিশ্বায়নৰ প্ৰবল ধুমুহা আৰু নৱপ্ৰজন্মৰ সলনি হোৱা মানসিকতাৰ মাজত এই ভাষাক কেনেকৈ জীয়াই ৰখা হ'ব, কেনেকৈ ইয়াক জ্ঞান-বিজ্ঞান চৰ্চাৰ শক্তিশালী মাধ্যম হিচাপে গঢ়ি তোলা হ'ব আৰু অৰ্থনৈতিক বিকাশৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হ'ব, সেয়াই এতিয়া আমাৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰশ্ন। এই স্বীকৃতি কেৱল আৱেগিক সন্তুষ্টিৰ বিষয় নহৈ, ই আমাৰ বাবে এক কঠোৰ কৰ্মপৰিকল্পনা গ্ৰহণৰ আহ্বান। অতীতৰ গৰিমাক বৰ্তমানৰ কৰ্মপটুতাৰে ভৱিষ্যতৰ সুৰক্ষিত স্থানলৈ লৈ যোৱাৰ যি দায়িত্ব এতিয়া অসমীয়া সমাজৰ কান্ধত ন্যস্ত হৈছে, তাক পালন কৰিবলৈ আমি আৱেগৰ পৰিৱৰ্তে যুক্তি আৰু দূৰদৰ্শিতাৰ আশ্ৰয় লোৱা অত্যন্ত জৰুৰী।

ধ্ৰুপদী ভাষাৰ এই স্বীকৃতিয়ে প্ৰথমেই যিটো বিষয় আমাৰ দৃষ্টিগোচৰ কৰে, সেয়া হ'ল অসমীয়া ভাষাৰ স্বকীয়তা আৰু ইয়াৰ ঐতিহাসিক বিৱৰ্তনৰ ধাৰা। বহু সময়ত ভুল ধাৰণাৰ বশৱৰ্তী হৈ বা উপযুক্ত গৱেষণাৰ অভাৱত অসমীয়া ভাষাক আন কোনো ভাষাৰ উপভাষা বা শাখা হিচাপে দেখুৱাবলৈ চেষ্টা কৰা হৈছিল, কিন্তু ধ্ৰুপদী মৰ্যাদাই এই সকলোবোৰ বিতৰ্কৰ অৱসান ঘটাই প্ৰমাণ কৰিলে যে এই ভাষাৰ শিপা বহু গভীৰলৈ বিস্তৃত আৰু ইয়াৰ বিকাশৰ ধাৰা সম্পূৰ্ণৰূপে স্বতন্ত্ৰ। প্ৰাচীন কামৰূপৰ শিলালিপি, তামৰ ফলি আৰু পৰৱৰ্তী সময়ৰ সাঁচিপাতৰ



হিমাংশু ৰঞ্জন ভূঞা

পুথিসমূহত উপলব্ধ ভাষাৰ নিদৰ্শনে স্পষ্ট কৰি দিয়ে যে খ্ৰীষ্টীয় সপ্তম শতিকা বা তাৰো আগৰ পৰাই এই ভাষাৰ এটা সুকীয়া ৰূপ গঢ় লৈ উঠিছিল। মগধীয় প্ৰাকৃতৰ পৰা উদ্ভৱ হ'লেও কামৰূপী প্ৰাকৃতৰ মাজেৰে বিকশিত হৈ আজিৰ আধুনিক অসমীয়া ভাষাৰ ৰূপ লোৱালৈকে এই যি দীঘলীয়া পৰিক্ৰমা, তাত এই ভূখণ্ডৰ জনসাধাৰণৰ চিন্তাধাৰা, দৰ্শন আৰু জীৱন ধাৰণৰ প্ৰণালী ওতপ্ৰোতভাৱে জড়িত হৈ আছে। এই স্বীকৃতিয়ে আমাৰ গৱেষক আৰু পণ্ডিতসকলক এই ভাষাৰ প্ৰাচীনতম নিদৰ্শনসমূহ উদ্ধাৰ আৰু বিশ্লেষণ কৰিবলৈ নতুনকৈ অনুপ্ৰাণিত কৰিব। বিশেষকৈ আমাৰ চৰ্যাপদসমূহ, প্ৰাক-শংকৰী যুগৰ সাহিত্য আৰু বৈষ্ণৱ যুগৰ বিশাল সাহিত্যৰাজিক এতিয়া কেৱল ধৰ্মীয় বা সাহিত্যিক দৃষ্টিৰে নোচোৱাকৈ, ভাষাতাত্ত্বিক আৰু সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰাৰ প্ৰয়াজন আহি পৰিছে।

এই ধ্ৰুপদী মৰ্যাদাই আমাক সোঁৱৰাই দিয়ে যে আমাৰ হাতত থকা সম্পদসমূহ কেৱল সংগ্ৰহালয়ত সজাই থোৱা বস্তু নহয়, বৰঞ্চ সেইবোৰৰ বৈজ্ঞানিক অধ্যয়নে মানৱ সভ্যতাৰ ইতিহাসত অসমীয়া জাতিৰ অৱদানক নতুনকৈ চিনাকি কৰি দিব পাৰে।

> *পুৰণি আৰু নীৰস পাঠদান পদ্ধতিৰ সলনি আধুনিক আৰু ব্যৱহাৰিক পদ্ধতিৰে ভাষা শিক্ষা দিলে ছাত্ৰ-ছাত্ৰীৰ মনত ভাষাৰ প্ৰতি ভয়ৰ সলনি ভালপোৱা জাগিব। তদুপৰি, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত মাতৃভাষাৰ মাধ্যমেৰে উচ্চ শিক্ষা লাভৰ ব্যৱস্থা কৰিলে আৰু বিভিন্ন বৃত্তিমূলক পৰীক্ষাত অসমীয়া ভাষাত উত্তীৰ্ণ হোৱাৰ সুযোগ দিলে ছাত্ৰ-ছাত্ৰীসকল স্বাভাৱিকতে নিজৰ ভাষাৰ প্ৰতি আগ্ৰহী হ'ব। ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ পাছত ৰাষ্ট্ৰীয় স্তৰৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাতো অসমীয়া ভাষাৰ গুৰুত্ব বাঢ়িব, যিয়ে পৰোক্ষভাৱে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক লাভান্বিত কৰিব। শিক্ষা কেৱল ডিগ্ৰী অৰ্জনৰ আহিলা নহয়, ই সংস্কৃতি আৰু মূল্যবোধ গঢ় দিয়াৰ মাধ্যম।*

ভাষা এটাৰ সৰ্বাঙ্গীণ বিকাশ আৰু বিশ্ব দৰবাৰত ইয়াৰ প্ৰতিষ্ঠাৰ বাবে কেৱল সাহিত্য চৰ্চাই যথেষ্ট নহয়; ইয়াৰ বাবে প্ৰয়োজন এক শক্তিশালী গৱেষণাভিত্তিক পৰিৱেশ। ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ পাছত অসমৰ উচ্চ শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহত অসমীয়া ভাষাৰ উচ্চ পৰ্যায়ৰ গৱেষণাৰ বাবে কেন্দ্ৰীয় পুঁজি আৰু আন্তঃগাঁথনিৰ সুবিধা লাভৰ পথ মুকলি হৈছে। এই সুবিধাক আমি কেনেকৈ ব্যৱহাৰ কৰিম, তাৰ ওপৰতে নিৰ্ভৰ কৰিব আমাৰ ভাষাৰ ভৱিষ্যত। এতিয়া আমাৰ লক্ষ্য হোৱা উচিত ভাষাবিজ্ঞান, লিপিবিজ্ঞান, পাণ্ডুলিপি অধ্যয়ন আৰু তুলনামূলক সাহিত্যৰ ক্ষেত্ৰত বিশ্বমানৰ গৱেষণা কেন্দ্ৰ গঢ়ি তোলা। আমাৰ বহুতো আপুৰুগীয়া সাঁচিপাতৰ পুথি এতিয়াও ব্যক্তিগত সংগ্ৰহ, সত্ৰ, নামঘৰ বা জৰাজীৰ্ণ অৱস্থাত পৰি আছে। এইবোৰৰ সংৰক্ষণ আৰু ডিজিটেলকৰণৰ বাবে এক যুদ্ধকালীন তৎপৰতাৰ প্ৰয়োজন। আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই পুথিসমূহৰ পাঠ উদ্ধাৰ কৰা আৰু সেইবোৰৰ সম্পাদনা কৰি প্ৰকাশ কৰাটো এতিয়া আমাৰ জাতীয় কৰ্তব্য। তদুপৰি, কেৱল অসমৰ গৱেষকেই নহয়, বিদেশৰ গৱেষকসকলেও যাতে অসমলৈ আহি আমাৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰিব পাৰে, তাৰ বাবে উপযুক্ত শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিব লাগিব। যেতিয়া এজন ফৰাচী বা জাৰ্মান পণ্ডিতে অসমীয়া ভাষাৰ প্ৰাচীনতা লৈ গৱেষণা কৰিব, তেতিয়া স্বাভাৱিকতে বিশ্বৰ মানচিত্ৰত আমাৰ ভাষাৰ গুৰুত্ব বৃদ্ধি পাব। গতিকে, ধ্ৰুপদী মৰ্যাদাক সাৰথি কৰি আমি এক নতুন বৌদ্ধিক জাগৰণৰ সূচনা কৰিব লাগিব, য'ত আৱেগতকৈ জ্ঞান আৰু অন্বেষণৰ গুৰুত্ব অধিক হ'ব।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে অসমত 'ভাষা পৰ্যটন' আৰু 'জ্ঞান অৰ্থনীতি'ৰ এক নতুন দুৱাৰ মুকলি কৰাৰ সম্ভাৱনা বহন কৰিছে। আজিৰ যুগত ভাষা কেৱল ভাৱ বিনিময়ৰ মাধ্যম নহয়, ই এক অৰ্থনৈতিক সম্পদো। ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ ফলত অসমৰ সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি বিশ্ববাসীৰ আগ্ৰহ বৃদ্ধি পোৱাটো স্বাভাৱিক। এই আগ্ৰহক আমি পৰ্যটন উদ্যোগৰ লগত সংযোগ কৰিব পাৰোঁ। ঐতিহাসিক গুৰুত্ব থকা স্থানসমূহ, পুথিভঁৰাল, সত্ৰ আৰু গৱেষণা কেন্দ্ৰসমূহক লৈ এক শৈক্ষিক পৰ্যটনৰ নেটৱৰ্ক গঢ়ি তুলিব পৰা যায়। ইয়াৰ উপৰিও, অনুবাদ উদ্যোগ বা 'ট্ৰান্সলেশ্বন ইণ্ডাষ্ট্ৰী' গঢ়ি তোলাৰ ক্ষেত্ৰত এই স্বীকৃতিয়ে এক ডাঙৰ ভূমিকা লব পাৰে। অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ বিশ্বৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা আৰু বিশ্বৰ জ্ঞান-বিজ্ঞানৰ গ্ৰন্থসমূহ অসমীয়ালৈ অনাৰ প্ৰক্ৰিয়াটোৱে কেৱল সাহিত্যৰ ভঁৰাল চহকী কৰাই নহয়, বৰঞ্চ ই বহুতো দোভাষী, অনুবাদক আৰু প্ৰকাশকৰ বাবে কৰ্মসংস্থাপনৰ পথ মুকলি কৰিব। প্ৰকাশন উদ্যোগটোৱেও ইয়াৰ পৰা নতুন জীৱন লাভ কৰিব পাৰে। চৰকাৰী সাহায্য আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাত আমাৰ গ্ৰন্থমেলাসমূহক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰাৰ সুযোগ এতিয়া আমাৰ হাতত। যেতিয়া এটা ভাষাই অৰ্থনৈতিকভাৱে লাভজনক হৈ উঠে, তেতিয়া নতুন প্ৰজন্মই সেই ভাষা শিকিবলৈ আৰু ব্যৱহাৰ কৰিবলৈ স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি আহে। সেয়েহে, ভাষাক কেৱল আৱেগৰ বস্তু কৰি নাৰাখি, ইয়াক জীৱিকা আৰু অৰ্থনীতিৰ লগত সাঙুৰি লোৱাৰ পৰিকল্পনা আমি কৰিব লাগিব।

একবিংশ শতিকাত তথ্য আৰু প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনে ভাষাৰ জগতখনতো আমূল পৰিৱৰ্তন আনিছে। এই ডিজিটেল যুগত যিটো ভাষা ইণ্টাৰনেট আৰু আধুনিক প্ৰযুক্তিৰ লগত খাপ খাব নোৱাৰে, সেই ভাষাৰ ভৱিষ্যত আন্ধাৰ। ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ পাছত অসমীয়া ভাষাক প্ৰযুক্তিৰ ক্ষেত্ৰত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাটো আমাৰ বাবে এক অন্যতম প্ৰধান লক্ষ্য হোৱা উচিত। কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ যুগত অসমীয়া ভাষাৰ ডাটাবেছ বা তথ্যভঁৰাল চহকী কৰাটো অত্যন্ত জৰুৰী। বৰ্তমান গুগল বা অন্যান্য চাৰ্চ ইঞ্জিনত অসমীয়া ভাষাৰ সমল যথেষ্ট কম আৰু যিখিনি আছে সেয়াও সদায় নিৰ্ভুল নহয়। আমি যদি আমাৰ ভাষাটোক ভৱিষ্যতৰ ভাষা হিচাপে চাব খোজোঁ, তেন্তে আমি নিশ্চিত কৰিব লাগিব যাতে আমাৰ কম্পিউটাৰ, মোবাইল আৰু বিভিন্ন এপ্‌লিকেচনত অসমীয়া ভাষাৰ ব্যৱহাৰ সহজ আৰু ত্ৰুটিহীন হয়। ইউনিক'ডত অসমীয়া লিপিৰ স্বকীয়তা সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা কৰা, উন্নত মানৰ 'স্পীচ-টু-টেক্সট' আৰু 'টেক্সট-টু-স্পীচ' প্ৰযুক্তি বিকাশ কৰা আৰু ডিজিটেল অভিধান তথা বিশ্বকোষ প্ৰস্তুত কৰাৰ কামত আমি মনোনিৱেশ কৰিব লাগিব। ধ্ৰুপদী ভাষাৰ বাবে আবণ্টিত পুঁজি এই কাৰিকৰী গৱেষণা আৰু বিকাশৰ কামত ব্যৱহাৰ কৰিব পাৰি। আমাৰ নৱপ্ৰজন্ম যিহেতু ডিজিটেল মাধ্যমৰ ওপৰত বেছি নিৰ্ভৰশীল, তেওঁলোকক আকৰ্ষণ কৰিবলৈ হ'লে অসমীয়া ভাষাক ডিজিটেলী সবল কৰাৰ কোনো বিকল্প নাই। প্ৰযুক্তিৰ সহায়ত পুৰণি ভাষা এটাক আধুনিক ৰূপত উপস্থাপন কৰিব পাৰিলেহে ই কালজয়ী হৈ থাকিব।

শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ স্থান আৰু গুৰুত্ব পুনৰ বিবেচনা কৰাৰ বাবে ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে এক সুৱৰ্ণ সুযোগ প্ৰদান কৰিছে। বৰ্তমান সময়ত আমাৰ সমাজত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি থকা অত্যধিক মোহ আৰু অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ প্ৰতি থকা অৱহেলা এক চিন্তনীয় বিষয় হৈ পৰিছে। বহু অভিভাৱকে ভাবে যে কেৱল ইংৰাজী জানিলেহে তেওঁলোকৰ সন্তানৰ ভৱিষ্যত সুৰক্ষিত হ'ব। কিন্তু ধ্ৰুপদী ভাষাৰ মৰ্যাদাই এই ধাৰণা সলনি কৰাত সহায় কৰিব পাৰে। চৰকাৰী নীতি নিৰ্ধাৰণৰ জৰিয়তে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত অসমীয়া ভাষা শিক্ষাক অধিক আকৰ্ষণীয় আৰু বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰিব পাৰি। পুৰণি আৰু নীৰস পাঠদান পদ্ধতিৰ সলনি আধুনিক আৰু ব্যৱহাৰিক পদ্ধতিৰে ভাষা শিক্ষা দিলে ছাত্ৰ-ছাত্ৰীৰ মনত ভাষাৰ প্ৰতি ভয়ৰ সলনি ভালপোৱা জাগিব। তদুপৰি, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত মাতৃভাষাৰ মাধ্যমেৰে উচ্চ শিক্ষা লাভৰ ব্যৱস্থা কৰিলে আৰু বিভিন্ন বৃত্তিমূলক পৰীক্ষাত অসমীয়া ভাষাত উত্তীৰ্ণ হোৱাৰ সুযোগ দিলে ছাত্ৰ-ছাত্ৰীসকল স্বাভাৱিকতে নিজৰ ভাষাৰ প্ৰতি আগ্ৰহী হ'ব। ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ পাছত ৰাষ্ট্ৰীয় স্তৰৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাতো অসমীয়া ভাষাৰ গুৰুত্ব বাঢ়িব, যিয়ে পৰোক্ষভাৱে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক লাভান্বিত কৰিব। শিক্ষা কেৱল ডিগ্ৰী অৰ্জনৰ আহিলা নহয়, ই সংস্কৃতি আৰু মূল্যবোধ গঢ় দিয়াৰ মাধ্যম। সেয়েহে, নতুন প্ৰজন্মৰ তেজত নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা জগাই তোলাৰ দায়িত্ব আমাৰ শিক্ষা ব্যৱস্থাই লব লাগিব।

ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰা আৰু একে সময়তে ইয়াক গতিশীল কৰি ৰখা- এই দুয়োটা দিশৰ মাজত ভাৰসাম্য বজাই ৰখাটো বৰ্তমান সময়ৰ এক ডাঙৰ প্ৰত্যাহ্বান। ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে আমাক আমাৰ ভাষাৰ চহকী শব্দভাণ্ডাৰৰ কথা মনত পেলাই দিয়ে। আজিকালি আমাৰ দৈনন্দিন কথা-বতৰা আৰু লিখনিসমূহত অনাৱশ্যকভাৱে ইংৰাজী বা হিন্দী শব্দৰ পয়োভৰ ঘটা দেখা যায়। ইয়াৰ ফলত লাহে লাহে আমাৰ নিজৰ সুৱলা শব্দবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে। অৱশ্যে, ভাষা সদায় পৰিৱৰ্তনশীল আৰু নদীৰ দৰে প্ৰবহমান; সময়ৰ লগে-লগে নতুন শব্দ আহিবই। কিন্তু সেইবুলি নিজৰ ঘৰৰ সম্পদক অৱহেলা কৰি আনৰ সম্পদক আদৰি অনাটো কেতিয়াও যুক্তিসংগত হ'ব নোৱাৰে। আমি সচেতনভাৱে নিজৰ ভাষাৰ শুদ্ধ শব্দবোৰ প্ৰয়োগ কৰাৰ অভ্যাস গঢ়ি তুলিব লাগিব। বিশেষকৈ সংবাদ মাধ্যম, চিনেমা, নাটক আৰু সামাজিক মাধ্যমত ভাষা ব্যৱহাৰ কৰোঁতে আমি অধিক সতৰ্ক হোৱা উচিত, কাৰণ এই মাধ্যমবোৰে সমাজত ভাষাৰ আদৰ্শ প্ৰতিষ্ঠা কৰে। ধ্ৰুপদী মৰ্যাদাই আমাক এটা কথা শিকালে যে আমাৰ ভাষাৰ এটা নিজস্ব গাম্ভীৰ্য আৰু সৌন্দৰ্য আছে। সেই সৌন্দৰ্য অটুট ৰাখিবলৈ হ'লে ব্যাকৰণসন্মত আৰু শুদ্ধ ভাষা প্ৰয়োগৰ প্ৰতি আমি সজাগ হ'বই লাগিব। নৱপ্ৰজন্মক শুদ্ধ বানান আৰু উচ্চাৰণ শিকাবলৈ বিভিন্ন কৰ্মশালা আৰু আলোচনা চক্ৰৰ আয়োজন কৰা উচিত। ভাষাৰ মানদণ্ড ৰক্ষা কৰাটো কেৱল ভাষাবিদৰ কাম নহয়, ই প্ৰতিজন সচেতন নাগৰিকৰ দায়িত্ব।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটো সমন্বয় আৰু সংমিশ্ৰণৰ এক অনন্য নিদৰ্শন। বিভিন্ন জনগোষ্ঠী, জাতি আৰু সম্প্ৰদায়ৰ ভাষা-সংস্কৃতিৰ আদান-প্ৰদানেৰে অসমীয়া ভাষা সমৃদ্ধ হৈছে। ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ এই মুহূৰ্তত আমি এই সমন্বয়ৰ বাৰ্তাক অধিক শক্তিশালী ৰূপত আগুৱাই নিব লাগিব। কোনোবাই হয়তো ভাবিব পাৰে যে এই স্বীকৃতিয়ে অসমীয়া ভাষাক আন থলুৱা ভাষাসমূহৰ পৰা আঁতৰাই নিব বা ই এক আধিপত্যবাদৰ জন্ম দিব। কিন্তু প্ৰকৃততে এই ধাৰণা ভুল। বৰঞ্চ ধ্ৰুপদী মৰ্যাদাই অসমীয়া ভাষাক এক ছাতিৰ দৰে কাম কৰিবলৈ সুযোগ দিছে, যাৰ তলত অসমৰ সকলো থলুৱা ভাষা আৰু সংস্কৃতিয়ে সমান মৰ্যাদা আৰু বিকাশৰ সুযোগ পাব। জনজাতীয় ভাষাসমূহৰ পৰা শব্দ আৰু সমল গ্ৰহণ কৰি অসমীয়া ভাষাই নিজকে অধিক শক্তিশালী কৰিব পাৰে আৰু তাৰ বিনিময়ত অসমীয়া ভাষাই সেই ভাষাসমূহৰ সংৰক্ষণ আৰু বিকাশতো সহায় কৰিব পাৰে। আমাৰ লক্ষ্য হ'ব লাগে এক উমৈহতীয়া ভাষিক পৰিৱেশ গঢ়ি তোলা, য'ত পাৰস্পৰিক শ্ৰদ্ধা আৰু সহযোগিতা বিৰাজ কৰে। বৰ অসমৰ ভেটি সুদৃঢ় কৰিবলৈ হ'লে ভাষাৰ প্ৰাচীৰ ভাঙি আমি হৃদয়ৰ সাঁকো গঢ়িব লাগিব। এই স্বীকৃতিয়ে আমাক সংকীৰ্ণতাৰ পৰা ওলাই আহি এক বিশাল আৰু উদাৰ দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অসমীয়া ভাষাৰ ভৱিষ্যত কেৱল অসমীয়া ভাষী মানুহৰ ওপৰতে নিৰ্ভৰশীল নহয়, বৰঞ্চ এই ভূখণ্ডত বাস কৰা প্ৰতিজন ব্যক্তিৰ মৰম আৰু আদৰৰ ওপৰত নিৰ্ভৰশীল।

পৰিশেষত, ধ্ৰুপদী ভাষা হিচাপে অসমীয়াৰ এই নতুন যাত্ৰা নিঃসন্দেহে গৌৰৱৰ, কিন্তু পথটো সহজ নহয়। এই স্বীকৃতিয়ে আমাৰ সন্মুখত বহুতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে সঁচা, কিন্তু সেই দুৱাৰেৰে আগবাঢ়ি গৈ লক্ষ্যত উপনীত হ'বলৈ আমাৰ প্ৰয়োজন হ'ব একাগ্ৰতা, পৰিকল্পনা আৰু অদম্য ইচ্ছাশক্তিৰ। চৰকাৰ, সাহিত্য সভা, শিক্ষানুষ্ঠান আৰু জনসাধাৰণ- সকলোৱে একগোট হৈ কাম কৰিলেহে এই স্বীকৃতিৰ প্ৰকৃত সুফল আমি ভোগ কৰিব পাৰিম। কেৱল চৰকাৰী অনুদান বা আঁচনিৰ ভৰষাত বহি নাথাকি, আমি ব্যক্তিগত আৰু সামাজিক স্তৰত ভাষাৰ হকে কাম কৰিব লাগিব। ঘৰৰ ভিতৰত ল'ৰা-ছোৱালীৰ লগত অসমীয়াত কথা পতা, ভাল অসমীয়া কিতাপ পঢ়া, অসমীয়া চিনেমা-থিয়েটাৰ চোৱা আৰু সামাজিক মাধ্যমত অসমীয়া লিপি ব্যৱহাৰ কৰাৰ দৰে সৰু সৰু কামবোৰেও ভাষাৰ বিকাশত ডাঙৰ অৱদান যোগাব পাৰে। ইতিহাস আমাৰ লগত আছে, এতিয়া ভৱিষ্যত গঢ়াৰ দায়িত্ব আমাৰ। আমি এনে এক সমাজ গঢ়ি তুলিব লাগিব য'ত আধুনিকতাৰ পৰশ থাকিব কিন্তু শিপাৰ লগত সম্পৰ্ক বিচ্ছিন্ন নহ'ব। বিশ্বৰ দৰবাৰত অসমীয়া ভাষাক এক জ্ঞানগধুৰ আৰু শক্তিশালী ভাষা হিচাপে প্ৰতিষ্ঠা কৰাই আমাৰ সংকল্প হোৱা উচিত। আহক, আমি সকলোৱে মিলি এই নতুন যাত্ৰাত অংশগ্ৰহণ কৰোঁ আৰু আমাৰ প্ৰাণৰ ভাষাটোক জীয়াই ৰাখিবলৈ বদ্ধপৰিকৰ হওঁ। সময়ৰ আহ্বানক নেওচা দিয়াৰ শক্তি কাৰো নাই, কিন্তু সময়ক সঠিকভাৱে ব্যৱহাৰ কৰাৰ শক্তি আমাৰ হাতত আছে। এই শক্তিক কামত লগাই অসমীয়া ভাষাক চিৰযুগমীয়া কৰি তোলাটোৱেই হ'ব ধ্ৰুপদী স্বীকৃতিৰ প্ৰতি আমাৰ শ্ৰেষ্ঠ সন্মান।

## কৃত্ৰিম বানপানী এতিয়া য'তে-ততে সৃষ্টি হৈছে

সম্পাদক ডাঙৰীয়া,

কৃত্ৰিম বানপানী এতিয়া য'তে-ততে সৃষ্টি হৈছে। প্ৰকৃতিৰ যিটো সময় সেই সময়তে বৰষুণ আহিব ই। কিন্তু আগৰ দৰে প্ৰকৃতিৰ বুকুখন জানো আছে? আজি প্ৰকৃতিৰ গছ গছনিৰে ভৰা পাহাৰ নাই। যাৰ বাবে অলপ ধুমুহা বৰষুণত পাহাৰৰ মাটি খহি আহে। মানুহ সৃষ্ট যতে ততে প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা বাবে বাট পথৰ নলা বন্ধ থাকে। চহৰ-নগৰ হিচাপে দুয়ো কাষে নলা সুন্দৰভাৱে থাকিব লাগে। পানী বোৰ কৰ পৰা কেনেকৈ গৈ ক'ত পৰিব। তাকো ধুনীয়াকৈ পৰিকল্পনা কৰিব লাগে। এনেকুৱা হ'ব লাগে বাট পথ থাকিলে নলা থাকিবই লাগিব। এতিয়া বান পানী পথাৰত নাই। কিন্তু চহৰে-নগৰে পানী আৰু পানী। অকল গুৱাহাটীতেই নহয় মায়ানগৰীটো ৰাষ্টাত পানী। ইয়াৰ পিছত গাঁৱবোৰতো কৃত্ৰিম বানপানীয়ে দেখা দিছে। নগৰৰ দৰে মানুহে ঘৰ দুৱাৰ ওখ ওখ কৰি সাজিবলৈ লৈছে। ৰাতিপুৱা উঠি নিজৰ পদূলিটোত খোজ দিব নোৱাৰে। পানী আৰু পানী। নিজেই নলা বন্ধ কৰি থৈছে। ক'ৰ পানী কতো যাব নোৱাৰে। য'ৰে পানী ত'তে শুকাব লাগিব। এতিয়া যেন এটা পৰিৱেশত উপস্থিত হৈছোঁ। কিছু মানুহৰ মানসিকতা বহুত বেয়া হৈ আহিছে। অলপো আনৰ অসুবিধা বুজিবলৈ চেষ্টা নকৰে। অকল নিজৰ বাবে জানে বুজে। এনেধৰণৰ মানুহে নিজৰ ল'ৰা ছোৱালীক কি ভাল আদৰ্শ দেখুৱাব। সাধাৰণ কথাবোৰ যদি গুৰুত্ব নে দিয়ে। ইঘৰ লগত সিঘৰৰ আলোচনা কৰি পানী যাব ব্যৱস্থা কৰিব নোৱাৰে। ভৱিষ্যতে নো কি কাম কৰিব? আজি গুৱাহাটী চহৰলৈ যাব ভয় লগা হ'ল। হঠাতে যদি বৰষুণ আহে কি অৱস্থা হয় ঠিক নাই। নলা থাকিলেও ইমান বোৰ পানী যাবলৈ সময় লাগে। পানীৰ সোঁত দেখি ভয় লাগে। মানুহ গাড়ী টানি লৈ যায়। এনেধৰণে ইতিমধ্যে বহু মানুহ নলাত সোমাই মৃত্যু মুখত পৰিছে। গতিকে বৰষুণ আহিলে সাৱধান। কিয়নো মানুহে কষ্ট পায়ে। যান বাহন বোৰ বেয়া হৈ যায়। এই ক্ষেত্ৰত আকৌ এটা কথা ক'বলৈ মন যায়। এই নলাবোৰত দুয়ো কাষে লোৰ বেৰ দিব লাগে। যাতে পানী সৰকি যায়। যান-বাহন মানুহ নলাত পৰিব নোৱাৰে। কৃত্ৰিম বানপানীৰ ৰক্ষা পাবলৈ হ'লে চৰকাৰে উন্নত মানৰ নলাৰ ব্যৱস্থা ল'ব লাগিব। যিটো সকলোতে হ'ব লাগিব। নহ'লে ৰক্ষা নাই। নহ'লে প্ৰতি বছৰে এই হাৰাহাস্তি হৈ পায় থাকিব লাগিব।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

## 'প্ৰান্তিক'ৰ 'কেৰিয়াৰ' শিতান: সময়োপযোগী আৰু প্ৰশংসনীয় পদক্ষেপ

সম্পাদক মহোদয়,

আজিৰ দ্ৰুত পৰিৱৰ্তনশীল বিশ্বত কেৰিয়াৰৰ ক্ষেত্ৰখন অভূতপূৰ্বভাৱে সম্প্ৰসাৰিত হৈছে। প্ৰতিদিনে নতুন নতুন বৃত্তি, পাঠ্যক্ৰম আৰু প্ৰযুক্তিৰ উন্মেষে শিক্ষাৰ্থীসকলৰ বাবে অসংখ্য সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। কিন্তু সুযোগ বৃদ্ধি পোৱাৰ লগে লগে কেৰিয়াৰ নিৰ্বাচনক কেন্দ্ৰ কৰি বিভ্ৰান্তি আৰু অনিশ্চয়তাও বৃদ্ধি পাইছে। উপযুক্ত তথ্য আৰু নিৰ্দেশনাৰ অভাৱত বহু শিক্ষাৰ্থীয়ে নিজৰ আগ্ৰহ, দক্ষতা আৰু ব্যক্তিত্বৰ লগত সামঞ্জস্য নথকা কেৰিয়াৰ বাছনি কৰে। ইয়াৰ ফলত তেওঁলোক হতাশ হয়, মূল্যৱান সময় অপচয় হয় আৰু ভৱিষ্যৎ জীৱনত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

এনে পৰিস্থিতিত সঠিক, নিৰপেক্ষ আৰু তথ্যভিত্তিক কেৰিয়াৰ পৰামৰ্শৰ প্ৰয়োজনীয়তা আগতকৈও অধিক বৃদ্ধি পাইছে। এই দিশটো প্ৰতি লক্ষ্য ৰাখি অসমৰ অন্যতম জনপ্ৰিয় আলোচনী প্ৰান্তিকে ২০২৬ চনৰ ১৬—৩১ জুলাই সংখ্যাৰ পৰা 'কেৰিয়াৰ' নামৰ এটা শিতান আৰম্ভ কৰিছে, যিটো নিঃসন্দেহে এক সময়োপযোগী আৰু প্ৰশংসনীয় পদক্ষেপ। এই শিতানৰ জৰিয়তে শিক্ষাৰ্থী আৰু যুৱক-যুৱতীসকলে বিভিন্ন কেৰিয়াৰ, উচ্চ শিক্ষা, দক্ষতা বিকাশ, নিয়োগৰ সুযোগ আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে নিৰ্ভৰযোগ্য তথ্য লাভ কৰে যেন। এই মহৎ উদ্যোগৰ বাবে 'প্ৰান্তিক'ৰ সম্পাদকমণ্ডলীলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছোঁ। আশা কৰিছোঁ, এই শিতানে অসমৰ যুৱ সমাজক সঠিক কেৰিয়াৰ নিৰ্বাচনত সহায় কৰাৰ লগতে তথ্যসমৃদ্ধ আৰু সচেতন সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

যদি এই শিতানত নিয়মিতভাৱে বিভিন্ন কেৰিয়াৰ বিকল্প, প্ৰয়োজনীয় শিক্ষাগত যোগ্যতা, দক্ষতা, কৰ্মসংস্থাপনৰ সম্ভাৱনা, বৃত্তি, প্ৰশিক্ষণ, চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ সুযোগসমূহৰ বিষয়ে বিস্তৃত তথ্য প্ৰকাশ কৰা হয়, তেন্তে শিক্ষাৰ্থী আৰু অভিভাৱক দুয়ো উপকৃত হ'ব। লগতে দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়, শিক্ষানুষ্ঠান, বৃত্তিমূলক প্ৰতিষ্ঠান আৰু বিভিন্ন উচ্চ শিক্ষাৰ সুযোগসমূহৰ বিষয়ে তথ্যসমৃদ্ধ প্ৰবন্ধ প্ৰকাশ কৰিলে শিক্ষাৰ্থীসকলে নিজৰ লক্ষ্য আৰু সামৰ্থ্য অনুসৰি উপযুক্ত শিক্ষানুষ্ঠান বাছনি কৰাত সুবিধা লাভ কৰিব। ইয়াৰ লগতে UPSC, APSC, SSC, NEET, JEE, CUET, GATE, CAT আদি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেদৰে পৰিকল্পিতভাৱে প্ৰস্তুতি চলাব লাগে, সেই বিষয়ে নিয়মীয়া দিহা-পৰামৰ্শ প্ৰকাশ কৰিলে শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস বৃদ্ধি পাব। এই পৰীক্ষাসমূহত সফল হোৱা শিক্ষাৰ্থী আৰু বিষয়বিশেষজ্ঞসকলৰ সাক্ষাৎকাৰ, অভিজ্ঞতা আৰু সফলতাৰ কাহিনী প্ৰকাশ কৰিলে সেয়া আন বহু শিক্ষাৰ্থীৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিব।

বৰ্তমান বহু আলোচনী, বাতৰি কাকত আৰু ডিজিটেল মাধ্যমত বিজ্ঞাপনৰ বেশত কেৰিয়াৰ সম্পৰ্কীয় তথ্য প্ৰকাশ কৰা হয়। এনে তথ্য প্ৰায়ে অসম্পূৰ্ণ, পক্ষপাতদুষ্ট বা ব্যৱসায়িকভাৱে প্ৰেৰিত হয়, যিয়ে শিক্ষাৰ্থী আৰু অভিভাৱকক বিভ্ৰান্ত কৰাৰ সম্ভাৱনা থাকে।

আশা কৰিছোঁ, 'প্ৰান্তিক' আলোচনীয়ে কেৰিয়াৰ বিষয়ক জনসচেতনতা বৃদ্ধি আৰু তথ্যপ্ৰচাৰৰ এই দায়িত্ব সফলতাৰে পালন কৰি অসমৰ শিক্ষাৰ্থী, যুৱ সমাজ আৰু অভিভাৱকসকলৰ বাবে এক নিৰ্ভৰযোগ্য আৰু সহায়ক মাধ্যম হিচাপে আত্মপ্ৰকাশ কৰিব। লগতে এই উদ্যোগে আন আলোচনী আৰু সংবাদ মাধ্যমসমূহকো কেৰিয়াৰ বিষয়ক নিয়মীয়া শিতান আৰম্ভ কৰিবলৈ অনুপ্ৰাণিত কৰিব।

*ড° বুলজিৎ বুঢ়াগোহাঁই*
*আজাৰা, গুৱাহাটী- ৭৮১০১৭*
*ফোন: ৯৪৩৫১৮৮৬৩০*

## আহাৰ মাহৰ সেউজী সুৱাস

**অ**সমৰ গ্ৰামাঞ্চলৰ অৰ্থনীতি আৰু চহা জীৱনৰ বাবে আহাৰ-শাওন এই মাহদুটা অতি গুৰুত্বপূৰ্ণ। বতৰৰ সঘন পৰিৱৰ্তন যেনে- এই গৰম, সেমেকা বতৰ, হঠাতে বতৰ গোমা হৈ প্ৰবল বৃষ্টিপাত। সেউজীয়া পথাৰৰ সতেজতা আৰু খেতিয়কৰ ব্যস্ততাই এই মাহটোৰ নান্দনিকতা প্ৰকাশ কৰে। চাৰিওফালৰ সেউজীয়া পৰিৱেশে মনত এক অনাবিল শান্তিৰ সৃষ্টি কৰে। এই মাহটো খেতিৰ মূল বতৰ। ৰ'দত পুৰি, বৰষুণত বুৰি হ'লেও কৃষকে পথাৰত কঠীয়া ৰোৱাৰ বাবে ব্যস্ত হৈ পৰে। চহা জীৱনৰ সোণোৱালী সপোন ৰচাৰ মূল সময় এই আহাৰেই। আহাৰ মহীয়া বোকাময় পথাৰত কৃষকৰ যেন ব্যস্ততাৰ অন্ত নাই। কেঁচা মাটিৰ গোন্ধ, ৰ'দ-বৰষুণৰ সংমিশ্ৰণ, ৰোৱনি, পথৰুৱাৰ মিশ্ৰিত কোলাহল আৰু ব্যস্ততাই আঘোনৰ পথাৰ মুখৰিত কৰি তোলে। আহাৰ মাহ মানেই বৰষুণৰ টুপটুপনি আৰু সেউজীয়া পথাৰৰ ব্যস্ততা। কেতিয়াবা প্ৰখৰ ৰ'দ আৰু কেতিয়াবা ধাৰাসাৰ বৰষুণ, ইয়াৰ মাজতো পথাৰত বোকা-পানী একাকাৰ কৰি ব্যস্ত হৈ পৰা চহা কৃষক সকলৰ মনত অপাৰ আনন্দই বিৰাজ কৰে। প্ৰখৰ ৰ'দ আৰু ভৰ দুপৰীয়াৰ গৰমকো নেওচি পথাৰত ব্যস্ত হৈ পৰা আমাৰ অন্নদাতাসকল (কৃষক) হৈছে সমাজৰ প্ৰাণকেন্দ্ৰ। কঠোৰ পৰিশ্ৰম আৰু গাৰ ঘাম মাটিত পেলাই তেওঁলোকে ঘৰখনৰ বাবে বছৰটো জোখাৰে তথা অনা খেতিয়ক সকলৰ বাবেও অন্নৰ যোগান ধৰে। প্ৰকৃতিৰ প্ৰতিকূল পৰিস্থিতিকো নেওচি তেওঁলোকে নিজৰ কৰ্তব্য পালন কৰি যায়। 'আহাৰৰ বাৰিষা, ভঁৰালৰ আশা'- এই বাক্যশাৰীয়েই মাহটোৰ কৃষিভিত্তিক গুৰুত্বৰ কথা প্ৰমাণ কৰে। এই কৃষি কৰ্ম পুৰুষানুক্ৰমে চলি অহা এক পৰম্পৰা আৰু ই সংস্কৃতিৰো ভিতৰুৱা। খেতিয়কৰ এই কঠোৰ পৰিশ্ৰম, সেউজ প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য আৰু ব্যস্ততাৰ মাজতেই লুকাই আছে অসমীয়া কৃষক জীৱনৰ প্ৰকৃত মাদকতা। আহাৰ-শাওন মাহ হ'ল কৃষকৰ বাবে সেউজীয়া সপোন ৰচনা কৰাৰ বতৰ। এই দিনকেইটাত পথাৰৰ বোকা- পানীতেই খেতিয়কৰ দিন-ৰাতি একাকাৰ হৈপৰে। আহাৰ মাহৰ পথাৰ মানেই এক সেউজীয়া সপোন। এই সময়ত পথাৰবোৰ কঠীয়াৰ সেউজীয়া আভাৰে ভৰি পৰে।

আহাৰ মাহৰ প্ৰখৰ ৰ'দ -বৰষুণৰ মাজতেই লুকাই থাকে খেতিয়কৰ সপোন। কৃষকৰ পৰিশ্ৰমে সেউজীয়া কৰি ৰাখে প্ৰতিখন পথাৰ। আহাৰ মাহ মানেই মাটিৰ সৈতে নতুন সম্পৰ্ক, সেউজীয়া আশা আৰু কৃষকৰ ঘামেৰে লিখা জীৱন কাহিনী। আহাৰ মাহৰ নান্দনিকতা কেৱল প্ৰকৃতিতেই দৃশ্যমান নহয় বা সীমাবদ্ধ নহয়, ই মানুহৰ জীৱন জীৱিকা আৰু আশাৰো প্ৰতীক।

*নিবেদিতা হাজৰিকা*
*লখিমপুৰ*

# সদ্যঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ গোলাঘাটৰ এনিশা শইকীয়া

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** সদ্যঘোষিত সৰ্বভাৰতীয় পৰ্য্যায়ৰ NEET পৰীক্ষাত ৯৩.৬৮ শতাংশ নম্বৰ লাভ কৰি সফলতাৰে উত্তীৰ্ণ হৈছে গোলাঘাটৰ খুমটাই সমষ্টিৰ ৰঙাজানৰ কুৰুকা গাঁৱৰ এনিশা শইকীয়াই। গাঁওখনৰ নিবাসী বাবুল শইকীয়া আৰু সংগীতা শইকীয়াৰ একমাত্ৰ কন্যা এনিশা শইকীয়াই সৰ্বভাৰতীয় পৰ্য্যায়ৰ পৰীক্ষাত ৯৩.৬৮ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অঞ্চলটোৰ পৰা সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰথম গৰাকী ছাত্ৰী হিচাপে পৰিগণিত হৈছে। এনিশা শইকীয়াৰ এই সাফল্যত উৎফুল্ল হৈ পৰিছে তেখেতৰ পিতৃ মাতৃ, ওচৰ চুবুৰীয়াৰ লগতে গোলাঘাট বাসী ৰাইজ। ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ ৰাইজৰ সেৱা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে এনিশাৰ।

# ডিব্ৰুগড় জিলাত নৱ-ভাৰত স্বাক্ষৰতা আঁচনি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ জুলাই ঃ** অসম চৰকাৰৰ অধীনত ডিব্ৰুগড় জিলাত নব-ভাৰত সাক্ষৰতা আঁচনিৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ ক্ৰমে- জয়পুৰ, খোৱাং, বৰবৰুৱা, টেঙাখাট, আৰু লাহোৱালৰ প্ৰতিটো শিক্ষাখণ্ডৰ অধীনত নিৰক্ষৰ পোন্ধৰ বছৰৰ ওপৰৰ প্ৰাপ্তবয়স্ক সকলৰ চিনাক্তকৰণৰ জৰীপ চলাই থকা হৈছে। বিদ্যালয়ৰ সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ মৰ্মে প্ৰতিটো শিক্ষাখণ্ডৰ অধীনত প্ৰাপ্তবয়স্কৰ শিক্ষা বিভাগৰ পৰ্যবেক্ষক সকলে নিৰক্ষৰ সকলৰ জৰীপ চলাই আছে। ডিব্ৰুগড় জিলাৰ খোৱাং তিলৈ চাহ বাগিচাৰ অধীনত প্ৰাপ্তবয়স্ক বয়স্কৰ শিক্ষা বিভাগৰ জিলা সমন্বয়ক হেমন্ত হাজৰিকাৰ নেতৃত্বত প্ৰশিক্ষণ দিয়া হয়। জিলাৰ পৰ্যবেক্ষক গুনীন শেনচোৱা, চান্দনিল ফুকন, সহকাৰী সমন্বয়ক অনিল প্ৰসাদ সিংহ। তিলৈ চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্যামলাল উৰাঙ আদি উপস্থিত থাকে।

## গোলাঘাটৰ শ্মশানত চুৰিকাণ্ড

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** গোলাঘাট নগৰত দিনক দিনে বৃদ্ধি পাব ধৰিছে চুৰিকাণ্ডৰ ঘটনা। এইবাৰ চোৰৰ লক্ষ্য হৈ পৰিছে শ্মশান। যোৱানিশা গোলাঘাট নগৰৰ ধনশিৰি নদীৰ কাষত অৱস্থিত মাৰোৱাৰী শ্মশানত চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। নিশা শ্মশানৰ দেৱাল পাৰ হৈ গুদামৰ তলা ভাঙি চোৰে পিতলৰ সামগ্ৰী, পানী টেপ, ঘাঁহ কটা মেচিন, গেছৰ চিলিণ্ডাৰ আদিৰ লগতে বিভিন্ন সা-সামগ্ৰী চুৰি লৈ যায়। পোৱা শ্মশানৰ চকীদাৰ আহি সন্মুখৰ গেটৰ তলা খুলি ভিতৰলৈ সোমাই যোৱাৰ পাছত এই দৃশ্য প্ৰত্যক্ষ কৰে। এই সম্পৰ্কে শ্মশান পৰিচালনা সমিতিয়ে ইতিমধ্যে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

# বৰপেটা জিলাত ১৫ দিনীয়া সমষ্টি ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা উদ্বোধন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৯ জুলাই ঃ** অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰৰ উদ্দেশ্যে মঙলবাৰে বৰপেটা জিলাৰ বিভিন্ন স্থানত ১৫ দিনীয়া সমষ্টি ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা ২০২৬ উদ্বোধন কৰা হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বৰপেটা জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই কৰ্মশালাসমূহ জিলাখনৰ বিভিন্ন কেন্দ্ৰত পৰৱৰ্তী ১৫ দিন ধৰি চলিব আৰু এই কৰ্মশালা সমূহত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰী সকলে অংশগ্ৰহণ কৰিব পাৰিব। এইবেলি লোকনৃত্য, লোকগীত, ভূপেন্দ্ৰ সংগীত, নাটক, চাৰু আৰু কাৰু কলা, মুখাশিল্প আৰু টেৰাকোটা, যোগ আৰু সমৰকলা আদি বিভিন্ন ক্ষেত্ৰক সামৰি জিলাখনত মুঠ ৯টা কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাসমূহৰ উদ্বোধনী অনুষ্ঠানসমূহত বৰপেটা উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ অনিল দাস, বিশিষ্ট শিক্ষাবিদ তথা নাট্যশিল্পী বিবেকৰঞ্জন ৰায়চৌধুৰী, সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰী আৰু বৰপেটাৰ সাংস্কৃতিক উন্নয়ন বিষয়া বিদ্যুৎ বিকাশ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই বৰ্ষৰ কাৰ্যসূচীত এক বিশেষ সংযোজন হিচাপে 'সত্ৰনগৰী' বৰপেটাত মুখাশিল্প আৰু টেৰাকোটাৰ কৰ্মশালা আৰম্ভ কৰা হৈছে, যাতে ছাত্ৰ-ছাত্ৰীসকলে অসমৰ এই গভীৰ সাংস্কৃতিক তাৎপৰ্যপূৰ্ণ পৰম্পৰাগত কলা আয়ত্ত কৰিব পাৰে। ইয়াৰ লগতে, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি মন্দিয়াত ভূপেন্দ্ৰ সংগীতৰ এখন বিশেষ কৰ্মশালা আয়োজন কৰা হৈছে। আনহাতে, ভাৰতৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰি চেঙাত যোগ আৰু সমৰকলাৰ কৰ্মশালা অনুষ্ঠিত হৈছে। পৰম্পৰাগত লোকসংগীতৰ প্ৰসাৰৰ বাবে বৰপেটা ৰোডত গোৱালপৰীয়া লোকগীত, কামৰূপী লোকগীত আৰু নাওখেলৰ গীতৰ কৰ্মশালা আয়োজন কৰা হৈছে। নৱপ্ৰজন্মৰ মাজত সৃজনীশীলতা বিকাশৰ লক্ষ্যৰে ধৰ্মপুৰ আৰু মন্দিয়াত চাৰু-কাৰু কলাৰ লগতে পকাবেতবাৰীত নাটকৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ইফালে, বৰপেটাত অনুষ্ঠিত লোকনৃত্যৰ কৰ্মশালাত বিহু, বগৰুম্বা আৰু কুশান আদি অসমৰ জীৱন্ত পৰম্পৰাগত নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। নৱপ্ৰজন্মৰ মাজত কলা-সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা, শৈল্পিক প্ৰতিভাৰ বিকাশ সাধন কৰা আৰু অসমৰ সাংস্কৃতিক পৰম্পৰাৰ সৈতে তেওঁলোকৰ এক সুদৃঢ় সম্পৰ্ক গঢ়ি তোলাৰ লক্ষ্যৰেই এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। ৰাইজৰ অংশগ্ৰহণ আৰু সহযোগিতাত জিলাখনৰ সাংস্কৃতিক ঐতিহ্য ভৱিষ্যত প্ৰজন্মৰ বাবে জীয়াই ৰখাৰ এই প্ৰয়াস নিশ্চিতভাৱে ফলপ্ৰসূ হ'ব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু বৰপেটা জিলা প্ৰশাসনে এনে অৰ্থপূৰ্ণ পদক্ষেপৰ জৰিয়তে কলা, সংস্কৃতি আৰু যুৱপ্ৰজন্মৰ সক্ৰিয় অংশগ্ৰহণক উদগনি যোগোৱাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ দোঁহাৰিছে।

# অনুপম শইকীয়া আৰু উষাশ্ৰী দাসৰ দ্বৈত কণ্ঠত "মৰমৰ বৰষুণ" শীৰ্ষক আধুনিক গীতৰ শুভমুক্তি

**অসম বাৰ্তা, হাজো, ১৯ জুলাই ঃ** হাজো প্ৰেছ ক্লাৱত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়া আৰু উষাশ্ৰী দাসৰ এটি গীতৰ শুভমুক্তি কৰা হয়। আজি দিনৰ বাৰ বজাত হাজো প্ৰেছ ক্লাবত অনুষ্ঠিত গীত উন্মোচনী অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়া আৰু উষাশ্ৰী দাসে। হাজো অভয়পুৰ নিবাসী কণ্ঠশিল্পী উষাশ্ৰী দাসে এটি মৃদু পৰশতে ভিজা হৃদয়ৰ কথাৰে কণ্ঠদান কৰা "মৰমৰ বৰষুণ" শীৰ্ষক গীতটিৰ সকলোৰে প্ৰশংসা কৰিছে। গীতটিৰ কথা আৰু সুৰ পলাশ পৰাণৰ, সংগীত কুকিল সিংহ, সংগীত পৰিচালনা পল্লৱ বৰা, সংগীত উপদেষ্টা জয়ন্তজীৎ ভৰালীৰ। হাজো প্ৰেছ ক্লাবৰ সম্পাদক দিপাংকৰ মজুমদাৰে আঁত ধৰা অনুষ্ঠানটিত জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়াৰ তেখেতৰ এটি জনপ্ৰিয় গীতৰে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কণ্ঠশিল্পী জ্যোতিপল, পলাশ পৰাণ বৰা, উৎপল শইকীয়া, পৰাণ কমল, পল্লৱ বৰা, মুকুট জান, গিৰিন্দ্ৰ কলিতা, ফুকন দাস, হাজো প্ৰেছ ক্লাবৰ সাংবাদিক সকলৰ উপৰিও প্ৰায় অৰ্ধশতাধিক লোক উপস্থিত থাকে।

# ধৰ্মপ্ৰাণ মহিলা অনিমা চুতীয়া পৰলোকপ্ৰাপ্তি; নামতিত গভীৰ শোকৰ ছাঁ

**অসম বাৰ্তা, চেলেংহাট, ১৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ গণক অভয়পুৰীয়াৰ গাঁওপ্ৰধান ধ্ৰুৱজ্যোতি চুতীয়াৰ মাতৃ ধৰ্মপ্ৰাণ মহিলা অনিমা চুতীয়া (৬৫) ৰ যোৱা নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি হয়। অমায়িক মহিলাগৰাকীৰ মৃতদেহ আজি টিঙিৰিপাম কঁহাৰ গাঁৱৰ বাসগৃহ আহি পোৱাৰ লগে লগে অগণন গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত অনিমা চুতীয়াই তিনিজন পুত্ৰ, দুগৰাকী বোৱাৰী আৰু নাতিনীৰ লগতে বহু আত্মীয় স্বৰ্জনক ইহ-সংসাৰত এৰি থৈ গৈছে। আনহাতে, অনিমা চুতীয়াৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

**নগদ ধন, বিলাসী বাহন সহ এজন সৰবৰাহকাৰী আটক**

# জাগুনত আৰক্ষীৰ নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযান




**অসম বাৰ্তা বিশেষ, জাগুন, ১৯ জুলাই ঃ** তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানা আৰু জাগুন আৰক্ষী চকীৰ অন্তৰ্গত জাগুনত আজি আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত এজন সৰবৰাহকাৰী আটক কৰে। আটকাধিন সৰবৰাহকাৰীজন জাগুনৰ ৰাজেন চাৰুকীয়া বুলি জানিব পৰা গৈছে। ৰাজেন চাৰুকীয়াৰ পৰা আৰক্ষীয়ে মোটা পৰিমাণৰ নগদ ধন, নিষিদ্ধ ড্ৰাগছ, এখন চাৰিচকীয়া বাহন আৰু এখন মটৰচাইকেল জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে সদৰি কৰা অনুসৰি জব্দকৃত নগদ ধনৰ পৰিমাণ ডেৰ লক্ষাধিক, ২৪.৩৭ গ্ৰাম ড্ৰাগছ, এ, এছ ০৪এ ৮৯৯১নম্বৰৰ এখন আইটেন বাহন আৰু এ, এছ ২৩এ, ই ০২৩৯ নম্বৰৰ এখন স্কুটি উদ্ধাৰ কৰা হৈছে। আনহাতে ৰাজেন চাৰুকীয়াৰ এই ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত তেখেতৰ পত্নী বৰষা চাৰুকিয়া আৰক্ষীৰ উপস্থিতিৰ উমান পাই নিজ গৃহৰ পিছ দুৱাৰেদি পলায় যাবলৈ সক্ষম হয় বুলি আৰক্ষীৰ সূত্ৰে জানিবলৈ দিয়ে। লেখাপানী আৰু জাগুন আৰক্ষীৰ ড্ৰাগছ বিৰোধী এই সমগ্ৰ অভিযানত এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই নেতৃত্বত প্ৰদান কৰে।

# কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ সম্প্ৰসাৰণ কাৰ্যসূচী পৰ্যালোচনা কৰিলে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ জুলাই ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ উপাচাৰ্য অধ্যাপক দীপজ্যোতি ৰাজখোৱাই দেওবাৰে তিনিচুকীয়াৰ কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলাখনৰ কৃষক সমাজক শক্তিশালী কৰাৰ লক্ষ্যৰে কেন্দ্ৰটোৰ দ্বাৰা চলি থকা সম্প্ৰসাৰণমূলক কাম-কাজ আৰু প্ৰযুক্তি প্ৰসাৰৰ কাৰ্যসূচীসমূহ পৰ্যালোচনা কৰাই আছিল এই ভ্ৰমণৰ মূল উদ্দেশ্য। উপাচাৰ্যগৰাকীক সংগ দিয়ে অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালকৰ সহযোগী তথা উপাচাৰ্যৰ বিশেষ কৰ্তব্যৰত বিষয়া ড° মৃণাল শইকীয়াই। তেওঁলোকক কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ ভাৰপ্ৰাপ্ত মুৰব্বী ড° গায়ত্ৰী দেউৰী ভূএগ্ৰা আৰু কেন্দ্ৰটোৰ বিজ্ঞানী তথা কৰ্মচাৰীসকলে আদৰণি জনায়। ভ্ৰমণকালত উপাচাৰ্যগৰাকীয়ে কৃষি বিজ্ঞান কেন্দ্ৰই ৰূপায়ণ কৰা বিভিন্ন প্ৰযুক্তি প্ৰদৰ্শনী কাৰ্যসূচীৰ পৰ্যালোচনা কৰে আৰু কৃষক-কেন্দ্ৰিক সম্প্ৰসাৰণ সেৱাসমূহ প্ৰসাৰৰ বাবে বিজ্ঞানী আৰু কৰ্মচাৰীসকলৰ প্ৰচেষ্টাক শলাগ লয়। ভ্ৰমণলৈ অহা কৃষক আৰু অন্যান্য হিতাধিকাৰীসকলৰ সুবিধাৰ্থে কেন্দ্ৰটোৰ গুৰুত্বপূৰ্ণ সাফল্য, প্ৰযুক্তি আৰু সফলতাৰ কাহিনী প্ৰদৰ্শন কৰিবলৈ এক আকৰ্ষণীয় তথা তথ্যসমৃদ্ধ ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কৃষি বিজ্ঞান কেন্দ্ৰটোক উৎপাদনৰ সম্ভাৱনীয়তা, বজাৰৰ চাহিদা আৰু কৃষকৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি জিলাখনৰ বাবে উপযোগী শস্য বা সামগ্ৰীসমূহৰ ওপৰত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। আধুনিকীকৰণৰ গুৰুত্ব দোহাৰি তেওঁ দক্ষতা আৰু সেৱাৰ পৰিসৰ বৃদ্ধিৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰৰ কাম-কাজসমূহৰ ডিজিটেলকৰণ, নথিপত্ৰ ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ সেৱাসমূহক অধিক কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। উপাচাৰ্যগৰাকীয়ে কৃষি বিজ্ঞান কেন্দ্ৰটোৰ কাঠফুলাৰ বীজ উৎপাদন কেন্দ্ৰটোও পৰিদৰ্শন কৰে আৰু এই পদক্ষেপৰ প্ৰশংসা কৰে। নিবনুৱা সমস্যা সমাধান আৰু কৃষি আয় বৃদ্ধিৰ উপায় হিচাপে জিলাখনত, বিশেষকৈ মহিলা কৃষকসকলৰ মাজত কাঠফুলা খেতিৰ প্ৰসাৰ ঘটাবলৈ তেওঁ কেন্দ্ৰটোক উৎসাহিত কৰে। ড° মৃণাল শইকীয়াই কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ চলিত কাম-কাজৰ শলাগ লয় আৰু প্ৰযুক্তি প্ৰসাৰৰ কাৰ্যসূচীসমূহ অধিক শক্তিশালী কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ভ্ৰমণকাৰী দলটোত থকা অসম কৃষি বিশ্ববিদ্যালয়-চি পি চি আৰ এছৰ মুখ্য বিজ্ঞানী ড° ৰাজকুমাৰ কাকতি আৰু যোৰহাটস্থিত সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ জ্যেষ্ঠ বিজ্ঞানী ড° ৰূপজ্যোতি বৰাই কেন্দ্ৰটোৰ বিজ্ঞানী আৰু কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে আৰু কেন্দ্ৰটোৰ সম্প্ৰসাৰণ আৰু প্ৰযুক্তি হস্তান্তৰ কাৰ্যসূচীসমূহ আৰু উন্নত কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ড° গায়ত্ৰী দেউৰী ভূএগ্ৰাই আগবঢ়োৱা শলাগৰ শৰাইৰে এই ভ্ৰমণ কাৰ্যসূচীৰ সামৰণি পৰে। তেওঁ কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ ভৱিষ্যত উন্নয়নৰ বাবে দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে ভ্ৰমণকাৰী বিশিষ্ট ব্যক্তিসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডুমডুমাত গ্ৰীষ্মকালীন ফুটবল আৰু ভলীবল প্ৰশিক্ষণৰ সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ জুলাই ঃ** ডুমডুমা ক্ৰীড়া সন্থাৰ উদ্যোগত ডুমডুমা নগৰ খেলপথাৰত যোৱা তিনি জুলাইৰ পৰা ১৫ বছৰ অনুৰ্ধ্বৰ খেলুৱৈসকলৰ বাবে অনুষ্ঠিত হোৱা ফুটবল আৰু ভলীবল প্ৰশিক্ষণৰ আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। আজি বিয়লি অনুষ্ঠিত সামৰণি অনুষ্ঠানত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উপস্থিত খেলুৱৈ, সংগঠক আৰু ৰাইজক উদ্দেশ্যি দিয়া ভাষণত বিধায়ক গোৱালাই ডুমডুমা বিধানসভা সমষ্টিত ক্ৰীড়াৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে আৰু এই ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। তেওঁ আৰু কয় যে আগন্তুক ডেৰ দুই বছৰৰ ভিতৰত ডুমডুমাত ক্ৰীড়াৰ আন্তঃগাঁথনিত এক আমূল পৰিৱৰ্তন সাধন হ'ব। এই অনুষ্ঠানতে ডুমডুমা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা বিধায়ক ৰূপেশ গোৱালাক এখন চেলেং চাদৰ, এটা স্মাৰক আৰু এখন সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজিৎ মৰাণেও শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ডুমডুমাৰ জ্যেষ্ঠ সাংবাদিক তথা সমাজকৰ্মী অৰ্জুন বৰুৱা, জ্যেষ্ঠ সাংবাদিক অনুজ কলিতা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল, ডুমডুমা ক্ৰীড়া সন্থাৰ সম্পাদক ৰাণা সোণাৰ, ফুটবল সম্পাদক ৰাহুল ফুকন, ভলীবল সম্পাদক শিউ গোপাল জয়ছোৱাল, অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক অচিন্ত্য মেধি, ডুমডুমা পৌৰসভাৰ পাঁচ নং ৱাৰ্ডৰ পাৰিষদ নয়ন ডেকা, সাংবাদিক অভিজিৎ খাটনিয়াৰ, মনোজ বৰুৱা, ললিত তাঁতী, কৰন তাঁতী, অজয় ঠাকুৰ, নিৰ্মল বড়া, সুৰজিৎ চৌধুৰী, সমাজকৰ্মী সুৰজিৎ বড়া, অকন ডেকা, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ শিবিৰত এশৰো অধিক প্ৰশিক্ষাৰ্থীয়ে ফুটবল আৰু ভলীবলৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। ফুটবলৰ প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে- শক্তি মৰাণ, বিবেক কন্দ, সীমান্ত মৰাণ, বিবেক তাঁতী, ৰোহিত চুৰিণ আৰু বিবেক ভূজেলে আৰু ভলীবলৰ প্ৰশিক্ষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৱৈ শিউ গোপাল জয়ছোৱালে। আজিৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰে বিধায়ক ৰূপেশ গোৱালা আৰু উপস্থিত অন্যান্য অতিথিসকলে।

**বিধায়ক ৰমাকান্ত দেউৰীক সভাপতি, মৃদুল কুমাৰ শৰ্মা, যোগেন মেধিক কাৰ্যকৰী সভাপতি, ৰবীন মেধিক সাধাৰণ সম্পাদক নিৰ্বাচিত**

# ভূৰবন্ধাত মৰিগাঁও জিলা সাহিত্য সভাৰ ঊনবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতি গঠন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৯ জুলাই ঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ ঊনবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখন আগন্তুক ৮, ৯, ১০ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলাখনৰ ভূৰবন্ধাত অনুষ্ঠিত হ'ব। অধিৱেশনখন সৰ্বাংগসুন্দৰ আৰু সুচাৰু ৰূপে অনুষ্ঠিত কৰিবলৈ আজি ভূৰবন্ধাত আদৰণী সমিতি গঠনৰ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। ভূৰবন্ধা আঞ্চলিক ৰাস মন্দিৰ প্ৰাংগনত অনুষ্ঠিত সাধাৰণ সভাখনৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ভূৰবন্ধা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ নাগৰিক মঙলু বৰাই। ইয়াৰ পিছতে ভূৰবন্ধা শতদল শাখা সাহিত্য সভাৰ মহিলা সদস্য সকলৰ দ্বাৰা চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক এটা আদৰণী গীত পৰিৱেশন কৰা হয়। ভূৰবন্ধা শতদল শাখা সাহিত্য সভাৰ সভাপতি মণি কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক প্ৰসেন হাজৰিকা। সভাখনত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সংবাদ সাহিত্য উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই ভাষণ প্ৰসংগত কয় যে – অসম সাহিত্য সভা হৈছে এটা সৰ্ববৃহৎ জাতীয় অনুষ্ঠান। অসমৰ সমূহ জাতি জনগোষ্ঠীক একত্ৰিত কৰি ৰখাত এই অনুষ্ঠানটোৱে বিশেষ ভাবে আগভাগ ল'ব লাগিব। আনহাতে স্বকীয় বৈশিষ্ট্য সম্পন্ন আৰু সুৱদী সুৱীয়া অসমীয়া ভাষাটোক অধিক জনমুখী কৰাৰ স্বাৰ্থত অফিচ কাছাৰী আদিত ইয়াৰ বাধ্যতামূলক ব্যৱহাৰ নিশ্চিত কৰিব লাগিব। তেখেতে আগন্তুক লোকপিয়লত অসমীয়া ভাষাটোক লৈ আতংকিত নহ'বলৈ সকলো স্তৰৰ ৰাইজৰ প্ৰতি আহ্বান জনায়। সভাখনত উপস্থিত থাকি মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি হৰমোহন কলিতাই তেখেতৰ ভাষণত কয় যে - অসম সাহিত্য সভাৰ সাংগঠনিক ভেটি অধিক শক্তিশালী হ'বলৈ হ'লে ইয়াৰ মূল অধিৱেশনৰ পূৰ্বে জিলা আৰু শাখা সমূহৰ অধিৱেশনসমূহ অনুষ্ঠিত কৰিব লাগিব। গতিকে ৩১ ডিচেম্বৰৰ ভিতৰত অধিৱেশন সমূহ অনুষ্ঠিত কৰিবলৈ তেখেতে শাখা সমূহৰ প্ৰতি আহ্বান জনায়। সভাত আগন্তুক ভূৰবন্ধা অধিৱেশন সম্পৰ্কত একোটাকৈ চমু বক্তব্য আগবঢ়ায় ক্ৰমে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰা, প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়া, প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক তথা মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সম্পাদক প্ৰধান বাবুল বৰা, মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক বাণীকান্ত দাসে। জনাকীৰ্ণ এই সাধাৰণ সভাখনত অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সদস্য মহেন্দ্ৰনাথ হাজৰিকা, জিলা সাহিত্য সভাৰ উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈ, প্ৰাক্তন উপ-সভাপতি ক্ৰমে চিমল দেউৰী, যুগল কিশোৰ চৌধুৰী, ডাঃ প্ৰদীপ কুমাৰ ডেকা, প্ৰাক্তন সম্পাদক ক্ৰমে ভূজেন ডেকা, লক্ষেশ্বৰ ডেকা, অসম ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সম্পাদক প্ৰধান গণেশ শৰ্মা, সত্ৰাধিকাৰ লোহিত গোস্বামী, লেখিকা সমাৰোহৰ নেত্ৰী ৰীণা ডেকা, অৰ্চনা শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক মৃদুল কুমাৰ শৰ্মা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সভাতে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীক সভাপতি, মৃদুল কুমাৰ শৰ্মা, যোগেন মেধিক কাৰ্যকৰী সভাপতি, ৰবীন ডেকাক সাধাৰণ সম্পাদক, অৰূপজ্যোতি বৈশ্য আৰু প্ৰবাল গোস্বামীক যুটীয়া সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰাৰ লগতে কেইবাখনো উপ-সমিতি গঠন কৰা হয়।

# কৃত্ৰিম বানত বিধ্বস্ত গেলেকীৰ বিভিন্ন অঞ্চল; জলমগ্ন বহু গাঁও, হাহাকাৰ পৰিস্থিতি

**অসম বাৰ্তা, গেলেকী, ১৯ জুলাই ঃ** যোৱা নিশাৰে পৰা হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত গেলেকীৰ অভ্যন্তৰীণ তথা ভিতৰুৱা বহু অঞ্চলত তীব্ৰ কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। স্থানীয় কেইবাখনো নদীৰ বাঢ়নী পানীয়ে ক্ষিপ্ৰতাৰে সমগ্ৰ অঞ্চল বুৰাই পেলোৱাৰ ফলত এক হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। বানৰ কবলত পৰা উল্লেখযোগ্য অঞ্চলসমূহৰ ভিতৰত নামতি অঞ্চলৰ লোণপুৰীয়া, গেলেকীৰ ন-পাম বাৰুৱতীৰ গোহাঁই গাঁও, চাংমাই টিং, বৰহোলা, ন-পুখুৰী, দূলাকাষৰীয়া, নামদঙ্গীয়া আৰু মৰাণ গাঁও অন্যতম। বৰষুণ আৰু নদীৰ বাঢ়নী পানীয়ে এই গাঁওসমূহৰ বিস্তৰ ক্ষতিসাধন কৰিছে। অঞ্চলকেইটাৰ প্ৰতিটো সংযোগকাৰী বাট-পথ বৰ্তমান সম্পূৰ্ণৰূপে পানীৰ তলত। ইয়াৰ উপৰি, অপৰ্যাপ্ত জলনিষ্কাষণৰ বাবে স্থানীয় ৰাইজৰ ঘৰৰ ভিতৰতো পানী সোমাই পৰাত জনজীৱন সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। আটাইতকৈ চিন্তনীয় বিষয়টো হৈছে যে এইবাৰ কেইবাটাও নতুন নতুন অঞ্চল নতুনকৈ কৃত্ৰিম বানৰ কবলত পৰিছে, কিছু কিছু অঞ্চলত পৰ্যাপ্ত জলনিষ্কাষণ ব্যৱস্থা নথকাৰ বাবেই অধিক ক্ষয়-ক্ষতি হোৱাৰ আশংকা ই দেখা দিছে। যোৱা নিশাৰে পৰা হৈ থকা ধাৰাসাৰ বৰষুণৰ বাবে নদীসমূহৰ জলস্তৰ ক্ৰমাগতভাৱে বৃদ্ধি পাব ধৰিছে। যদি আজি দিনটোও এনেদৰেই বৰষুণ অব্যাহত থাকে, তেন্তে নিশাৰ ভাগলৈ উপৰোক্ত অঞ্চলসমূহ সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাৰ তীব্ৰ আশংকাই দেখা দিছে।

# NEET পৰীক্ষাত উজলিল অভয়াপুৰীৰ আল আমিন আলী

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ জুলাই ঃ** ঘোষিত সৰ্বভাৰতীয় NEET-2026 ৰ ফলাফলত উজলি উঠিছে উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত অভয়াপুৰী ৰৌমাৰীৰ মেধাৱী ছাত্ৰ আল আমিন আলী। আল আমিন আলীয়ে এই সন্মানজনক পৰীক্ষাত ৫১৯ নম্বৰ লাভ কৰি কেৱল পৰিয়ালকেই নহয়, সমগ্ৰ অঞ্চললৈয়ে গৌৰৱ কঢ়িয়াই আনিছে। আল আমিন আলী এই সফলতাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলজুৰি আনন্দৰ পৰিৱেশৰ সৃষ্টি হয়। এজন সুদক্ষ চিকিৎসক হোৱাৰ সপোন আল আমিন আলীৰ। আল আমিন আলীৰ ঘৰ অভয়াপুৰীৰ ৰৌমাৰীত। এই কৃতিত্বৰ পিছত আল আমিন আলীৰ লগতে তেওঁৰ পিতৃ-মাতৃ আৰু সমগ্ৰ পৰিয়াল আনন্দত আত্মহাৰা হৈ পৰিছে। ভৱিষ্যতে এজন দক্ষ চিকিৎসক হোৱাৰ সপোন বুকুত সজীৱ কৰি ৰখা আল আমিন আলীয়ে কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু আত্মবিশ্বাসৰ জৰিয়তে এই সফলতা অৰ্জন কৰিছে। আল আমিন আলীয়ে Ajmal Super 40-ত অধ্যয়ন কৰি প্ৰতিদিনে প্ৰায় ৮ৰ পৰা ১০ ঘণ্টালৈকে নিয়মীয়াকৈ পঢ়া-শুনাত আত্মনিয়োগ কৰিছিল। দৰিদ্ৰতা কেতিয়াও সফলতাৰ হেঙাৰ হ'ব নোৱাৰে- এই কথাকেই তেওঁ নিজৰ সাফল্যৰ জৰিয়তে প্ৰমাণ কৰি দেখুৱাইছে। তেওঁৰ এই কৃতিত্বত অঞ্চলটোৰ বিভিন্ন সামাজিক, শৈক্ষিক আৰু স্বেচ্ছাসেৱী সংগঠন, লগতে বহু ব্যক্তি বিশেষে অভিনন্দন আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছে। উল্লেখযোগ্য যে, আল আমিন আলী অভয়াপুৰীৰ ৰৌমাৰী নিবাসী লুতফৰ ৰহমান আৰু অনিমা বেগমৰ সুযোগ্য সন্তান। তেওঁৰ পিতৃ লুতফৰ ৰহমান ৰাজীৱ গান্ধী মেমৰিয়েল কলেজৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী।

# ‘ছাত্ৰো কি গুঞ্জ’ কাৰ্যসূচীৰ জৰিয়তে

শিক্ষা বিষয়ক বিশদ আলোচনাৰ বাবে চৰকাৰক আহ্বান জনায়। সংবাদমেলত বক্তব্য ৰাখি বিধায়ক আব্দুৰ ৰহিমে কয় যে গণতান্ত্ৰিক ব্যৱস্থাত চৰকাৰ আৰু প্ৰতিখন বিভাগৰ মন্ত্ৰীসকলৰ নৈতিক জবাবদিহিতা অতি গুৰুত্বপূৰ্ণ। দেশৰ চিকিৎসা শিক্ষাৰ দৰে সংবেদনশীল ক্ষেত্ৰখনত একাধিকবাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছতো কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে নৈতিক দায়িত্ব গ্ৰহণ কৰি পদত্যাগ কৰা নাই বুলি ৰহিমে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয়, “বিজেপি চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত আৰু জীৱনক লৈ হেতালি খেলিছে। প্ৰশ্নকাকত ফাদিল প্ৰমাণ হোৱাৰ পাছতো প্ৰধানমন্ত্ৰীয়ে শিক্ষামন্ত্ৰীজনক পদত্যাগ কৰিবলৈ বাধ্য নকৰাটোৱে স্পষ্ট কৰে যে এই সম্পূৰ্ণ কাণ্ডৰ লগত চৰকাৰখন সংপৃক্ত।” ৰহিমে জৱহৰলাল নেহৰুৰ কাৰ্যকালত ৰে’ল মন্ত্ৰী হৈ থকা লালবাহাদুৰ শাস্ত্ৰীয়ে এটা ৰে’ল দুৰ্ঘটনাৰ বাবে নৈতিক দায়িত্ব লৈ পদত্যাগ কৰাৰ ঐতিহাসিক উদাহৰণ দাঙি ধৰি বৰ্তমানৰ চৰকাৰত জবাবদিহিতাৰ সম্পূৰ্ণ অভাৱ বুলি কটাক্ষ কৰে। তেওঁ লাডাখৰ বিশিষ্ট পৰিৱেশবিদ ছোনম ৱাংচুকক অনশনস্থলীৰ পৰা বলপূৰ্বক উঠাই নি ছফদৰজং হাস্পতালত ৰখা কাৰ্যকো নিন্দা কৰে। ৰাজ্যৰ চৰকাৰী শিক্ষা খণ্ডৰ বৰ্তমান অৱস্থা তুলি ধৰি প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই কয় যে যিখন ৰাজ্যত মুখ্যমন্ত্ৰী নিজেই ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰে, তাত চৰকাৰী বিদ্যালয়ৰ অৱস্থা কেতিয়াও উন্নত হ’ব নোৱাৰে। বৰ্তমান ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ তুলনাত শিক্ষকৰ সংখ্যা যথেষ্ট কম, যাৰ ফলত অভিভাৱকসকলে নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ স্থানান্তৰ কৰিবলৈ বাধ্য হৈছে। কলিতাই অভিযোগ কৰে যে চৰকাৰে ছাত্ৰ-ছাত্ৰীক সময়মতে পাঠ্যপুথি যোগান ধৰিব পৰা নাই, আৰু অতি নিম্নমানৰ ইউনিফৰ্ম প্ৰদান কৰি আহিছে। তেওঁ কয়, “চিকিৎসা মহাবিদ্যালয়ৰ নামত কেৱল ডাঙৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে, কিন্তু সেইবোৰত প্ৰয়োজনীয় চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰী নাই। মেডিকেল ব’ৰ্ডৰ পৰিদৰ্শনৰ সময়ত এখন মহাবিদ্যালয়ৰ চিকিৎসক-নাৰ্ছক আন এখনলৈ নি মিলাই থৈ অহাৰ দৰে নাটকীয় কাণ্ডো চলিছে।” গুৱাহাটীত ছোনম ৱাংচুকৰ ফটো অংকন কৰাৰ অপৰাধত দুজন শিল্পীক আটক কৰা ঘটনাক কলিতাই কটাক্ষ কৰি কয় যে তেওঁলোকে ৱাংচুকৰ সলনি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ ছবি অংকন কৰা হ’লে চৰকাৰৰ পৰা পুৰস্কৃত হ’লহেঁতেন। লগতে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান আৰু উৰণীয়া সেতুৰ তলৰ ৰাস্তাবোৰৰ জৰাজীৰ্ণ অৱস্থাক লৈও তেওঁ ক্ষোভ প্ৰকাশ কৰে। সংবাদমেলখন পৰিচালনা কৰি অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে শিক্ষা খণ্ডটো ক্ৰমান্বয়ে বাণিজ্যিকীকৰণ হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কেৱল বেছি নম্বৰ লাভ কৰাৰ এক ভয়াবহ মানসিক বোজা জাপি দিয়া হৈছে। ফলস্বৰূপে সাধাৰণ আৰু দৰিদ্ৰ পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থীসকল চৰম বৈষম্যৰ চিকাৰ হৈছে। বৰাই কয়, “শিক্ষা প্ৰতিষ্ঠানসমূহত নম্বৰৰ অন্ধ প্ৰতিযোগিতাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীৰ বাবে এক সুস্থ, সহায়ক আৰু মানসিকভাৱে সুৰক্ষিত পৰিৱেশ গঢ়ি তোলাটো অত্যন্ত জৰুৰী।” তেওঁ জানিবলৈ দিয়ে যে ৰাহুল গান্ধীয়ে কোটা আৰু ডেৰাডুনত আয়োজিত কাৰ্যসূচীৰ সফলতাৰ পিছত ‘ছাত্ৰো কি গুঞ্জ’ কাৰ্যসূচীৰ পৰৱৰ্তী অনুষ্ঠানসমূহত অসমৰ স্থানীয় ছাত্ৰ-ছাত্ৰী আৰু নিবনুৱা যুৱক-যুৱতীসকলৰ সৈতে বাৰ্তালাপ কৰি এখন যুৱ ইস্তাহাৰ বা বিকল্প শিক্ষা-নিযুক্তি নীতিৰ খচৰা প্ৰস্তুত কৰিব। সংবাদমেল শেষত অসম প্ৰদেশ কংগ্ৰেছে বৰ্তমান শিক্ষা পৰিস্থিতিৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰাৰ লগতে বিধানসভাৰ চলিত অধিৱেশনত অন্তত এদিন সম্পূৰ্ণৰূপে শিক্ষা বিষয়ক আলোচনাৰ বাবে চৰকাৰক আনুষ্ঠানিক আহ্বান জনায়। নেতাসকলে দাবী জনায় যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সন্দৰ্ভত গুৰুত্বপূৰ্ণ এই বিষয়টো বিধানসভাৰ গম্ভীৰ আলোচনাৰ যোগ্য, আৰু চৰকাৰে ক্ষতিগ্ৰস্ত শিক্ষা ব্যৱস্থা পুনৰুদ্ধাৰ কৰাৰ বাবে কংগ্ৰেছৰ সকলো প্ৰস্তাৱ আন্তৰিকতাৰে বিবেচনা কৰা উচিত।

# আজি চিজেপিৰ নেতৃত্বত ‘সংসদ চালো’

ঢোল বজাই, মূল মঞ্চত ভাষণ দি নিজৰ দাবীসমূহ মজবুত কৰি তোলে। শনিবাৰে নিশা উত্তৰ প্ৰদেশৰ নগিনাৰ সাংসদ চন্দ্ৰশেখৰ আজাদে প্ৰতিবাদস্থলীত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে নিশা কটায়। তেওঁ সমৰ্থন প্ৰকাশ কৰি কয় যে তেওঁ এই স্থানত থাকিবলৈ বাছি লৈছে। একে সময়তে তেওঁ সকলোকে আহ্বান জনায় যে প্ৰতিবাদত অংশগ্ৰহণ কৰা সকলোৱে ৰাজনৈতিক দলৰ পতাকা নানিব, কেৱল মহান নেতাৰ ফটো আৰু সংবিধানৰ প্ৰতিলিপিহে আনিব লাগে। এই আন্দোলনৰ মূল আকৰ্ষণ আছিল লাডাখৰ বিশিষ্ট উদ্ভাৱক, শিক্ষা সংস্কাৰক আৰু জলবায়ু কৰ্মী সোণম ৱাংচুক। ২৮ জুনৰ পৰা তেওঁ নীট অনিয়ম, পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীত আমৰণ অনশন কৰি আছিল। কিন্তু ১৮ জুলাই পুৱা প্ৰায় ৭ ৰজাত চিকিৎসকৰ ৰূপ ধাৰণ কৰি অহা আৰক্ষীৰ দলে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে প্ৰতিবাদস্থলীৰ পৰা তেওঁক জোৰকৈ আটক কৰি ছফদৰজং হাস্পতালত ভৰ্তি কৰায়। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ এই কাৰ্যক “অবৈধ বন্দীত্ব” বুলি অভিহিত কৰি ক্ষোভ প্ৰকাশ কৰে। আটকৰ পিছত হাস্পতালৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে অনশনৰ বাবে সোণম ৱাংচুকৰ স্বাস্থ্যৰ অৱনতি ঘটিছে, তেজত পটাছিয়ামৰ মাত্ৰা হ্ৰাস পাইছে। কিন্তু তেওঁৰ পত্নী গীতাঞ্জলি জে আংগম’য়ে এই বক্তব্যক প্ৰত্যাখ্যান কৰি কয় যে ১৭ জুলাইৰ চিকিৎসা পৰীক্ষাত সোণমৰ পটাছিয়ামৰ মাত্ৰা স্বাভাৱিক আছিল। তেওঁ অভিযোগ কৰে যে তেওঁক সোণমৰ ওচৰলৈ যাবলৈ আৰু তেওঁলোকৰ ঘৰুৱা চিকিৎসকক লগ কৰিবলৈ আৰক্ষীয়ে বাধা দিছে। গীতাঞ্জলিয়ে ঘোষণা কৰে যে ২০ জুলাইৰ সংসদলৈ পদযাত্ৰাত তেওঁ নেতৃত্ব দিব আৰু শান্তিপূৰ্ণভাৱে সংসদলৈ যাত্ৰা কৰিব। দেওবাৰে সোণম ৱাংচুকৰে সামাজিক মাধ্যমত হাতেৰে লিখা এখন বাৰ্তা শ্বেয়াৰ কৰি ২০ জুলাইৰ পদযাত্ৰাক “দ্বিতীয় স্বাধীনতা আন্দোলন, ভয়মুক্ত ভাৰত, অন্যায়মুক্ত ভাৰত” বুলি আখ্যা দিয়ে। তেওঁ আটকক “অবৈধ” অভিহিত কৰি জনতাক সফল কৰি তোলাৰ আহ্বান জনায়।

# নীট অনিয়মৰ পুনৰাবৃত্তিৰ

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰো দাবী জনাইছে। চিকিৎসকসকলৰ এই শীৰ্ষ সংগঠনটোৱে যন্তৰ মন্তৰত অনশনত বহি থকা সমাজকৰ্মী সোণম ৱাংচুকক বলপূৰ্বকভাৱে অপসাৰণ কৰাৰ ঘটনাতো গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ফাইমাই সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টসমূহত কয় যে ৱাংচুক চিকিৎসালয়ত ভৰ্তি হোৱাৰ পিছত তেওঁৰ স্বাস্থ্যঞ্জয় অৱস্থাৰ বিষয়ে দিনত দুবাৰকৈ স্বচ্ছ চিকিৎসা বুলেটিন প্ৰকাশ কৰিবলৈ দাবী জনোৱাৰ লগতে তেওঁৰ মৰ্যাদা, আইনী অধিকাৰ আৰু গণতান্ত্ৰিক স্বাধীনতা সম্পূৰ্ণৰূপে সুৰক্ষিত কৰাৰ নিৰ্দেশ দিবলৈ ৰাষ্ট্ৰপতিক অনুৰোধ জনোৱা হৈছে। সংস্থাটোৱে এক্স (পূৰ্বৰ টুইটাৰ) প্লেটফৰ্মত লিখা পোষ্টত উল্লেখ কৰে যে, “নীট পৰীক্ষাত বাৰে বাৰে সংঘটিত অনিয়ম আৰু প্ৰশ্নকাকত ফাদিলৰ অভিযোগে দেশৰ চিকিৎসা প্ৰৱেশ পৰীক্ষা ব্যৱস্থাৰ প্ৰতি লাখ লাখ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ পৰিয়ালৰ আস্থাত গভীৰ আঘাত হানিছে। এই পুনৰাবৃত্তিমূলক ঘটনাই আকাংক্ষীসকলৰ মাজত মানসিক অশান্তিৰ সৃষ্টি কৰিছে, যাৰ ফলত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনা অত্যন্ত উদ্বেগজনক। এই বিতৰ্কৰ পিছত অৰ্থপূৰ্ণ আৰু গাঁথনিগত সংস্কাৰৰ জৰুৰী প্ৰয়োজন হৈছে।” ৰাষ্ট্ৰপতিলৈ প্ৰেৰিত পত্ৰখনত ফাইমাই স্পষ্টভাৱে কয় যে উচ্চতম সাংবিধানিক কাৰ্যালয়ৰ পৰা তৎকালীন হস্তক্ষেপে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু নাগৰিকসকলক আশ্বস্ত কৰিব যে জবাবদিহিতা, স্বচ্ছতা আৰু ন্যায় আমাৰ গণৰাজ্যৰ পথ প্ৰদৰ্শক নীতি হৈয়েই আছে। সংস্থাটোৱে আন্তৰিকতাৰে আশা প্ৰকাশ কৰে যে ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ, জনসাধাৰণৰ আস্থা আৰু গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ সততা বজাই ৰাখিবলৈ অতি শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ’ব। নীট পৰীক্ষাত সংঘটিত সকলো অনিয়ম আৰু প্ৰশ্নকাকত ফাদিলৰ ঘটনা সন্দৰ্ভত উচ্চ পৰ্যায়ৰ স্বতন্ত্ৰ তদন্ত আৰম্ভ কৰিবলৈ ফাইমাই ৰাষ্ট্ৰপতিক অনুনয় জনাইছে। ইয়াৰ লগতে পৰীক্ষা পৰিচালনাত হোৱা ভুল-ত্ৰুটিৰ বাবে ব্যক্তিগত জবাবদিহিতা নিৰ্ধাৰণ কৰি দোষী বিষয়াসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱা হৈছে। স্বচ্ছতা আৰু জনসাধাৰণৰ আস্থা ঘূৰাই আনিবলৈ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা (এনটিএ)ত ব্যাপক গাঁথনিগত সংস্কাৰ অনিবাৰ্য বুলি সংস্থাটোৱে মত প্ৰকাশ কৰে। ফাইমাই পত্ৰত অধিক গুৰুত্ব আৰোপ কৰি কয় যে সংশোধনী ব্যৱস্থাৰ পিছতো যদি বাৰে বাৰে বিফলতা অব্যাহত থাকে, তেন্তে এনটিএ ভংগ কৰি সম্পূৰ্ণ পুনৰ্গঠন বা ইয়াৰ বিকল্প হিচাপে এক শক্তিশালী নতুন প্ৰতিষ্ঠানিক কাঠামো স্থাপন কৰিবলৈ গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। লগতে বাৰে বাৰে ব্যৱস্থাগত বিফলতা সংঘটিত হোৱা আৰু পৰ্যাপ্ত প্ৰতিৰোধমূলক ব্যৱস্থা নিশ্চিত নকৰা বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণকে ধৰি মন্ত্ৰী পৰ্যায়ৰ জবাবদিহিতা নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰে। উল্লেখ্য যে, অল ইণ্ডিয়া মেডিকেল এছ’চিয়েশ্যন (আইএমএ)ৰ সৈতে সংযুক্ত এই সংগঠনটোৱে অতীতত নীট পৰীক্ষাক লৈ একাধিকবাৰ অসন্তোষ প্ৰকাশ কৰি আহিছে। কিন্তু এইবাৰ ৰাষ্ট্ৰপতিলৈ পোনপটীয়াভাৱে পত্ৰ প্ৰেৰণ কৰি জৰুৰী হস্তক্ষেপ বিচৰাই সংস্থাটোৰ গভীৰ উদ্বেগ আৰু ক্ষোভৰ পৰিচয় দিয়ে। উল্লেখযোগ্য যে এই ঘটনাৰ পিছতে সামাজিক মাধ্যমত ফাইমাৰ এই পদক্ষেপক ব্যাপক সমৰ্থন জনাই বহু ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে স্বচ্ছ পৰীক্ষা ব্যৱস্থাৰ বাবে ঐক্যবদ্ধ হৈ প্ৰতিবাদৰ স্বৰ উত্থাপন কৰিছে।

# কুমাৰ ভাস্কৰ বৰ্মা সেতুত জন্মদিন

ভৰলুমুখ আৰক্ষীয়ে এই ঘটনাত জড়িত দম্পতীটোক গ্ৰেপ্তাৰ কৰে, যাৰ পিছত সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আটক হোৱা দম্পতীটোক এল অজয়বি শৰ্মা আৰু তেওঁৰ পত্নী বুলি চিনাক্ত কৰা হৈছে। সূত্ৰ অনুসৰি, যোৱা ১৬ জুলাই তাৰিখে দম্পতীটোৱে নিজৰ গাড়ীখন দলঙৰ মাজমজিয়াত ৰখাই বাহনখনৰ ওপৰত কেক কাটি জন্মদিন পালন কৰিছিল। তেওঁলোকে এই কাৰ্য্য চলাই থাকোঁতে আন আন যান-বাহনৰ চলাচলত বাধা দিয়াৰ লগতে নিজৰ জীৱনকো বিপদৰ মুখলৈ নিছিল। দম্পতীটোৱে উক্ত ঘটনাৰ ভিডিঅ’ সামাজিক মাধ্যমত আপলোড কৰাত প্ৰচণ্ডভাৱে ভাইৰেল হৈ পৰে, যাৰ প্ৰতি লক্ষ্য ৰাখি ভৰলুমুখ আৰক্ষী তৎকালীনভাৱে সক্ৰিয় হয়। ভাইৰেল ভিডিঅ’ৰ ভিত্তিত তদন্ত আগবঢ়াই আৰক্ষীয়ে দম্পতীটোৰ অৱস্থান চিহ্নিত কৰি গ্ৰেপ্তাৰ কৰে।

# সোণম ৱাংচুকক ব্যক্তিগত

কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। ন্যায়াধীশ মিনি পুষ্কৰ্ণাৰ এককীয়া বিচাৰপীঠে ৰায় দিয়ে যে বৰ্তমান পৰিস্থিতিত ৱাংচুকক আটক বা জিম্মাত ৰখা বুলি কোৱাৰ কোনো ভিত্তি নাই, আৰু চৰকাৰে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত চিকিৎসাজনিত কাৰণত চৰকাৰী চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ সিদ্ধান্তক স্বেচ্ছাচাৰী বুলি অভিহিত কৰিব নোৱাৰি। প্ৰায় ১৭-১৮ দিন ধৰি নিৰাহাৰ উপবাস কৰি থকা ৱাংচুকৰ শাৰীৰিক অৱস্থা গুৰুতৰ হৈ পৰাত ১৮ জুলাই পুৱা দিল্লী আৰক্ষীয়ে তেওঁক যন্তৰ মন্তৰৰ প্ৰতিবাদস্থলীৰ পৰা ছফদাৰজং হাস্পতাললৈ স্থানান্তৰিত কৰে। কিন্তু পত্নী গীতাঞ্জলিয়ে অভিযোগ উত্থাপন কৰে যে তেওঁৰ সন্মতি অবিহনে আৰু কোনো আইনী প্ৰক্ৰিয়া নোহোৱাকৈ ৱাংচুকক জোৰকৈ হাস্পতালত ৰখা হৈছে, আৰু তেওঁক নিজৰ পছন্দৰ চিকিৎসালয়ত চিকিৎসা লোৱাৰ অধিকাৰ অস্বীকাৰ কৰা হৈছে। ইয়াৰ প্ৰতিবাদত তেওঁ দিল্লী উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰে। শুনানিত আবেদনকাৰীৰ হৈ জ্যেষ্ঠ অধিবক্তা কপিল ছিবালে যুক্তি আগবঢ়ায় যে ৱাংচুকৰ বিৰুদ্ধে কোনো অপৰাধমূলক গোচৰ ৰুজু কৰা হোৱা নাই, তেওঁ জিম্মাত নাই, আৰু তেওঁক নিজৰ পছন্দৰ চিকিৎসালয় বাচি লোৱাত বাধা দিয়া কোনো যুক্তিসংগত কাৰণ নাই। ছিবালে দাবী কৰে যে পৰিয়ালটোৱে ইতিমধ্যে মেদান্ত হাস্পতালৰ সৈতে যোগাযোগ কৰি তালৈ স্থানান্তৰৰ ব্যৱস্থা কৰিছে, আৰু কেৱল চৰকাৰী অনুমতিয়েই বাকী। সেয়ে তেওঁ ৱাংচুকক মেদান্তলৈ স্থানান্তৰৰ অন্তৰ্বৰ্তীকালীন আদেশ বিচাৰে। ইফালে কেন্দ্ৰ চৰকাৰৰ হৈ অতিৰিক্ত ছলিচিটৰ জেনেৰেল চেতন শৰ্মাই আদালতত স্পষ্ট কৰে যে দীৰ্ঘদিনীয়া উপবাসৰ ফলত ৱাংচুকৰ দেহত কেট’ছিছ অৱস্থাৰ সৃষ্টি হৈছে, যাৰ অৰ্থ হৈছে শৰীৰে শক্তিৰ বাবে চৰ্বি ভঙা আৰম্ভ কৰিছে। লগতে তেওঁৰ তেজত চুগাৰ আৰু ছ’ডিয়ামৰ মাত্ৰা স্বাভাৱিকতকৈ কমি গৈছে, আৰু পটাছিয়ামৰ মাত্ৰা বিপজ্জনকভাৱে নিম্নগামী হৈছে। এই অৱস্থাত তীৰ্কষ্ণ চিকিৎসা নিৰীক্ষণৰ বিকল্প নাই, আৰু চৰকাৰী চিকিৎসালয়ৰ অভিজ্ঞ চিকিৎসকসকলৰ তত্বাৱধানেই আটাইতকৈ উত্তম বুলি শৰ্মাই যুক্তি দিয়ে। তেওঁ পূৰ্বৰ বিভাগীয় বিচাৰপীঠৰ নিৰ্দেশৰ কথাও উল্লেখ কৰে, য’ত প্ৰয়োজন সাপেক্ষে চিকিৎসা হস্তক্ষেপৰ অনুমতি দিয়া হৈছিল। উভয়পক্ষৰ যুক্তি শুনি বিচাৰপীঠে পৰ্যবেক্ষণ কৰে যে ৱাংচুকক জিম্মাত ৰখা বুলি প্ৰমাণিত নহয়, কিয়নো তেওঁৰ পত্নী, ভাতৃ আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলক তেওঁৰ ওচৰলৈ নিষেধাজ্ঞাহীনভাৱে সাক্ষাত কৰিবলৈ অনুমতি দিয়া হৈছে। ইয়াৰ লগতে ছফদাৰজং হাস্পতালৰ কৰ্তৃপক্ষই পৰিয়ালটোৰ বাবে চিকিৎসালয় চৌহদত থকাৰ বাবে এটা সুকীয়া কোঠাৰ ব্যৱস্থা কৰিছে, যাৰ ফলত পৰিয়ালৰ সদস্যসকলে ৱাংচুকৰ কাষত উপস্থিত থাকিব পাৰিছে।

# যোৰহাটত বানৰ আশংকা

নদী বা খাল-বিলৰ ওচৰলৈ যাবলৈ সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হৈছে। প্ৰশাসনে স্পষ্টভাৱে কয় যে নৈ বা বিলৰ পানীত নাও চলোৱা আৰু সাঁতোৰাৰ পৰাও সকলোকে বিৰত থকাটো অত্যন্ত জৰুৰী, কাৰণ পানীৰ সোঁত অস্বাভাৱিকভাৱে বেগী হৈ পৰিছে। বাঢ়নী পানীত কেতিয়াও খোজ নাকাঢ়িবলৈ আহ্বান জনোৱাৰ লগতে পানী থকা পথ বা স্থানত গাড়ী-মটৰ চলোৱাতো কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাতিৰ সময়ত বাঢ়নী পানীৰ দিশে যোৱাটো সম্পূৰ্ণ অনুচিত বুলি উল্লেখ কৰি প্ৰশাসনে কয় যে এই সময়ত দৃশ্যমানতা কম থকাৰ বাবে দুৰ্ঘটনাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পায়। বৈদ্যুতিক বিপদৰ পৰা ৰক্ষা পাবলৈ প্ৰশাসনে বৈদ্যুতিক খুঁটি আৰু ট্ৰেন্সফৰ্মাৰৰ পৰা দূৰত থাকিবলৈ নিৰ্দেশ দিছে। পানী লাগি থকা কোনো বৈদ্যুতিক আহিলা পৰীক্ষা নকৰাকৈ ব্যৱহাৰ নকৰিবলৈ বিশেষভাৱে সতৰ্ক কৰি দিয়া হৈছে। যদি কোনো বৈদ্যুতিক তাঁৰ বা ট্ৰেন্সফৰ্মাৰ পানীত বুৰ গৈ থকা দেখা যায়, তেন্তে তৎক্ষণাত সংশ্লিষ্ট কৰ্তৃপক্ষক জনাবলৈ প্ৰশাসনে আহ্বান জনায়। ইয়াৰ উপৰি বাঢ়নী পানীত উটি অহা কোনো খাদ্যবস্তু নাখাবলৈও কঠোৰ নিৰ্দেশ দিয়া হৈছে, কাৰণ সেইবোৰ দূষিত হৈ থকাৰ সম্ভাৱনা অত্যন্ত বেছি। জৰুৰীকালীন পৰিস্থিতি মোকাবিলা কৰিবলৈ যোৰহাট জিলা প্ৰশাসনে উদ্ধাৰ আৰু সাহায্যৰ বাবে দুটা বিশেষ টেলিফোন নম্বৰ মুকলি কৰিছে। বানপানী বা আন যিকোনো জৰুৰী অৱস্থাত ৰাইজে 0376-2300124 বা 1077 নম্বৰত যোগাযোগ কৰি তৎকালীন সহায় বিচাৰিব পাৰিব। প্ৰশাসনে জানিবলৈ দিয়ে যে এই নম্বৰসমূহ ২৪ ঘণ্টা কাৰ্যক্ষম থাকিব আৰু প্ৰয়োজনীয় উদ্ধাৰ দলসমূহ সাজু ৰখা হৈছে। যোৰহাট জিলা প্ৰশাসনে এই নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ সকলো নাগৰিকক আহ্বান জনাইছে। প্ৰশাসনৰ সূত্ৰই কয় যে বৰষুণৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি পৰিস্থিতি আৰু অধিক জটিল হ’ব পাৰে, সেয়ে নৈ-পৰীয়া অঞ্চলৰ ৰাইজে বিশেষভাৱে সজাগ হৈ থকাটো অতি জৰুৰী। কোনো বিপদজনক পৰিস্থিতি দেখা দিলে আতংকিত নহৈ প্ৰশাসনৰ নিৰ্দেশনা মানি চলি আৰু নিৰাপদ স্থানলৈ স্থানান্তৰিত হ’বলৈ অনুৰোধ জনোৱা হৈছে।

# শিৱসাগৰ-চৰাইদেউ-যোৰহাটৰ

অঞ্চলসমূহৰ বহু পৰিয়াল চৰম সংকটৰ সন্মুখীন হৈছে। বানপানীয়ে ঘৰ-দুৱাৰ, খেতি-পথাৰ আৰু যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলোৱাৰ লগতে সাধাৰণ জনজীৱন স্তব্ধ কৰি তুলিছে। এই ভয়াবহ বান পৰিস্থিতিক লৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। তিনিখন জিলাৰ বানপানীৰ তৎকালীন পৰিস্থিতিৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ চাৰি গৰাকী কেবিনেট মন্ত্ৰী - অজন্তা নেওগ, বিমল বড়া, কেশৱ মহন্ত আৰু সুশান্ত বৰগোহাঁইক তৎক্ষণাৎ ক্ষতিগ্ৰস্ত অঞ্চলসমূহলৈ প্ৰেৰণ কৰি উদ্ধাৰ আৰু সাহায্য অভিযান প্ৰত্যক্ষভাৱে পৰিদৰ্শন আৰু তদাৰক কৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। লগতে জিলা প্ৰশাসনকো তৎকালীন সহায় প্ৰদান কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত সামাজিক মাধ্যম এক্সত নিজৰ বক্তব্য প্ৰকাশ কৰি কয়, “শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বান পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটিছে। ৰাজ্য চৰকাৰে এই পৰিস্থিতিক অতি গুৰুত্ব সহকাৰে লৈছে আৰু জিলা প্ৰশাসনৰ সৈতে অবিৰতভাৱে যোগাযোগ ৰাখি উদ্ধাৰ আৰু সাহায্য অভিযান দ্ৰুতগতিত আগবঢ়াবলৈ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছো।” তেওঁ লগতে উল্লেখ কৰে যে চাৰি গৰাকী মন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত লোকসকলৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ সমস্যাৰ বিষয়ে অৱগত হৈ চৰকাৰৰ সহায় সময়মতে প্ৰত্যেকজন লোকে লাভ কৰিব পাৰে তাৰ নিশ্চিতি কৰিব। উদ্ধাৰ আৰু সাহায্য অভিযান জটিল হৈ পৰাৰ সম্ভাৱনাক লৈ মুখ্যমন্ত্ৰী শৰ্মাই ভাৰতীয় সেনা আৰু ভাৰতীয় বায়ুসেনাক আগতীয়াকৈ সাজু হৈ থাকিবলৈ অনুৰোধ জনাইছে। তেওঁ কয়, “প্ৰয়োজন হ’লে উদ্ধাৰ আৰু সাহায্য অভিযানত সহযোগিতা আগবঢ়াবলৈ ভাৰতীয় সেনা আৰু ভাৰতীয় বায়ুসেনাকো সাজু হৈ থাকিবলৈ অনুৰোধ জনোৱা হৈছে। আমাৰ জনসাধাৰণৰ জীৱন সুৰক্ষা আৰু কল্যাণেই আমাৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ। এই দুৰ্যোগৰ সময়ত চৰকাৰে জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ সকলো সম্ভৱ পদক্ষেপ গ্ৰহণ কৰি যাব।” ইতিমধ্যে বানপীড়িত অঞ্চলসমূহত স্থানীয় প্ৰশাসন আৰু বাতিল দলৰ দ্বাৰা উদ্ধাৰ অভিযান অব্যাহত আছে। বহু লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে, আনহাতে খাদ্য, পানী আৰু ঔষধৰ সহায় প্ৰদান কৰাৰ কাম চলি আছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি ৰাজ্যৰ সম্পদ বিভাগ আৰু বিপৰ্যয় প্ৰস্তুতি বিভাগক সম্পূৰ্ণ সতৰ্কতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই দুৰ্যোগ পৰিস্থিতিত আত্মীয়-স্বজনক সহায় আগবঢ়াওঁতে সকলোৱে নিজৰ সুৰক্ষাৰ প্ৰতিও সজাগ হৈ থাকিব লাগে। তেওঁ উদ্ধাৰকাৰী দলৰ বিষয়াসকলক নিজৰ জীৱনৰ আশংকাক তুচ্ছজ্ঞান কৰি সাধাৰণ নাগৰিকৰ সেৱা আগবঢ়াবলৈ অনুপ্ৰেৰিত কৰে। বানপানীৰ পাছত উদ্ধাৰ কাৰ্য শেষ হৈ পুনৰ্বাসনৰ পৰ্যায়ত প্ৰশাসনে সম্পূৰ্ণ সহায় আগবঞ্জাব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। এই বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে ইতিমধ্যে উচ্চস্তৰীয় বৈঠকৰ আয়োজন কৰি অহা কেইদিনমানৰ বাবে অধিক বৰষুণৰ সম্ভাৱনাক লৈ সাজু হৈ থকাৰ পৰিকল্পনা কৰিছে।

# দিখৌৰ কালৰূপ ঃ গেলেকীত ভাগিল

অঞ্চলৰ কুৰিৰো অধিক গাঁৱত নাগৰিকৰ ঘৰে ঘৰে পানী সোমাই অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইফালে গেলেকী চাৰিআলিটো পথৰ ওপৰতে পানী জমা হৈ যাতায়াত প্ৰায় ৰুদ্ধ কৰি তুলিছে। একেদৰে নাজিৰা সমজিলাতে দিখৌ নদীয়ে কালৰূপ ধাৰণ কৰি নাজিৰা নগৰৰ প্ৰায় কেউটা ৱাৰ্ড জলমগ্ন হৈ পৰিছে। বিশেষকৈ ৭ আৰু ৮ নং ৱাৰ্ডৰ দিখৌৰ মঠাউৰি পানীয়ে স্পৰ্শ কৰাৰ সমান্তৰালকৈ একাংশ লোকৰ ঘৰ বুৰাই পেলাইছে। একেদৰে নাজিৰা নগৰৰ ৪ নং ৱাৰ্ডত দিখৌৰ মঠাউৰিৰ ওপৰেদি পানী বাগৰি নাজিৰা নগৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰি তুলিছে। আনহাতে নাজিৰা সোন্দৰপুখুৰী, নিৰ্মলীয়া, গড়আলি আদি অঞ্চলৰো দিখৌৰ পানীয়ে ৰাইজৰ ঘৰ বুৰাই পেলোৱাত ৰাইজ ঘৰৰ ওপৰত আশ্ৰয় ল’ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। অন্যহাতে দিখৌৰ বানে ৰমণী আলি প্লাৱিত কৰি তোলাত শিমলুগুৰি নাগালেণ্ডৰ যোগাযোগ ব্যাহত হৈ পৰিছে। চণ্টক পাঁচআলিত দিখৌৰ পানী ঘৰত সোমোৱাই ঘৰৰ উটি যোৱা বয় বস্তু উদ্ধাৰ কৰিবলৈ গৈ এগৰাকী যুৱতী পানীত উটি যায়। পাছত চিংকি বেগম নামৰ যুৱতী গৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। বাতৰি লিখাৰ পৰলৈকে নাজিৰা সমজিলাৰ ন ন অঞ্চলত দিখৌৰ বাঢ়নি পানী সোমাই প্লাৱিত কৰি তোলাৰ খবৰ আহি আছে।

# নাজিৰাত ৰে’লৰ খুন্দাত দিখৌত

অনুসৰি, আজি পুৱা নাজিৰা-শিমলুগুৰি সংযোগী ৰেল দলঙৰ ওপৰেদি পাৰ হৈ থকাৰ সময়তে উজনিমুৱা এখন এক্সপ্ৰেছ ৰেলে ব্যক্তিজনক খুন্দা মাৰে। ইয়াৰ ফলত তেওঁ দলঙৰ ওপৰৰ পৰা পোনপটীয়াকৈ তলৰ দিখৌ নদীত পৰি যায়। নদীৰ প্ৰবল সোঁতত ব্যক্তিজন তৎক্ষণাত উটি যায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে শিমলুগুৰি জিআৰপিএফ (GRPF) আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে ৰেল দলঙৰ ওপৰত পৰি থকা এটা কাপোৰৰ বেগ উদ্ধাৰ কৰে। বেগটোৰ ভিতৰত থকা আধাৰ কাৰ্ড আৰু ভোটাৰ পৰিচয় পত্ৰৰ পৰা ব্যক্তিজন বিহাৰৰ মুজাফৰপুৰ জিলাৰ তপেশ্বৰ ৰায় বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাৰ পিছৰে পৰা নদীৰ প্ৰবল সোঁতত ব্যক্তিজন সন্ধানহীন হৈ আছে। বাতৰি লিখা পৰলৈকে আৰক্ষী আৰু স্থানীয় লোকে ব্যক্তিজনক উদ্ধাৰৰ বাবে অভিযান চলাই আছে যদিও কোনো সন্ধান পোৱা হোৱা নাই। এই ঘটনাক লৈ সমগ্ৰ অঞ্চলটোত চাঞ্চল্য বিৰাজ কৰিছে।

# দ্বাৰকাত নামঘৰ-সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ

হৈ থাকিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখ্য যে, ২০২১ চনৰ ৫ ছেপ্টেম্বৰত দিল্লীৰ তেতিয়াৰ লেফটেনেণ্ট গৱৰ্ণৰ অনিল বাইজলৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীয়ে এই সাংস্কৃতিক কেন্দ্ৰৰ বাবে ভূমি আবণ্টনৰ অনুৰোধ জনাইছিল। পৰৱৰ্তী সময়ত ভূমি আবণ্টন সম্পূৰ্ণ হোৱাৰ পিছত প্ৰকল্পটোৱে বাস্তৱ ৰূপ পাবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে অহা বছৰৰ জানুৱাৰী মাহৰ পৰা এই সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰটোৰ শীৰ্ষ মহলাত নামঘৰ স্থাপন কৰা হ’ব, লগতে প্ৰায়p৩০০ৰ পৰা ৪০০ লোক বহিব পৰা অত্যাধুনিক বহুমুখী প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ’ব, য’ত সামূহিক সমাৱেশ আৰু বৃহৎ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা যাব। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই দ্বাৰকা ছেক্টৰ-ৰ্‌ত নিৰ্মীয়মান নতুন অসম ভৱন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি আৰু মানদণ্ড সন্দৰ্ভত পৰ্যালোচনা কৰে। প্ৰায় ৩০,০০০ বৰ্গফুট মুঠ এলেকাজুৰি ১০০০ বৰ্গমিটাৰ প্লটত নিৰ্মিত এই ভৱনটো এটি বেছমেণ্টসহ চাৰি মহলীয়া আধুনিক গাঁথনি, যি আনোনুমাণিক ২১.৬৬ কোটি টকা ব্যয়েৰে সজাই তোলা হৈছে। ২০২৩ চনৰ চচ এপ্ৰিলত মুখ্যমন্ত্ৰীয়ে এই অসম ভৱনৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ উপক্ৰম হৈছে, আৰু অতি সোনকালে ইয়াক উদ্বোধন কৰা হ’ব। নতুন অসম ভৱনটোত ৰাজ্যৰ পৰা দিল্লীলৈ চিকিৎসা, শিক্ষা বা অন্যান্য প্ৰয়োজনত অহা লোকসকলৰ বাবে আধুনিক সুবিধাসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত এটা ভিভিআইপি ছুইট, ১৮টা অতিথিশালা, বুটা ছাত্ৰাবাসৰ বিছনা, এটা দুটা বেডৰুমৰ শচচ বিএইচকেগ্ন ইউনিট, আৰু আৱাসী কৰ্মচাৰীৰ বাবে দুটা একক বেডৰুমৰ ইউনিট থাকিব। লগতে কেফেটেৰিয়া, ৰিচেপচন লাউঞ্জ, পাকঘৰ, সাধাৰণ শৌচাগাৰ, যাত্ৰীবাহী লিফট, গাড়ী লিফট আৰু পৰ্যাপ্ত পাৰ্কিং স্থানৰ দৰে সুবিধাই ৰোগী, ছাত্ৰ-ছাত্ৰী আৰু দৰ্শনাৰ্থীসকলৰ বাবে এক আৰামদায়ক আৰু সুলভ থকাৰ ব্যৱস্থা সুনিশ্চিত কৰিব। মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ দুৰ্গা পূজাৰ দিনা বা তাৰ আগতে দ্বাৰকাস্থিত এই নতুন অসম ভৱন আৰু চৰ্দাৰ পেটেল মাৰ্গত পুনৰ উন্নীতকৃত অসম ভৱন - দুয়োখন উদ্বোধন কৰাৰ পৰিকল্পনা থকা বুলি ঘোষণা কৰে। তেওঁ কয় যে কেইবছৰমান পূৰ্বে লোকপ্ৰিয় গোপীনাথ বৰদলৈ মাৰ্গত থকা পুৰণি গৃহটো পুনৰ নিৰ্মাণ কৰাৰ লগতে চৰ্দাৰ পেটেল মাৰ্গৰ বৰ্তমানৰ অসম ভৱনটোও সম্পূৰ্ণৰূপে আধুনিকীকৰণ কৰি নতুন ৰূপ দিয়া হৈছে। ৰাজ্যৰ পৰা দিল্লীলৈ অহা লোকৰ সুবিধা আৰু অধিক বৃদ্ধি কৰিবলৈ গৃহীত পদক্ষেপসমূহৰ ভিতৰত দ্বাৰকাত নিৰ্মীয়মান কাৰ্বি ভৱন আৰু ডিমাছা ভৱনও উল্লেখযোগ্য। মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱগত কৰে যে এই ভৱন দুখন নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে, যিয়ে বিভিন্ন জনগোষ্ঠীৰ লোকসকলক নিজা নিজা সুবিধা প্ৰদান কৰিব। লগতে তেওঁ জানিবলৈ দিয়ে যে কলকাতাৰ ৰাছেল ষ্ট্ৰীটত থকা পুৰণি অসম ভৱন ভাঙি তাৰ ঠাইত ৯০টা কোঠাৰ নতুন সুবিধা স্থাপন কৰা হ’ব, আৰু ছল্ট লেকৰ অসম ভৱনটোও পুনৰ নিৰ্মাণ কৰা হ’ব। চলিত বৰ্ষৰ শেষৰ ফালে বেংগালুৰুত নতুন অসম ভৱন উদ্বোধন কৰাৰ লগতে মুম্বাইত অসম ভৱন নিৰ্মাণৰ বাবে বন্দৰ কৰ্তৃপক্ষৰ পৰা নতুন প্লট অধিগ্ৰহণ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাষ্ট্ৰীয় ৰাজধানীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত এই আধুনিক সুবিধাসমূহে অসমৰ চহকী সাংস্কৃতিক পৰম্পৰাক সংৰক্ষণ আৰু প্ৰচাৰৰ সমান্তৰালভাৱে প্ৰবাসী অসমীয়া, ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু দৰ্শনাৰ্থী সকলোৰে বাবে গুণগত সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। পৰিদৰ্শনৰ সময়ত বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, আৱাসী আয়ুক্ত কবিতা পদ্মনাভনকে ধৰি ৰাজহুৱা কাম-কাজ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# সোণম ৱাংচুকৰ আন্দোলন দমনৰ

সংগ্ৰাম সমিতি’ (মাছ)য়ে এই কাৰ্যক অগণতান্ত্ৰিক আৰু স্বৈৰাচাৰী বুলি অভিহিত কৰি কেন্দ্ৰীয় চৰকাৰৰ দমনমূলক নীতিৰ তীব্ৰ সমালোচনা কৰিছে। সংগঠনটোৰ মুখ্য উপদেষ্টা আদিত্য লহকৰ, অধ্যক্ষ বুবুমনি গোস্বামী আৰু সচিব ৰাজু সিংহই আজি এখন যুটীয়া প্ৰেছ বিবৃতিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপক গৰিহণা দিয়ে। তেওঁলোকে প্ৰশ্ন উত্থাপন কৰে যে গণতান্ত্ৰিক আন্দোলনলৈ চৰকাৰৰ ইমান ভয় কিয়? চৰকাৰে দেশৰ নাগৰিকৰ প্ৰতি সাংবিধানিক সন্মান প্ৰদৰ্শন কৰা উচিত, কিন্তু দিল্লী আৰক্ষীয়ে চলোৱা এই কাৰ্য্যই স্পষ্টভাৱে প্ৰমাণ কৰে যে চৰকাৰে আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে কেৱল ক্ষমতাৰ বলত জনমত দমন কৰিবলৈ বিচাৰিছে। মানৱ অধিকাৰী নেতৃবৃন্দই ক্ষোভেৰে কয় যে এগৰাকী দেশপ্ৰেমী আৰু অহিংস আন্দোলনকাৰীৰ ওপৰত কৰা এনে বৰ্বৰ আচৰণ ভাৰতীয় গণতন্ত্ৰৰ বাবে এক ক’লা অধ্যায়। তেওঁলোকৰ মতে, শান্তিপূৰ্ণ প্ৰতিবাদক কঠোৰ হাতেৰে দমন কৰাৰ এই প্ৰৱণতাই আগন্তুক দিনত গণতান্ত্ৰিক মূল্যবোধৰ বাবে এক গুৰুতৰ ভাবুকি কঢ়িয়াই আনিছে। সমিতিয়ে স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে চৰকাৰে আলোচনাৰ মাধ্যমত সমস্যাৰ সমাধান নকৰে, তেতিয়ালৈকে এনে প্ৰতিবাদী কণ্ঠ কোনো বলপ্ৰয়োগেৰে স্তব্ধ কৰিব নোৱাৰিব। উল্লেখ্য যে, সোণম ৱাংচুকৰ এই আন্দোলন সম্পূৰ্ণৰূপে দেশৰ কোটি কোটি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত আৰম্ভ কৰা হৈছিল। শেহতীয়াকৈ ‘নীট’ পৰীক্ষাত সংঘটিত প্ৰশ্নকাকত ফাদিলৰ দৰে বৃহৎ অনিয়মৰ বিৰুদ্ধেও এই মঞ্চৰ পৰা প্ৰতিবাদী আৱাজ তোলা হৈছিল। ‘মাছ’ৰ নেতৃত্বই কয় যে সামগ্ৰিক পৰীক্ষা ব্যৱস্থাৰ এনে বৃহৎ বিপৰ্যয়ে লাখ লাখ মেধাৱী শিক্ষাৰ্থীৰ ভৱিষ্যত অন্ধকাৰলৈ ঠেলি দিছে। চৰকাৰী প্ৰতিষ্ঠানসমূহৰ এই চৰম ব্যৰ্থতাই সমগ্ৰ দেশতে এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই ভয়ংকৰ প্ৰশ্নকাকত ফাদিল কেলেংকাৰীৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে শীঘ্ৰেই নিজৰ পদৰ পৰা পদত্যাগ কৰিব লাগে বুলি ‘মাছ’ৰ নেতৃত্বই জোৰদাৰ দাবী উত্থাপন কৰে। তেওঁলোকে কয় যে এনে বৃহৎ অনিয়মৰ পিছতো শিক্ষামন্ত্ৰীজন পদত বহি থকাটো দেশৰ শিক্ষাৰ্থীসকলৰ প্ৰতি এক অমাৰ্জনীয় অপৰাধ। লগতে সমিতিয়ে হুংকাৰ দি স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে দেশৰ শিক্ষা ব্যৱস্থাত সম্পূৰ্ণ স্বচ্ছতা ঘূৰি নাহে আৰু প্ৰতিগৰাকী ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ ন্যায় প্ৰাপ্তি নিশ্চিত নহয়, তেতিয়ালৈকে এই প্ৰতিবাদী কণ্ঠ নীৰৱ কৰিবলৈ কোনো চৰকাৰী বলপ্ৰয়োগেই সক্ষম নহ’ব। আগন্তুক দিনত এই গণতান্ত্ৰিক আন্দোলন আৰু অধিক তীব্ৰতৰ হ’ব বুলি সকীয়াই দি ‘মানৱ অধিকাৰ সংগ্ৰাম সমিতি’য়ে সকলো গণতান্ত্ৰিক শক্তিৰ প্ৰতি আহ্বান জনাইছে যে তেওঁলোকে এই ন্যায্য আন্দোলনত সহমৰ্মিতা প্ৰকাশ কৰি চৰকাৰৰ স্বৈৰাচাৰী মনোভাৱৰ বিৰুদ্ধে একত্ৰিত হ’ব লাগে। সমিতিৰ মতে, এয়া কেৱল এগৰাকী ব্যক্তিৰ প্ৰতিবাদ নহয়, সমগ্ৰ দেশৰ শিক্ষাৰ্থী আৰু ভৱিষ্যত প্ৰজন্মৰ অধিকাৰৰ বাবে এক ঐতিহাসিক সংগ্ৰাম।

# জয়ন্ত মল্ল বৰুৱাৰ পত্নীৰ নামত ৪২

অস্বাভাৱিক বৃদ্ধি ঘটাইছে। সংবাদমেলত বিধায়ক গগৈয়ে চৰকাৰী তথ্যৰ উদ্ধৃতি দি কয় যে ২০১১ চনত নিৰ্বাচনী আয়োগত দাখিল কৰা শপতনামা অনুসৰি জুলি ডেকা বৰুৱাৰ বাৰ্ষিক আয় আছিল মাত্ৰ ২.১৮ লাখ টকা, অৰ্থাৎ মাহিলী প্ৰায় ১৮ হাজাৰ টকা। ২০২১ চনলৈকে তেওঁৰ নামত এক কঠাও কৃষিভূমি নাছিল, কেৱল নলবাৰীত ১ বিঘা ১ কঠা অনাকৃষি ভূমিহে আছিল। কিন্তু ২০২১ চনত জয়ন্ত মল্ল বৰুৱা মন্ত্ৰী হোৱাৰ পাছৰে পৰা তেওঁৰ পত্নীৰ নামত সম্পত্তি ক্ৰয়ৰ গতি উল্লেখযোগ্যভাৱে বৃদ্ধি পায় বুলি গগৈয়ে উল্লেখ কৰে। গগৈৰ দাবী অনুসৰি, ২০২৩ চনৰ ৰচ এপ্ৰিলত গণেশগুৰিত ৰ্‌ হাজাৰ বৰ্গফুটৰ এটা চাৰিমহলীয়া অট্টালিকা ক্ৰয় কৰা হয়, য’ত বৰ্তমান হোটেল আৰু কেএফচি প্ৰতিষ্ঠান চলি আছে। ইয়াৰ উপৰি ২০২৩ চনৰ ২৫ মে’ত তেজপুৰ বিশ্ববিদ্যালয়ৰ সমীপৰ পুনিয়নিত ছ বিঘা ৰ কঠা ভূমি ক্ৰয় কৰা হয়। ২০২৫ চনৰ এপ্ৰিলৰ পৰা ডিচেম্বৰৰ ভিতৰত উত্তৰ গুৱাহাটীৰ সেন্দূৰীঘোপা গাঁৱত ৬ বিঘা চ কঠা ৭ লেচা মাটি ক্ৰয় কৰাৰ লগতে শেহতীয়াকৈ চঞ্ছচ্ছ চনৰ ছ জুন তাৰিখে কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ সেন্দূৰীঘোপাতে প্ৰায় ৰঞ্জ কোটি টকা বজাৰ মূল্যৰ মাটি পুনৰ পত্নীৰ নামত নামজাৰি কৰা হৈছে বুলিও তেওঁ কয়। সংবাদমেলত গগৈয়ে কাজিৰঙা অৰ্কিড পাৰ্কে জিএছটি ফাঁকি দিয়া বুলি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কৰা মন্তব্যৰ প্ৰতিক্ৰিয়াত কয় যে এয়া সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত। তেওঁ অভিযোগ কৰে যে চৰকাৰে ৰাইজৰ দল আৰু তেওঁক ভয় কৰে বাবেই এই ধৰণৰ মানসিক হেঁচা প্ৰয়োগ কৰি অপ্ৰাসংগিক কৰিব বিচাৰিছে। এই প্ৰসংগত বিধায়কগৰাকীয়ে মন্ত্ৰী বৰুৱাক বিধানসভাত নিজৰ আৰু পৰিয়ালৰ সম্পত্তিৰ উৎস সন্দৰ্ভত মুকলিকৈ বিতৰ্কত অৱতীৰ্ণ হ’বলৈ প্ৰত্যাহ্বান জনায়। “মই মন্ত্ৰীগৰাকীক কৈছো, যদি সাহস থাকে তেন্তে বিধানসভাত এই বিষয় লৈ আলোচনা কৰক, জনতাৰ আগত নিজৰ সম্পত্তিৰ উৎস স্পষ্ট কৰক, “- গগৈয়ে কয়। ইফালে, গগৈয়ে গুৱাহাটীৰ বশিষ্ঠ উৰণীয়া সেতুত ছোনম ৱাংচুকৰ ছবি অংকন কৰা দুজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনাকো তীব্ৰ গৰিহণা দিয়ে। ডিব্ৰুগড়ৰ নকুল মিলি আৰু গুৱাহাটীৰ গৌৰৱ সিংহ নামৰ যুৱক দুজনক গ্ৰেপ্তাৰ কৰাৰ লগতে প্ৰশাসনে ছবিখন মচি পেলোৱা কাৰ্যক তেওঁ নিৰংকুশতাৰ পৰিচয় বুলি অভিহিত কৰে। তেওঁ কয় যে নীট পৰীক্ষাৰ বিসংগতিৰ প্ৰতিবাদত দিল্লীৰ যন্তৰ মন্তৰত অনশনৰত ৱাংচুকৰ প্ৰতি সমৰ্থন জনাবলৈকে এতিয়া ভয় কৰিব লগা হৈছে। গগৈয়ে পূৰ্বৰ ঘটনাসমূহৰ কথাও উল্লেখ কৰি কয় যে ইয়াৰ আগতেও জুবিন গাৰ্গৰ ছবি আঁকা শিল্পীক ভাবুকি দিয়া হৈছিল, লগতে মাৰ্চেল বৰুৱাক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰাৰ ভাবুকি দিয়া হৈছিল। “এই কাৰ্য্যই স্পষ্টভাৱে প্ৰমাণ কৰে যে বৰ্তমান চৰকাৰ শিল্পীসকলৰ মত প্ৰকাশ আৰু শান্তিপূৰ্ণ প্ৰতিবাদৰ বিৰুদ্ধে। ছোনম ৱাংচুকৰ ছবি আঁকা যুৱকসকলক গ্ৰেপ্তাৰ কৰি আৰু ছবি মচি পেলাই চৰকাৰে নিজৰ আচল ৰূপ প্ৰকাশ কৰিছে, “- গগৈয়ে কয়।

# ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি

বৰ্তমানলৈকে নিমাতি - কমলাবাৰী ঘাটতো চিংগল ইঞ্জিনৰ ফেৰী চলাচল অব্যাহত আছে, তথাপি নদীৰ জলপৃষ্ঠ বৃদ্ধি পাই থাকিলে ফেৰী চলাচলত অধিক বাধাৰ সৃষ্টি হোৱাৰ আশংকা কৰা হৈছে। বিভাগীয় সূত্ৰই জনোৱা মতে, ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ যদি একেই গতিত বৃদ্ধি পাই থাকে, তেন্তে কাইলৈ যোৰহাট-মাজুলী জলপথৰ নিমাতি-অফলামুখ আৰু নিমাতি-কমলাবাৰী - দুয়োটা ঘাটতেই ফেৰী চলাচল সাময়িকভাৱে বন্ধ কৰিবলগীয়া হোৱাৰ সম্ভাৱনা আছে।

# ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু কেন্দ্ৰীয় কুঁহি অনুষ্ঠানৰ আয়োজক সমিতি মানকটা শাখাৰ যৌথ উদ্যোগত পৰ্য্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ জুলাই ঃ** ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অহা ইং ২২, ২৩, ২৪, ২৫ আৰু ২৬ জুলাইত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত, মানকটা শতদল শাখা সাহিত্য সভাৰ আতিথ্যত আৰু কেন্দ্ৰীয় কুঁহি উপ- সমিতিৰ ব্যৱস্থাপনাত অসম সাহিত্য সভাৰ 'কেন্দ্ৰীয় কুঁহি অনুষ্ঠানৰ'কাৰ্যসূচী সফল কৰিবলৈ ইতিমধ্যে ব্যাপক আয়োজন কৰাৰ লগতে এখনি শক্তিশালী আদৰণী সমিতি গঠন কৰা হৈছে। অনুষ্ঠানটি সফল ৰূপায়ণৰ বাবে আজি ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈৰ উপস্থিতিত এখনি পৰ্যালোচনা সভা আউনীআটী শাখা সত্ৰ প্ৰেক্ষাগৃহ মানকটা শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। মানকটা শতদল শাখা সাহিত্য সভাৰ সম্পাদক নৱনীতা শ্যাম উৰঙীয়াই আঁত ধৰা সভাত 'শিশু ভাওনা আৰু সমাৰোহ'ৰ উদ্বোধনী অনুষ্ঠানৰ লগতে অসমৰ ভিন্ন প্ৰান্তৰ পৰা অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি সকলৰ সেৱা শুশ্ৰূষা আৰু মূল অনুষ্ঠানৰ কাৰ্যসূচী সমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা হয়। সভাত অসম সাহিত্য সভাৰ সদস্য নোমল গগৈ, প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া, অনিমা কোঁচ গগৈ, কুশল কোঁৱৰকে প্ৰমুখ্যকৰি আদৰণি সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। অসম সাহিত্য সভা কেন্দ্ৰীয় ব্যৱস্থাপনাত 'কেন্দ্ৰীয় কুঁহি অনুষ্ঠানৰ আয়োজনৰ বাবে এখনি শক্তিশালী আদৰণী সমিতি গঠন কৰি যাবতী কৰ্ম আগবঢ়াই আছে। উল্লেখ্য যে ২২ জুলাই প্ৰথম দিনা মানকটা শতদল শাখা সাহিত্য সভা প্ৰতিষ্ঠা দিৱস আৰু ৰংমন দিৱসৰ কাৰ্যসূচী লগতে শাখা শিশু সকলৰ বিশেষ কাৰ্যসূচীয় অনুষ্ঠিত হব লগা কাৰ্যসূচী আৰম্ভণিতে পুৱা মানকটা শতদল শাখা সাহিত্য সভা সভাপতি কুসুম সোণোৱাল শইকীয়াই পতাকা উত্তোলন কৰা পিছতে- বন্তি প্ৰজ্বলন কৰিব মানকটা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অনিমা কোঁচ গগৈ লগতে সহযোগী হিচাপে অন্যান্য সাহিত্য অনুৰাগী সকলে। শুভাৰম্ভণি সত্ৰত সভাপতিত্ব কৰিব -মানকটা শতদল শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়া আৰু অনুষ্ঠানৰ আঁত ধৰিব মানকটা শতদল শাখা সাহিত্য সভাৰ সম্পাদক নৱনীতা শ্যাম উৰঙীয়াই। আনহাতে ৰহস্য সাহিত্যিক 'ৰবীন দে'ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব শাখা সাহিত্য সভাৰ বিষয়ববীয়া লগতে সন্মানীয় অতিথি সকল ক্ৰমে পোনা সোণোৱাল, প্ৰাক্তন সভাপতি, মানকটা শাখা সাহিত্য সভা, তৰুণজ্যোতি ফুকন, কোষাধ্যক্ষ, মানকটা শাখা সাহিত্য সভা, ৰাজেশ বৰুৱা, '(বিভীষণ বৰুৱা সোঁৱৰণী বঁটা' প্ৰদান কৰোঁতা), লৱণু শইকীয়া, সহকাৰী সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, অজিত বুঢ়াগোহাঁই, সহকাৰী সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, উৎপল সোণোৱাল, সাংগঠনিক সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, ঝৰ্ণা শইকীয়া, সাংস্কৃতিক সম্পাদক, ডিব্ৰুগড় জিলা সাহিত্য সভা, ধনীৰাম বৰুৱা, সভাপতি, পূব ডিব্ৰুগড় শাখা সাহিত্য সভা, জ্যোতি বৰগোঁহাই, সভাপতি, ডিব্ৰুগড় সাহিত্য সভা, ৰুদ্ৰ গগৈ, সভাপতি, বৰপথাৰ শাখা সাহিত্য সভা, দেৰেন কোঁৱৰ, সভাপতি, বৰবৰুৱা শাখা সাহিত্য সভা, শিখা বৰা গগৈ, সভাপতি, লেজাই শাখা সাহিত্য সভা, সুৰেশ আগৰৱালা, সভাপতি, লুইতপৰীয়া স্বৰ্ণ শাখা সাহিত্য সভা অজয় দত্ত, সভাপতি, বাণীপুৰ শাখা সাহিত্য সভা, ভূষণজ্যোতি সন্দিকৈ, সভাপতি, ৰামধেনু শাখা সাহিত্য সভা, ফুলেশ্বৰ শইকীয়া, সভাপতি, নিজ-মানকটা খনীয়া গাঁও শাখা সাহিত্য সভা, ৰাতুল বুঢ়াগোহাঁই, সম্পাদক, ডিব্ৰুগড় সাহিত্য সভা, কণকচম্পা বুঢ়াগোহাঁই, সম্পাদক, পূব ডিব্ৰুগড় শাখা সাহিত্য সভা, নিৰঞ্জন বৰুৱা, সম্পাদক, নিজ-মানকটা খনীয়া গাঁও শাখা সাহিত্য সভা, অৰূপ শইকীয়া, সম্পাদক, লেজাই শাখা সাহিত্য সভা, বিমান দুৱৰা, সম্পাদক, বৰপথাৰ শাখা সাহিত্য সভা, কণক নেওগ, সম্পাদক, বৰবৰুৱা শাখা সাহিত্য সভা, মুস্কান বাৰ্মা, সম্পাদক, লুইতপৰীয়া স্বৰ্ণ শাখা সাহিত্য সভা, ডঃ দিব্যলতা বৰা, সম্পাদক, বাণীপুৰ শাখা সাহিত্য সভা, অনিল প্ৰসাদ সিং, সম্পাদক, ৰামধেনু শাখা সাহিত্য সভা, ৰাজু চাহু, সম্পাদক, ৰাজগড় শাখা সাহিত্য সভা। মাংগলিক অনুষ্ঠানত সহযোগিতা আগবঢ়াব মিলিজুলি নাম-কীৰ্তন দল শিল্পী সকলে আৰু শ্ৰদ্ধাঞ্জলি ভাষণ আগবঢ়াব নোমল চন্দ্ৰ গগৈ, প্ৰাক্তন সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা। উক্ত অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি গ্ৰন্থ 'ৰংমন'ৰ উন্মোচন কৰিব প্ৰশান্ত শইকীয়া, আহ্বায়ক, কুঁহি উপশমিতি, অসম সাহিত্য সভা। একেটা অনুষ্ঠানতে 'স্মৃতিগ্ৰন্থ' উন্মোচন কৰিব প্ৰহ্লাদ চন্দ্ৰ তাছা, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা। দিনৰ ১১.০০ বজাৰ পৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী 'কুঁহি' 'আকাশ' 'ৰামধেনু' অনুষ্ঠান আৰু 'কবি' সন্মিলন সাংস্কৃতিক' অনুষ্ঠানটি পৰিচালনা কৰিব কুশল কোঁৱৰ, আহ্বায়ক, সাংস্কৃতিক উপশমিতি, মানকটা শতদল শাখা সাহিত্য সভা। প্ৰতিদিনে সন্ধিয়া শিশু ভাওনা প্ৰদৰ্শন হ'ব। ২৬ জুলাই সামৰণি অনুষ্ঠানত পুৱা ৮.৩০ বজা: স্মৃতি তৰ্পণমুখ্য তৰ্পকঃ বদন গগৈ, সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা, পুৱা ৯.০০ বজাঃ শ্ৰদ্ধাঞ্জলি জ্ঞাপন (ডঃ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গ)জ্ঞাপক: প্ৰশান্ত নেওগ, উপ-সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু আয়েচা বেগম, উপ-সভাপতি, কুঁহি উপশমিতি, অসম সাহিত্য সভা, ভীমবৰ পাতিৰ, উপ-সভাপতি, কুঁহি উপশমিতি, অসম সাহিত্য সভা কৰুণাকান্ত শৰ্মা, উপ সভাপতি, কুঁহি উপশমিতি, অসম সাহিত্য সভা। সভাপতি: মৃণাল হাজৰিকা, কাৰ্যকৰী সভাপতি, কুঁহি উপশমিতি আদৰণী ভাষণ: কুসুম সোণোৱাল 'শইকীয়া, সভাপতি, মানকটা শাখা সাহিত্য সভা। উদ্বোধনী ভাষণ: নোমল চন্দ্ৰ গগৈ, জিলা প্ৰতিনিধি (ডিব্ৰুগড় জিলা) উদ্দেশ্যৰ কথকতা: 'দেৱজিৎ বৰা, প্ৰধান 'সম্পাদক, অসম সাহিত্য সভা, মুখ্য অতিথিঃ ডঃ বসন্ত কুমাৰ গোস্বামী, সভাপতি, অসম সাহিত্য সভা, গ্ৰন্থ উন্মোচকঃ পদুম ৰাজখোৱা, উপ- সভাপতি, অসম সাহিত্য সভা। উক্ত দিনা শিশু আৰু কিশোৰ-কিশোৰীৰ 'কুঁহি'ৰ দলীয় অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি আলেখ্য/ নৃত্য/ বাদ্য/ অভিনয়/ কবিতা পাঠ/ সংগীত/ সুৰ সমলয/ বিহু পৰিৱেশন আদি আৰু একক অনুষ্ঠানত বক্তৃতা প্ৰদান/ সাধুকথন/ গীত/ নৃত্য/ কবিতা পাঠ/ অভিনয় সংলাপ প্ৰক্ষেপণ/ মুক অভিনয় আদি অনুষ্ঠিত হব। সন্ধিয়া ৬.০০ বজাঃডিব্ৰুগড়ৰ বিশিষ্ট প্ৰবীণ ভাওনা শিল্পী, গায়ন- বায়ন, সংগঠকবৃন্দক সম্বৰ্ধনা জ্ঞাপন আৰু সন্ধিয়া ৭.০০ বজাত মহিলা ভাওনা প্ৰদৰ্শন হ'ব। মানকটা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হ'বলগা ভাওনা উদ্বোধন কৰিব ডিব্ৰুগড় বিধানসভা সমষ্টি বিধায়ক প্ৰশান্ত ফুকনে।

# ৰহাৰ ৰূপানন্দ নাথৰ দুখন গ্ৰন্থ ভাগ্যোদয়ত সংখ্যা বিজ্ঞান আৰু বাস্তুশাস্ত্ৰ আৰু সপোনৰ ঘৰখন শুভ উন্মোচন

**অসম বাৰ্তা, ৰহা, ১৯ জুলাই ঃ** আজি নগাঁও জিলাৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰ গ্ৰন্থকাৰ ৰূপানন্দ নাথৰ দ্বাৰা ৰচিত ভাগ্যোদয়ত সংখ্যা বিজ্ঞান আৰু বাস্তুশাস্ত্ৰ আৰু সপোনৰ ঘৰখন গ্ৰন্থৰ শুভ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিছাপে উপস্থিত থাকে নগাঁও বটদ্ৰৱাৰ বিধায়ক ৰূপক শৰ্মা, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেব গোস্বামী প্ৰভু শিক্ষক অংশুমান শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত হিয়াৰ আমঠু জুবিন গাৰ্গ দেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নগাঁও জিলাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত চন্দ্ৰ মহন্তই ইয়াৰ পিছতে আদৰণি ভাষণ প্ৰদান কৰে সু লেখক, কবি, শিক্ষক লক্ষ্মী প্ৰসাদ ডেকাই। এই শুভ অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেব গোস্বামীয়ে সকলোৰে সহযোগত গ্ৰন্থ দুখন উন্মোচন কৰি ৰাইজৰ মাজলৈ উলিয়াই দিয়ে। উক্ত অনুষ্ঠান ভাগত বেহাৰবাৰী মোহন খ্যাত দ্বীপজ্যাতি কেওট উপস্থিত হৈ জনপ্ৰিয় সংলাপেৰে ৰাইজক আপ্লুত কৰে। নগাঁও আগশাৰী প্ৰকাশন গোষ্ঠী ৰূমী ৰূপক প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত "ভাগ্যোদয়ত সংখ্যা বিজ্ঞান" গ্ৰন্থখনত সংখ্যা বিজ্ঞানৰ জৰিয়তে মানুহৰ ব্যক্তিত্ব, জীৱনৰ সম্ভাৱনা, ভাগ্য, শুভ সংখ্যা, শুভ সময়, কৰ্মজীৱন, পাৰিবাৰিক জীৱন আৰু সফলতাৰ বিভিন্ন দিশ সহজ ভাষাত বিশ্লেষণ কৰা হৈছে। একেদৰে "বাস্তুশাস্ত্ৰ আৰু সপোনৰ ঘৰখন" গ্ৰন্থখনত প্ৰাচীন বাস্তুশাস্ত্ৰৰ নীতি-নিয়মক আধুনিক জীৱনধাৰাৰ সৈতে সামঞ্জস্য ৰাখি গৃহ নিৰ্মাণ, ভূমি নিৰ্বাচন, দিশ নিৰ্ধাৰণ, বাস্তুদোষ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়ে বিস্তৃতভাবে আলোচনা কৰা হৈছে। সভাত নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা, সাংবাদিক তথা ৰণাগংন কাকতৰ মুখ্য সম্পাদক মিণ্টু দাস, নগাঁও সাহিত্য সভাৰ কৰ্মচাৰী দীপাংকৰ শইকীয়া, ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি দীপক কুমাৰ শৰ্মা, সমাজকৰ্মী লক্ষ্যজ্যোতি মেধি, দোলেন কোঁৱৰ, বিশিষ্ট সমাজকৰ্মী উৎপল বনিয়া, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি, নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি পৱনজ্যোতি বৰা, নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহিলা গোটৰ সভানেত্ৰী মিনু বৰা, সমাজকৰ্মী সূৰ্বণ সিং, সমাজ কৰ্মী শ্ৰীমন্ত দেউৰী, ৰহা শিল্পী কাননৰ সম্পাদক ভাস্কৰজ্যোতি পাতৰ, শিক্ষয়িত্ৰী লক্ষ্মী প্ৰভা দেৱী, অৱসৰ প্ৰাপ্ত শিক্ষক প্ৰফুল্ল কুমাৰ নাথ, শিক্ষাবিদ ভদ্ৰ কান্ত নাথ, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সোণাৰাম নাথ ডাঃ ইভাৰাণী ভূঞা, বিশিষ্ট চিকিৎসক ডাঃ কে, চি, দত্ত, ডাঃ জিয়াৰুল হক সাংবাদিক ফুনু শৰ্মা, ছয়েল খেতান, সুৰুয বৰা, ৰাজজ্যোতি দাস, নৱজ্যোতি ভূঞা, ৰূপানন্দ নাথৰ সহধৰ্মিনী তথা শিক্ষয়িত্ৰী ৰশ্মি ৰাণী দেৱী, চয়নিকা ডেকা ৰজা, জয়া পাটৰ, নগাঁও জিলা বীৰ লাচিত সেনাৰ সভাপতি ৰূপজ্যোতি শইকীয়া, নগাঁও আগশাৰী নাছিং হোম নেমচিৰ সঞ্চালক ছৰিফুল ইছলাম, হেমাংগ ৰঞ্জন নাথ, মুকুল হাজৰিকা, শিক্ষয়িত্ৰী যুগমিতা শইকীয়া, ৰজনী বৰা শিক্ষক কংকন কাকতি সহপৰিয়াল বৰ্গৰ লগতে বহুতো গণ্য মান্য ব্যক্তি উপস্থিত থাকে সকলোৰে গ্ৰন্থদ্বয় পাঠক সমাজৰ বাবে এক মূল্যৱান সম্পদ হব বুলি উপস্থিত ৰাইজে ধাৰণা কৰা হৈছে।



## যোগাযোগৰ নামত নৰক যন্ত্ৰণা; লোকনিৰ্মাণ বিভাগৰ ভূমিকা লৈ প্ৰশ্ন

# এজাক বৰষুণতে 'সাগৰ' সদৃশ মাজুলীৰ গ্ৰাম্য পথ; যাতায়াত ব্যাহত, ক্ষোভিত ৰাইজ



**অসম বাৰ্তা, উজনী মাজুলী, ১৯ জুলাই ঃ** বিগত কেইবাদিনো ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত মাজুলীৰ গ্ৰাম্য পথসমূহৰ পুৰণি আৰু জৰাজীৰ্ণ স্বৰূপটো পুনৰ ওলাই পৰিছে। এজাক বৰষুণতে বোকা-পানীৰে উপচি পৰিছে নদীদ্বীপটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ গ্ৰাম্য পথ, যাৰ ফলত স্তব্ধ হৈ পৰিছে স্বাভাৱিক জনজীৱন। যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত জনসাধাৰণে চৰম নৰক যন্ত্ৰণা ভোগ কৰাৰ লগতে একপ্ৰকাৰ ঘৰতে পণবন্দী হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। বিশেষকৈ, উজনি মাজুলীৰ অভয়পুৰীয়া, ৰাঙলীবাহৰ, ভকতি দুৱাৰ, চিৰাম দেউৰী, মূদৈবিল চাৰিআলি হৈ মাজৰ দেউৰী তিনিআলি সংযোগী জৰাজীৰ্ণ পথটোৰ অৱস্থা বৰ্তমান আটাইতকৈ শোচনীয়। বৰষুণৰ ফলত সমগ্ৰ পথটো এতিয়া বোকা আৰু পানীৰ এক 'সাগৰ'লৈ ৰূপান্তৰিত হৈছে। পথটোৰ ব্লেক টেপিং এৰাই গৈ ডাঙৰ ডাঙৰ পুখুৰীৰ সৃষ্টি হৈছে। ফলত মটৰ চাইকেল, বাইচাইকেল বা লঘু বাহন দূৰৰে কথা, সাধাৰণ ৰাইজে খোজ কাঢ়ি যোৱাটোও অসম্ভৱ হৈ পৰিছে। শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত মাজুলীৰ বহু পথ পকীকৰণ হৈ উঠিছে, বহু পথ নিৰ্মাণ হৈ আছে আৰু আন কেইবাটাও পথৰ নিবিদা আহ্বান কৰিছে লোকনিৰ্মাণ বিভাগে। আজিৰ পৰা প্ৰায় ১৫ বছৰ আগতে পথটো পকীকৰণ হৈছিল যদিও দৈনিক লঘু আৰু গধুৰ যান বাহন অহা যোৱাৰ ফলত পথটো বহু বছৰ আগতেই ভাগি ছিগি যায়। কিন্তু আশ্চৰ্যজনকভাৱে, দীৰ্ঘদিন ধৰি যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি থকা এই অভয়পুৰীয়াৰ পৰা মাজৰ দেউৰী তিনিআলি সংযোগী গুৰুত্বপূৰ্ণ পথটো পকীকৰণৰ কোনো ব্যৱস্থা হাতত লোৱা নাই লোক নিৰ্মাণ বিভাগে বিভাগে। চৰকাৰী আঁচনিৰ এই বৈষম্যমূলক নীতিক লৈ স্থানীয় জনসাধাৰণৰ মাজত এতিয়া তীব্ৰ ক্ষোভ সৃষ্টি হৈছে। লোকনিৰ্মাণ বিভাগৰ চৰম অকমন্যতাৰ বাবেই এনে জৰাজীৰ্ণ মূল পথসমূহ মেৰামতি বা নিৰ্মাণ কৰা হোৱা নাই। পূৰ্বেও এই সন্দৰ্ভত সংবাদ মাধ্যমত একাধিকবাৰ সবিস্তাৰে বাতৰি প্ৰকাশ পাইছে যদিও আজিলৈকে গা লৰা নাই জিলা প্ৰশাসন কিম্বা লোকনিৰ্মাণ পথ বিভাগৰ। জিলা প্ৰশাসন আৰু বিভাগীয় কৰ্তৃপক্ষৰ এনে উদাসীনতাত অতিষ্ঠ হৈ পৰা অঞ্চলটোৰ ভুক্তভোগী ৰাইজে এতিয়া মাজুলীৰ বিধায়ক ভুৱন গামৰ জৰুৰী হস্তক্ষেপ দাবী কৰিছে। লোকনিৰ্মাণ বিভাগক অতি শীঘ্ৰে এই পথটো নিৰ্মাণৰ বাবে নিৰ্দেশ দিবলৈ ৰাইজে বিধায়কগৰাকীক কাতৰ আহ্বান জনাইছে। অন্যথা অনাগত দিনত বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে ৰাইজ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলিও সকীয়াই দিয়ে।

# মাজুলীৰ আৰক্ষী বিভাগৰ প্ৰশংসনীয় কাৰ্য; কমবয়সীয়া, লাইচেন্স নোহোৱা, বিপজ্জনকভাৱে বাইক চলোৱা কিশোৰক কৰায়ত্ব

## উদণ্ড বাইক আৰোহীক নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন ঠাইৰ ৰাইজৰ আহ্বান

**অসম বাৰ্তা, মাজুলী, ১৯ জুলাই ঃ** চৰকাৰে যিমানেই নতুন নতুন আইন প্ৰণয়ন নকৰক জনসাধাৰণ সচেতন নহ'লে পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱা আশা কৰিব নোৱাৰি। চৰকাৰে বাইক আৰোহীৰ ক্ষেত্ৰত লাইচেন্স আৰু হেলমেট পৰিধান কৰা বাধ্যতামূলক কৰিছিল যদিও আৰক্ষীৰ অলক্ষিতে মাজুলীৰ বিভিন্ন ঠাইত কমবয়সীয়া উদণ্ড বাইক আৰোহীৰ উৎপাতত পথাচাৰীয়ে পথটো পাৰ হ'বলৈ ভয় কৰে। গত কেইটা মাহ নহব লগীয়া দুৰ্ঘটনা সংঘটিত হৈছে। মাজুলীৰ আৰক্ষী বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে পোৱা মাজুলীৰ সচেতন মহলৰ পৰা পোৱা এক অভিযোগৰ ওপৰত ভিত্তি কৰি কালি ফুলনি আৰক্ষীয়ে অভিযুক্ত বাইক আৰোহীকেইজনক আটক কৰি তেওঁলোকৰ অভিভাৱক থানালৈ মতাই আনে। যান-বাহন আইন উলংঘা কৰি নিৰ্ধাৰিত বয়সত উপনীত নোহোৱাকৈ ড্ৰাইভিং লাইচেঞ্চ অবিহনে ৰাস্তাত বিপদজনকভাৱে বাইক চলোৱাৰ অভিযোগত আটাইকেইজনৰপৰা আইনমতে জৰিমনা আদায় কৰাৰ উপৰিও, সংশ্লিষ্ট অভিভাৱকৰ লগতে কিশোৰ/যুৱককেইজনৰ পৰা ভৱিষ্যতে এই ধৰণৰ কাৰ্যত লিপ্ত নোহোৱাৰ লিখিত প্ৰতিশ্ৰুতি লোৱা হয়। জনপথ কেৱল বাইক চালকৰ বাবেই নহয়, ই পথচাৰীৰ বাবেও। যান-বাহন আইন উলংঘা কৰি তীব্ৰবেগেৰে আনৰ জীৱনলৈ ভাবুকি আনিব পৰাকৈ বিপদজনকভাৱে বাইক অথবা গাড়ী চলোৱাটো আইনমতে দণ্ডনীয়। এইক্ষেত্ৰত মাজুলী আৰক্ষীয়ে জনসাধাৰণৰ সুৰক্ষাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি যাব বুলি সদৰি কৰাৰ লগে লগে মাজুলীৰ বিভিন্ন ঠাইত এনে ধৰণৰ উদণ্ড বাইক আৰোহীৰ বিষয়ে অভিযোগ উত্থাপন কৰিছে। আৰক্ষী বিভাগৰ চকুত ধূলি দি এনকাৰ্য সংঘটিত কৰা সকলক কৰায়ত্ত কৰিবলৈ আহ্বান জনাইছে। কমলাবাৰী চাৰি আলিৰ পৰা বনগাঁও পথ, আউনীআটী পথ, বেলসিদ্ধিয়া মহকিনা পথ, হৰিমন্দিৰ বৰহোলা পথ, কমলাবাৰী নাম কাটনি পথ, ধাপাক গাঁৱ চাৰি আলিৰ পৰা ফেৰী ঘাট, শান্তি পুৰ আদিত উদণ্ড বাইক আৰোহীৰ উৎপাত বৃদ্ধি পাইছে। ইয়াৰে বহুতে মদৰ ৰাগীত মাতাল হৈ চলোৱা বুলি অভিযোগ উত্থাপন হৈছে। একেদৰে গড়মূৰৰ পৰা বালিচাপৰি পথত, গড়মূৰ ফুলনি পথত, নামনি মাজুলীৰ বিভিন্ন ঠাইত এনে ধৰণৰ উদণ্ড বাইক চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে আৰক্ষী বিভাগক অনুৰোধ জনাইছে। উল্লেখযোগ্য যে মাজুলীৰ আৰক্ষী অধীক্ষকৰ সভাকক্ষত মাজুলীৰ বিভিন্ন সংবাদ মাধ্যমৰ সংবাদ কৰ্মীৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানত মাজুলীৰ বিভিন্ন স্থানত হোৱা অপৰাধ মূলক কাৰ্য নিৰ্মূল কৰাৰ অৰ্থে সংবাদ কৰ্মী সকলৰ সহযোগিতা বিচাৰিছিল আৰু সাংবাদিক সকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। আৰক্ষী বিভাগৰ তৎপৰতাত সচেতন মহলৰ লগতে বিভিন্ন মাধ্যমৰ সংবাদ কৰ্মীসকলে সন্তোষ প্ৰকাশ কৰিছে। বৰ্তমান সময়ত সন্তানৰ পিতৃ মাতৃ তথা অভিভাৱক সকল সচেতন নহ'লে যিকোনো পৰিস্থিতিৰ অৱসান সম্ভৱ নহয়। বিশেষকৈ ৰাতিৰ ভাগত নিজৰ সন্তান কলৈ যায়, কি কৰে তাৰ হিচাপ নললে বিপথগামী হোৱাটো নিশ্চিত। মৰম আৰু শাসন অবিহনে সন্তানৰ চৰিত্ৰ গঠনত কেৰোণ লাগে। বৰ্তমান সময়ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ কঠোৰ স্থিতি গ্ৰহণ কৰা উচিত।

# আন্তঃ ক্লাব মহিলা ফুটবলত কামৰূপা এফ চি চেম্পিয়ন



**অসম বাৰ্তা, ছয়গাঁও, ১৯ জুলাই ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত গোৱৰ্দ্ধন স্পোৰ্ট ক্লাব আৰু পলাশৰটাৰী ৰাইজ গয়ৰহৰ সহযোগত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ আন্ত ক্লাব লীগ মহিলা ফুটবল প্ৰতিযোগিতাৰ অন্তিমখন লীগ খেলত অংশ গ্ৰহণ কৰে কামৰূপা এফ চি(বন্ধাপাৰা) আৰু গোৱৰ্দ্ধন এফ চি। ফাইনেল খেলখন উদ্বোধন কৰে- অসম পুলিচৰ সহকাৰী উপ-পৰিদৰ্শক সতীশ ৰাভাই। খেলুৱৈৰ সৈতে চিনাকি কৰাই দিয়ে- জিলা ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক খগেন চন্দ্ৰ নাথে। খেলখন পৰিচালন কৰে- জিতুল ৰাভা, অঞ্জলি ৰাভা, সীমা ৰাভা, মনোজ ৰাভা, মেছ কমিছনাৰ-জগদীশ ৰাভা। কামৰূপা এফ চি (বন্দাপাৰা) দলে গোৱৰ্দ্ধন এফ চি দলক 5-0 গোলৰ ব্যৱধানত পৰাস্ত কৰি লীগ চেম্পিয়ন হয়। লীগৰ শ্ৰেষ্ঠ খেলুৱৈ কামৰূপা এফ চি জিয়া খাখলাৰী।

# বিশ্বনাথ জিলাৰ চাৰিগৰাকী খেলুৱৈৰ অসম প্ৰিমিয়াৰ লীগ খেলাৰ সুযোগ

## উৎফুল্ল ক্ৰীড়াপ্ৰেমী ৰাইজ

**অসম বাৰ্তা, গহপুৰ, ১৯ জুলাই ঃ** কঠোৰ অধ্যৱসায়, একানপটীয়া প্ৰচেষ্টা আৰু নিজৰ দক্ষতাৰ বলত বিশ্বনাথ জিলাৰ চাৰিগৰাকী প্ৰতিভাবান খেলুৱৈয়ে অসম প্ৰিমিয়াৰ লীগ খেলাৰ সুযোগ লাভ কৰি সমগ্ৰ অসমৰ ক্ৰীড়া জগতখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। অহা ১ আগষ্টৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া অসম প্ৰিমিয়াৰ লীগ টি ২০ ক্ৰিকেট প্ৰতিযোগিতাত বিশ্বনাথ জিলাৰ উক্ত চাৰিগৰাকী খেলুৱৈয়ে খেল প্ৰদৰ্শন কৰিব। আজি অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা নীলাম প্ৰক্ৰিয়াত বিশ্বনাথ জিলাৰ চাৰিজনকৈ ক্ৰিকেট খেলুৱৈক অসমৰ বিভিন্ন স্থানৰ চাৰিটাকৈ দলে ক্ৰয় কৰিছে। উল্লেখ্য যে গুৱাহাটী ৰয়েলছ, যোৰহাট ষ্টেলিয়ন, বৰপেটা ব্ৰেভছ, তেজপুৰ টাইটানছ, ডিব্ৰুগড় ৰাৰিয়ৰ্ছ, নগাঁও ৰেঞ্জাৰ্ছ, চৰাইদেউ চানৰাইজ আৰু বৰাক লিজেণ্ডছকে ধৰি মুঠ ৮টা দলৰ মাজত এই প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। উল্লেখ্য যে মুঠ ২৭৫ গৰাকী খেলুৱৈৰ তালিকা নীলাম প্ৰক্ৰিয়ালৈ আহিছিল আৰু বিশ্বনাথ জিলাৰ মুঠ ৬ গৰাকী খেলুৱৈৰ নাম তালিকাত অন্তৰ্ভুক্ত আছিল। ইয়াৰ ভিতৰত বিশ্বনাথ জিলাৰ চাৰিগৰাকী খেলুৱৈ নিৰ্বাচিত হয়। আজি নীলাম প্ৰক্ৰিয়াত বিশ্বনাথৰ নিৰ্ভানা স্পৰ্টছ একাডেমিৰ দক্ষ দাসক ৩ লাখ ২০ হাজাৰ টকাত ডিব্ৰুগড় ৰাৰিয়ৰ্ছে, হেলেমৰ ডফলাগড়ৰ শ্ৰবন খাউণ্ডক ২ লাখ ২০ হাজাৰ টকাত বৰাক লিজেণ্ডছে, বিশ্বনাথ চাৰিআলিৰ সিদ্ধাৰ্থ শংকৰ বৰুৱাক ৩ লাখ টকাত নগাঁও ৰেঞ্জাৰ্ছে আৰু বিশ্বনাথ চাৰিআলিৰ দিবস হাজৰিকাক তেজপুৰ টাইটানছে পঞ্চাশ হাজাৰ টকাত ক্ৰয় কৰাত বিশ্বনাথ জিলাৰ এই চাৰিজন খেলুৱৈয়ে এইবাৰ অসম প্ৰিমিয়াৰ লীগ খেলিবলৈ সুবিধা লাভ কৰে। উক্ত চাৰিগৰাকী খেলুৱৈৰ এই আশাপ্ৰদ খবৰে ক্ৰীড়াপ্ৰেমী ৰাইজক যথেষ্ট উৎসাহিত কৰি তুলিছে।

# ধৰ্মপ্ৰাণ মহিলা অনিমা চুতীয়া পৰলোকপ্ৰাপ্তি; নামতিত গভীৰ শোকৰ ছাঁ

**অসম বাৰ্তা, চেলেংহাট, ১৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ গণক অভয়পুৰীয়াৰ গাঁওপ্ৰধান ধ্ৰুৱজ্যোতি চুতীয়াৰ মাতৃ ধৰ্মপ্ৰাণ মহিলা অনিমা চুতীয়া (৬৫) ৰ যোৱা নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি হয়। অমায়িক মহিলাগৰাকীৰ মৃতদেহ আজি টিঙিৰিপাম কঁহাৰ গাঁৱৰ বাসগৃহ আহি পোৱাৰ লগে লগে অগণন গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত অনিমা চুতীয়াই তিনিজন পুত্ৰ, দুগৰাকী বোৱাৰী আৰু নাতিনীৰ লগতে বহু আত্মীয় স্বৰ্জনক ইহ-সংসাৰত এৰি থৈ গৈছে। আনহাতে, অনিমা চুতীয়াৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

## দুই যুৱতীক যৌন নিৰ্যাতনৰ চেষ্টা কৰা ডেপুটি মেনেজাৰ আৰক্ষীৰ জিম্মাত

# ওদালগুৰিৰ মাজুলী চাহ বাগিছাত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৯ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত মাজুলী চাহ বাগিছাত সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। বাগিচাখনৰ উপ-পৰিচালক (ডেপুটি মেনেজাৰ) ইমতিয়াজ ৰহমানৰ বিৰুদ্ধে কৰ্মৰত দুগৰাকী যুৱতীক যৌন নিৰ্যাতনৰ চেষ্টা চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাই শ্ৰমিক সমাজৰ মাজত ব্যাপক ক্ষোভৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ভুক্তভোগী যুৱতী দুগৰাকী হ'ল ১৯ বছৰীয়া সুশান্তী কেওঁট আৰু ২৩ বছৰীয়া ৰবিনা ভূমিজ। তেওঁলোক দুয়ো বাগানৰ মেনেজাৰৰ বাংলোত কৰ্মৰত আছিল। অভিযোগ অনুসৰি, কামৰ চলেৰে বাংলোলৈ মাতি নি ডেপুটি মেনেজাৰ ইমতিয়াজ ৰহমানে বিগত কিছুদিন ধৰি যুৱতী দুগৰাকীৰ ওপৰত নিৰন্তৰ যৌন নিৰ্যাতন চলাই আহিছিল। আজি এই ঘটনাৰ বিষয়ে জানিব পৰাৰ লগে লগে শ্ৰমিকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ঘটনাৰ পিছতে প্ৰায় সহস্ৰাধিক চাহ শ্ৰমিক আৰু বিভিন্ন দল-সংগঠনৰ লোক একত্ৰিত হৈ মাজুলী চাহ বাগিচাৰ ফেক্টৰী চৌহদ ঘেৰাও কৰে। উত্তেজিত জনতাই অভিযুক্ত বিষয়াগৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰৈলে যোৱাৰ উপক্ৰম হোৱাত তৎক্ষণাৎ ঘটনাস্থলীত ওদালগুৰি জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (ASP) নয়নমণি বৰ্মন, পানেৰী আৰু হৰিশিঙা আৰক্ষী থানাৰ দল উপস্থিত হয়। আৰক্ষীৰ তৎপৰতাত পৰিস্থিতি কিছু পৰিমাণে শান্ত হয় যদিও শ্ৰমিকসকলে অভিযুক্ত ডেপুটি মেনেজাৰক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰদাৰ দাবী জনায়। বৰ্তমান আৰক্ষীয়ে অভিযোগৰ ভিত্তিত অভিযুক্ত ইমতিয়াজ ৰহমানক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। এই ঘটনাই এতিয়াও সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন